# । মনত মেঘৰ ৰং ।

॥ শ্ৰীজয়কান্ত গন্ধীয়া ॥

STATE CENTRAL LIBRARY
ASSAM

॥ বাণী মন্দিৰ ॥
কিতাপ বিক্ৰেতা আৰু প্ৰকাশক
নতুন বজাৰ : ডিব্ৰুগড়-৭৮৬০০১
অসম।

*Manat Meghar Rang*, A novel written by Sri Jaykanta Gandhia, and Published by Sri Surjyakanta Hazarika on behalf of M/s. Bani Mandir, New Market, Dibrugarh.

---

প্ৰকাশক :
শ্ৰীসূৰ্য্যকান্ত হাজৰিকা
নতুন বজাৰ
ডিব্ৰুগড়—৭৮৬০০১

প্ৰথম প্ৰকাশ : নৱেম্বৰ, ১৯৭৬

বেটুপাত : এড্‌হন

মূল্য : ৫·০০ টকা মাথোন

ছপাশাল :
লালমোহন দত্ত
উমা প্ৰেছ
২, পাৰ্চিবাগান লেন,
কলিকতা—৯

। ভোলানাথ দত্তজনাবতি দেবের

হাতে প্রণামে ।

মনত মেঘৰ ৰং পাতি * * *

॥ ইতিমধ্যে প্ৰকাশিত কেইবাখনিও গ্ৰন্থৰ গ্ৰন্থকাৰ শ্ৰীজয়কান্ত গন্ধীয়া আমাৰ পঢ়ুৱৈৰ বাবে পৰিচিত। কিন্তু তেখেতৰ পূৰ্বৰ উপন্যাস বা গল্পৰ লগত 'মনত মেঘৰ ৰং' নামৰ এই নতুন উপন্যাসিকাখনিৰ কিছু মৌলিক পাৰ্থক্য চকুত পৰিছে। কেৱল পাঠক-পাঠিকাৰ মনোৰঞ্জনৰ বাবে নিলিখি শ্ৰীযুত গন্ধীয়াই একেটি কাহিনীৰ মাধ্যমেৰে এটি প্ৰধান আৰু এটি লগৰীয়া আদৰ্শ স্থাপনৰ বাবে ইয়াত যত্ন কৰিছে। এহাতে শংকৰী-শিল্প-সাধনাৰ আৰ্হি স্থাপন আৰু আনহাতে হিন্দু-মুছলমানৰ মাজত থকা সম্প্ৰীতিৰ বান্ধ দৃঢ়কৰণ—এয়ে হ'ল লেখকৰ আদৰ্শ। চৈয়দবাবাৰ জমিৰ আলিক সৰ্বানন্দৰ আৰ্হি স্বৰূপ পূৰ্ব-নায়ক হিচাপে প্ৰতিষ্ঠা কৰি, সৰ্বানন্দ আৰু জেবিণা, সুন্দৰ আৰু জ্যোতিমালাৰ মাজেৰে নতুন দিনৰ যথাৰ্থ সম্ভাৱনা ডাঙি ধৰিবৰ কাৰণে যত্ন কৰিছে। লেখকৰ এই যত্নৰ শিল্প-ৰূপ সম্পৰ্কে অনেক কথা ক'ব পাৰি। কিন্তু যত্নৰ আন্তৰিকতা সম্পৰ্কে বোধকৰোঁ কোনেও দ্বিমত প্ৰকাশ নকৰিব। কাহিনী-বিন্যাসৰ কৌশল শ্ৰীযুত গন্ধীয়াই জানে আৰু তেখেতৰ ভাষাও অনায়াস-সিদ্ধ। আশা কৰিছোঁ—লেখকৰ মাজত নতুন সম্ভাৱনাই মূৰ ডাঙি উঠিব আৰু স্বাধিকাৰ লাভ কৰিবলৈ সমৰ্থ হ'ব ॥

নগেন শইকীয়া
( ডিব্ৰুগড় বিশ্ববিদ্যালয় )

## পঢ়ুৱৈলৈ • • •

শংকৰী-সংস্কৃতি আৰু হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক সম্প্ৰীতিক লৈ লেখা এই উপন্যাসিকাৰ কাহিনী আৰু চৰিত্ৰসমূহ সম্পূৰ্ণ কাল্পনিক। উপন্যাসিকাখন ভালে দিন বাকচৰ তলিত পৰি থাকি এতিয়া 'বাণী মন্দিৰ'ৰ মৰম পাই পোহৰলৈ আহিছে। স্বত্বাধিকাৰীলৈ কৃতজ্ঞতা। হাতে লেখা অৱস্থাতে উপন্যাসিকাখন পঢ়ি মোৰ শুভাকাংখী বন্ধু নীলকান্ত কোঁৱৰে বৰ ভাল পালে হেনো। তেওঁলৈ ধন্যবাদ। জনপ্ৰিয় লেখক আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, অধ্যাপক শ্ৰীনগেন শইকীয়াদেৱে উপন্যাসিকাখনৰ সম্পৰ্কে মতামত এটি লেখি দি সাহিত্য-সৃষ্টিৰ যি প্ৰেৰণা যোগাইছে, মৌখিকভাৱেও যি পৰামৰ্শ আগবঢ়াইছে সেই বাবে মই তেখেতৰ ওচৰত সদায় কৃতজ্ঞ হৈ থাকিলোঁ। কিতাপখন পঢ়িবলৈ হাতত লোৱা বাবে আপোনালৈও কৃতজ্ঞতাৰ শৰাই।

—লেখক

॥ এক ॥

সৰ্বানন্দৰ নিজকে নিজে বৰ ভাগকৰা ভাগকৰা যেন লাগিল।

ছুচকুৰ পতাত টোপনিৰ আমেজ এটা সানি খেলি-মেলিকৈ সি ভাবি গ'ল...

...আক বৈ থকা উচিত নহয়। আক বৈ থাকিলে আমাৰ .গাত উত্তৰ পুৰুষৰ অভিশাপ লাগিব। ইমানতে... .. এতিয়াই......আমি নিশ্চিতভাৱে কিবা এটা কৰিবলৈ হাতত ল'বৰ হ'ল ..। ভূপেন হাজৰিকাই যথা সময়তে চিঞৰিছে—'আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্ত্বনা লভিলে নহ'ব...আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব।' সঁচায়ে আজি আমি নিজক চিনি পাবৰ হ'ল........ জাতীয় সাংস্কৃতিক চিনি পাবৰ হ'ল...অসমীয়া জাতীয় সাংস্কৃতিৰ অন্যতম্ নিৰ্মাতা শংকৰদেৱক বুজি পাবৰ হ'ল........

...আজি শ শ বছৰে আমি যেন শংকৰদেৱক বুজিবলৈ যত্ন নকৰিলোঁ.. আজি শ শ বছৰেও আমি যেন শংকৰদেৱে শিকাই থৈ যোৱা খিনি শিকিবলৈ অলপো চেষ্টা কৰা নাই...আমি যেন সঁচাকৈয়ে অকৃতজ্ঞ জাতি...আমি যেন সঁচাকৈয়ে অকৰ্মণ্য জাতি...

...শংকৰী-কলাক খৰচি মাৰি আমি জানোনে? বা জানিবলৈ আমি যত্ন কৰিছোনে?... এদিন এইখন অসমৰে আকাশ-মাৰ্গত থলকি লগোৱা...ধেই ধেই তাও, ধেই তাও ধেই...ধেই ধিনা ধিনা ধিনিতা খিতি তাও...খিতি তাখ তাও...ঋদ্ ধেই খিতি তাখ ধেই... বুলি ৰজনজনাই থকা মহান স্ৰষ্টা শংকৰদেৱৰ শংকৰী-কলা এইখন অসমতে আজি লুপ্ত প্ৰায় কিয়? কিয়?? আজিৰ অসমৰ উত্তৰ পুৰুষে কথা কলি শিকিছে...ভাৰত নাট্যম শিকিছে...কিন্তু আমাৰ হিয়াৰ আমঠু স্বৰূপ নটুৱা শিকিছেনে? চালি শিকিছেনে? সূত্ৰধাৰী শিকিছেনে?......তেনেহলে কি সাহসত আমি সামগ্ৰিকভাৱে

শংকৰদেৱক বুজিব পাৰিছোঁ বুলি দাবী কৰিব পাৰো···কলা-গুৰু শংকৰদেৱৰ কোনো বাস্তৱ ধাৰণাই যেন আজিলৈকে আমাৰ হোৱা নাই···।

—ভাৱৰ উত্তেজনাত সৰ্বানন্দৰ টোপনিৰ আমেজখিনি কেনিবা কাটি গ'ল।

চকীখনতে গাটো লৰাই সি ইফালে সিফালে চালে।

···চাহ এঢোক খাব লাগিছিল। অলপ ভোক-ভোকো লাগি আছে। সি ভনীয়েকক মাত দিলে—

ঃ মা-লা, অ' মা-লা।

মালা ভিতৰৰপৰা ওলাই আহিল ঃ মোক মাতিছিলা ককাইদেউ।

ঃ মাতিছিলোঁ। পাৰ যদি চাহ-তাহ এঢোক খুৱাচোন।

ঃ নিশ্চয়।

ককায়েকক চাহ এঢোক খুউৱাৰ প্ৰতিশ্ৰুতিৰে জ্যোতিমালা ভিতৰ সোমাই গ'ল। তাই সোমাই যোৱাৰ ফালে সৰ্বানন্দই কিছুপৰ চাই ৰ'ল।···ৰূপহী আলিৰ জনপ্ৰিয় বায়ন ডম্বৰু হাজৰিকাৰ আদৰৰ পুত্ৰ সৰ্বানন্দ, আদৰৰ কন্যা জ্যোতিমালা। সৰ্বানন্দই যেতিয়া কৈশোৰত ভৰি দিছিল, জ্যোতিমালাই যেতিয়া গাত কাপোৰ লবলৈ আৰম্ভ কৰিছিল —তেতিয়াই সংসাৰত অকলশৰীয়া কৰি বাপেক-মাকে সিহঁতক এৰি থৈ গৈছিল।

···আৰু তেতিয়াই ৰূপহী আলি নামৰ এই ৰূপ-ৰস-গন্ধে ভৰা গাঁওখনৰপৰা সিহঁতক লৈ গৈছিলহি নগৰত থকা মাজু মোমায়েকে।

মাজু মামাকৰ তত্বাৱধানতে সৰ্বানন্দ আৰু জ্যোতিমালা চন্দ্ৰকলাৰ দৰে একলা-দুকলাকৈ বাঢ়ি আহি খুটি খাব পৰা হ'ল।··

···'বায়নৰ ঘৰৰ বোন্দায়ো বাগ দিব পৰা' নিচিনাকৈ সৰুতেই সৰ্বানন্দই বাপেক ডম্বৰু বায়নৰপৰা দুই-এটা বৰগীত গাবলৈ শিকিছিল। খোলৰ দুই-এটা বোল মনত ৰাখি লৈছিল।······সেই সময়ত ডম্বৰু বায়নৰ অতি প্ৰিয় বন্ধু এজন সিহঁতৰ ঘৰলৈ সঘনে আহ-যাহ কৰিছিল। নাম তেওঁৰ জমিৰ আলি।···চমুতে জমিৰ

পেহা। জমিৰ পেহাই বৰ নিপুণকৈ সত্ৰীয়া নাচ নাচিব জানিছিল। সেইজন জমিৰ পেহাক নচা দেখিয়েই সৰ্বানন্দই দুই-এটা নাচৰ মুদ্ৰাও আয়ত্ত কৰি লৈছিল।

…এইখিনিয়েই সৰ্বানন্দৰ মূলধন। এইখিনি মূলধনকে লৈ সৰ্বানন্দই মামাকৰ ঘৰত থাকি সাধাৰণ বিদ্যালয়ৰ শিক্ষাৰ লগে লগে ওচৰৰ এখন সত্ৰীয়া সংগীত বিদ্যালয়ৰ শিক্ষাও আয়ত্ত কৰি গৈছিল। তাৰেই সৌভাগ্য সেইখন সংগীত বিদ্যালয়ৰ শিক্ষকসকলৰ ভিতৰত অন্যতম আছিল বাপেকৰ পৰম বন্ধু জমিৰ পেহা।…সময়ত সৰ্বানন্দৰ লগতে জ্যোতিমালায়ো সেইখন সংগীত বিদ্যালয়লৈ অহা-যোৱা কৰিছিল। আৰু এদিন জমিৰ পেহাৰ বিশেষ মৰমত সুয়োজনেই সত্ৰীয়া-সাংস্কৃতিত পাকৈত হৈ পৰিছিল। এয়া সৰু কালৰে কথা।…

অলপ ডাঙৰ হৈ শংকৰদেৱৰ অৱদানখিনি খৰচি মাৰি জানিবলৈ… খৰচি মাৰি শিকিবলৈ মন গ'ল সৰ্বানন্দৰ। ভনীয়েকক মোমায়েকৰ ঘৰত এৰি সি ঢাপলি মেলিলে সত্ৰীয়া সংস্কৃতিৰ বৰভঁৰাল স্বৰূপ মাজুলীলৈ। কমলাবাৰীলৈ। গড়মূৰলৈ। বিভিন্নজন ওজাৰ ওচৰলৈ।…

…মাজুলীৰপৰা নিজেও এজন শংকৰী কলাৰ ওজা সাজি ঘূৰি অহাৰ পিছতে মোমায়েকৰ লগত সৰ্বানন্দৰ মতবিৰোধ।

…নামনিত সুধী সমাজৰ সহায় সহযোগত, শ্ৰদ্ধেয় বোমেশ্বৰ বায়নৰ তত্বাৱধানত শংকৰী সংস্কৃতি শিক্ষাৰ বিদ্যালয় এখন হৈ উঠিছেগৈ। সৰ্বানন্দৰ ইচ্ছা 'সুধী সমাজৰ লগতে মাজুলীৰ বিশেষ সহায় লৈ উজনিতো তেনে এখন বিদ্যালয়ৰ গঢ় দিবলৈ। ভনীয়েক জ্যোতি-মালাকো সি এই দিশত সজাই-পৰাই লৈছিল।……ইয়াতে মতবিৰোধ ঘটিল মাজু মামাকৰ লগত। মামাকৰ মতে…এইবোৰ নাচ-তাচে পেট নভৰায়। পেট ভৰাবৰ বাবে অন্য চাকৰি-বাকৰিৰ দিহা-যুগুতি কৰি ল'ব লাগে। সিহঁতৰ পোহপাল দিবৰ বাবে তেওঁ অসমৰ্থ হৈ পৰিছেগৈ।…

…প্ৰকৃততে মামাক অসমৰ্থ নাছিল। কিন্তু তেওঁ অসমৰ্থ বুলি

জনাই দিলে। তাতে বেজাৰ পাই সৰ্বানন্দই ভনীয়েকক লৈ পৈত্রিক ভেটিটোলৈ গুচি আহিল। নতুনকৈ খেৰ-বাঁহেৰে ঘৰ এটা বান্ধি ললেহি।···এতিয়া মৰমৰ ৰূপহী আলিতে সি তাৰ কল্পনাক বাস্তৱত ৰূপ দিয়াৰ একান্ত ইচ্ছা···

: ককাইদেউ দিনে-নিশাইনো তুমি কিবোৰ ভাবি থাকা। লোৱা —চাহখিনি খাই লোৱা।

মালাৰ মাতত ভাৱ ৰাজ্যৰপৰা সৰ্বানন্দ আকৌ বাস্তৱ ৰাজ্যলৈ ঘূৰিল। সি মালাৰ লগত অলপ ধেমালি কৰি গাৰ জড়তা দূৰ কৰিবৰ মনেৰে অলপকৈ হাঁহি মাৰি ক'লে—

: ভাবিম আৰু কি? তোৰ কথা ভাবিছোঁ। সুন্দৰৰ কথা ভাবিছোঁ। তহঁত দুয়োটাকে বিয়া পাতি দিয়া কথা ভাবিছোঁ। —বেলেগ আৰু একো ভবা নাই।

: ইচ্ পাই। তুমিও যে আৰু। আন কথা ভাবিবলৈ নাই—

: আছে।

: পিছে সেইবোৰ নাভাবা কিয়? অনৰ্থক এইবোৰ কি ভাবিছা?

: অনৰ্থক নহয়। তহঁতৰ বিয়াখনত মই এটা বিশেষ অৰ্থ প্ৰয়োগ কৰিহে কথাবোৰ ভাবিছোঁ।···তহঁত দুয়োটা লগ লাগি আমাক মুক্তিৰ সন্ধান দিব লাগিব।

: যো-ৱা-আ-হ। তুমি যে ভাল মানুহ। মই সেইবোৰ মাথা-মুণ্ড একো বুজা নাই।

: বুজি ল, বাহিৰৰ ফালে চাই সৰ্বানন্দই কৈ গ'ল,···এতিয়াৰ দৰে তেতিয়াও তহঁতৰ সাধনা এক হৈ থাকিব।···বিয়াৰ পিছত নিজৰ কৰ্তব্য পাহৰি নগৈ সাধনাৰ উচ্চ শিখৰত উঠিবগৈ লাগিব। শংকৰী-কলাক দেশ-বিদেশত প্ৰচাৰ কৰিবলৈ ওলাই যাব লাগিব। বৰগীতৰ অমিয়া মাধুৰীয়ে ভাৰতৰ আকাশ মাৰ্গত খলকনি তুলিব লাগিব।··· পাৰিবি?

সৰ্বানন্দই বাহিৰৰপৰা দৃষ্টি ঘূৰাই আনি জ্যোতিমালাৰ ফালে

চাই থৰমৰাই উঠিল : আৰে, মই ইমান সাকৰা কথা কৈ যাব লাগিছোঁ। আৰু তাই গৈ ভিতৰত···ধুৰ্ ৰ্ ৰ্

: অঁ অঁ তুমি কৈ গৈ থাকা···মই ইয়াৰপৰাই শুনি আছোঁ।··· অঁ·· অঁ···

সৰ্বানন্দৰ ওঁঠৰ ফাকত মিচিকি হাঁহি এটা বিৰিঙি গ'ল।

সুন্দৰ! সুন্দৰ চলিহা!

সুন্দৰক সৰ্বানন্দই মাজুলীৰ বোকাৰ মাজৰপৰা যেন মাণিক আৱিষ্কাৰ কৰি আনিছে।

সত্ৰীয়া সংস্কৃতিত সুন্দৰৰ জ্ঞান আছে। সি নিজে বাব জানে। গাব জানে। ভাল লগাকৈ নাচিব জানে। সুন্দৰ প্ৰকৃততে শিল্পী। সৰ্বানন্দৰ দৰে সুন্দৰেও শংকৰদেৱক নতুনকৈ বুজিবলৈ বিচাৰে। নতুনকৈ শিকিবলৈ বিচাৰে। সুন্দৰো এজন শংকৰ সাধক। তাৰ মতেও শংকৰদেৱ এজন সাৰ্বজনীন শিল্পী। মহান স্ৰষ্টা। মহান কলা-গুৰু। সিও বিচাৰে —শংকৰদেৱক আগত লৈ শংকৰ-সাধকসকল ভাৰতৰ প্ৰতিটো চুকলৈ যাওক—ভাৰতৰ সীমা অতিক্ৰম কৰি বিশ্ব-মঞ্চৰ মজিয়ালৈ যাওক। বিশ্ববাসীৰপৰা ১৪৪৯ খৃঃত অসম মুলুকত জন্মগ্ৰহণ কৰা যুগ মানৱ শংকৰদেৱ যে এজন মহান স্ৰষ্টা, সেই স্বীকৃতি আনক···

···সৰ্বানন্দৰ সপোনৰ বাস্তৱ ৰূপায়ণত প্ৰধান সহায়ক হ'ব বুলি ভাবি মাজুলীৰপৰা সুন্দৰক ৰূপহী আলিলৈ লৈ আহিল। এতিয়া সি সৰ্বানন্দৰ সোঁ-হাত স্বৰূপ।···

···সৰ্বানন্দ আৰু সুন্দৰৰ দৰে জ্যোতিমালাও আজি ৰূপ সাগৰত বুৰ মাৰি ৰূপ-তীৰ্থৰ যাত্ৰী হৈছে।

এই যাত্ৰাত তাইক ককায়েকতকৈও প্ৰেৰণা দিছে সুন্দৰ চলিহাই।

···ইতিমধ্যে সুন্দৰ আৰু জ্যোতিমালাৰ ভাৱ বিনিময়ৰ কথা সৰ্বানন্দৰ চকুত নপৰাকৈ থকা নাই।···সেয়ে নেকি সিহঁত দুয়োটাৰে সপোন-বাস্তৱ এক হৈ পৰিছে।···সেয়ে সিহঁত দুয়োটাই একে সময়তে একে কথাকে ভাবিবলৈ লৈছে······

···সুন্দৰ আৰু মালাৰ ভাৱ বিনিময়ত সৰ্বানন্দই নিজে প্ৰতিবন্ধক

হিচাবে থিয় দিবলৈ বিচৰা নাই।.........হয় যদি......হওক সিহঁতৰ মিলন।...সিহঁতৰ মিলনে হয়তো এদিন সমাজখনৰ উপকাৰ সাধনেই কৰিব।.. দুয়ো মিলি হয়তো সঁচাকৈয়ে শংকৰ গুৰুক বাহিৰলৈ লৈ যাব পাৰিব।

...হয় যদি সুন্দৰ-জ্যোতিমালাৰ মিলন...হওক...

সৰ্বানন্দই সুন্দৰ-জ্যোতিৰ এই মিলন বিচাৰে সামাজিক স্বাৰ্থৰ বাবে।......তাৰ মতে অসমৰ সকলো ডেকা-গাভৰুৰ মিলন হওক সামাজিক স্বাৰ্থ পূৰণৰ বাবে। অসমীয়া সমাজৰ উন্নতিৰ বাবে। এই যুগত বিয়াৰ বৈদিক অৰ্থ সলনি কৰিবৰ হ'ল। এটা যুগত মানুহে বিয়া কৰাইছিল পুত্ৰ উৎপাদনৰ বাবে। পিছৰ যুগত সিয়েই যেন যৌন ক্ষুধা নিবাৰণৰ উপায় হিচাপে পৰিগণিত হ'ল।......পিছে এতিয়াৰ সচেতন যুৱক-যুৱতীয়ে সেইবোৰ ব্যক্তি স্বাৰ্থৰ কথা বাদ দি সামাজিক স্বাৰ্থ পূৰাবৰ উদেশ্যেহে বিবাহ পাশত আৱদ্ধ হ'ব লাগে।...

: ককাইদেউ তামোল।

: হেঁা...অঁ...দে...

মালাৰ হাতৰ বটাটোৰপৰা তামোল এখন মুখত ভৰাই সৰ্বানন্দ বহাৰপৰা উঠিল। ভাৱবিলাসত থাকিলে নচলে।...হাতে-কামে কৰিবৰ বাবে ওলাই যাব লাগে। সি গাঁৱৰ ল'ৰা। গাঁৱত তাৰ ঘৰ। ইমান দিনে এইবোৰ কাম সি নগৰত কৰা কথা ভাবিছিল যদিও এতিয়া সেই ভাৱ সি ত্যাগ কৰিছে। সি গাঁৱলৈ ঘূৰি আহিছে যেতিয়া এতিয়াৰপৰা সংস্কৃতিৰ সকলো কাম সি গাঁৱত কৰিবলৈ ল'ব।

...অসমৰ গাঁও কেইখনহে জাতীয় সংস্কৃতিৰ ভেটি। গাঁৱতহে সকলো পোৱা যায়......গাঁৱৰ জীৱনহে স্বাভাৱিক জীৱন। নগৰখন কৃত্ৰিমতাৰে আৱৰা। নগৰবোৰ যেন খেয়াল-গজলৰহে ঠাই...... টোটয়-চপয়ৰ ঠাই নহয়...

: বোপাই, অঁ বোপাই......কুকুৰ-চুকুৰ কিবা আছে নেকি অ'।—সৰ্বানন্দৰ পদুলিত এটা দুৰ্বল কণ্ঠস্বৰ শুনিবলৈ পোৱা গ'ল। সি পদুলিৰ ফালে ভুমুকিয়াই চালে।

চিনাকি মুখখনে কেনেক কৰে হাঁহি এটা মাৰি কলে : বোপাই অ' সবাই……কুকুৰলৈ বৰ ভয় লাগে।

সৰ্বানন্দ চোতাললৈ নামি গ'ল। মালাও ভিতৰৰপৰা ওলাই আহিল। এয়া সিহঁতৰ অতিকে চিনাকি কণকা বাই। মামাকৰ ঘৰত থাকোতে কণকা বাইক সিহঁতে সদায়ে লগ পাইছিল। কণকা বাই নগৰত সিহঁতৰ প্ৰতিবেশী আছিল। মামাকৰ ঘৰৰ ওচৰতে সক ছালি এখনৰ তলত বায়ে জীৱন কটাইছিল। নগৰলৈ আহিবৰ দিনাৰ-পৰা কণকা বায়েই সিহঁতক ওমলাইছিল বুলি ক'ব পাৰি। সেয়ে নেকি কণকা বাই সিহঁতৰ অতিকে আপোন।…

: বাই…তুমি যে ক'ৰপৰা ওলালাহি। তোমাৰ কথা মোৰ সদায়ে মনত পৰে জানা।

: এৰা বাই…আঁহা…তোমাৰ কথা আমি সদায়ে পাতো। তুমি আমাৰ নিজৰ আইৰ নিচিনা।

সৰ্বানন্দ আৰু জ্যোতিমালাই আগপিছকৈ কলে।

দাঁত নোহোৱা আলু দুটা উলিয়াই আকৌ কণকা বায়ে ফেল ফেল কৰে হাঁহিলে। কলে : হয় দে ময়ো তহঁতক নেদেখি থাকিব নোৱাৰিহে এইখিনি পালোহি। আজি কিমান বছৰে তহঁতৰ লগত ধেমালী কৰিলো চা-চোন। মোৰনো আছে কোন? তহঁতেই পো—তহঁতেই জী।

কণকা বাই অহাত জ্যোতিমালাৰ মনত সঁচাকৈয়ে আনন্দৰ ৰেখা এটা বিৰিভি গ'ল। সৰুতে মাতৃহাৰা হোৱা জ্যোতিমালাৰ প্ৰকৃততে কণকা বাইকে মাক যেন লাগে।…

জ্যোতিমালা চাহৰ যোগাৰত লাগিল।

সৰ্বানন্দ কণকা বাইৰ লগত কথাত বহিল। প্ৰথমে বায়েই আৰম্ভ কৰিলে—

: তহঁতে গুচি আহিবৰ'দিন ধৰি মোৰ চকুত টোপনি নাই। ক'ত-বা আছহি, কেনেকৈ বা আছহি। ঘৰ-দুৱাৰবোৰ ভালেই চকুত পৰিছে। তথাপি নতুন ঠাইৰ নতুন কথা। অলপ চাই-চিতি বুজিবি।

: এৰা বাই। ঘৰ-দুৱাৰ সজাৰপৰা আৰম্ভ কৰি এতিয়ালৈকে বুলি ভালেখিনি পা-পইচা খৰচ কৰিব লগা হ'ল। দদাইদেউহঁতে কাঠ-বাঁহবোৰৰ তদাৰক কৰি আছিল বুলিহে···

: হওক, সেইবোৰকে বেছি কিনি যে ইমানখিনি কৰিলি।

—কথাৰ লাচতে কণকা বায়ে হাতৰ ৰঙা হাঁচতিখন মেলিলে। শুকান পাণ কেইখন আৰু শুকান তামোল কেইটা লুটিয়াই-বগৰাই তাৰ মাজৰপৰা কাগজৰ সৰু টোপোলা এটা উলিয়ালে। হাতৰ টিপতে অলপ মেলা নিচিনা কৰি আকৌ সামৰি সৰ্বানন্দৰ ফালে আগবঢ়াই দিলে—: হোঁ, ল। ভাল মানুহৰ হাতৰপৰাই বস্তুটো আনিছো। ন-ঠাইত তহঁতৰ কিবা বিপদ হয় বুলিয়েই।···

সৰ্বানন্দই কাগজৰ সৰু টোপোলাটো মেলি চালে। ৰঙা-ক'লা সূতাৰে বতা সৰু বতীয়া এডাল থুপাই থোৱা আছে। সি সূতাডাল দুহাতে ধৰি মেলি দি কৈ উঠিল—

: বাই—এইটো দেখোন তা-বি-জ। ইয়াৰে কি কামত আহিব ?

: নতুন ঠাইত তহঁতক ই বৰ কাম দিব। নগৰত থকা কাৰণে তহঁতে তাবিজ-তুবুজৰ মহিমা বুজি নেপালি। গাঁৱত থকা হলে বুজিলি-হেঁতেন। এইটো বস্তু লগত থাকিলে তেখেতসকল কাষ নাচাপে।

: তেখেত সকল মানে ?—সৰ্বানন্দই কৌতূহলী মানুহৰ অভিনয় কৰিলে।

: ল'ৰা মানুহ, তহঁতৰ আগত সেইবোৰ ক'বই নাপায়। মৰা মিতুক আৰু মানুহৰ সঙ্গত নথকা সকল। বৰগছৰ তলত বাস কৰা সকল।

: ইয়ে—হয় নেকি ? মই কিন্তু মানুহৰ বাহিৰে ক'ৰবাত আন কিবা আছে বুলি বিশ্বাস নকৰো। এইবোৰ আচলতে মনৰহে কথা। যাৰ মানসিক শক্তি দুৰ্বল সিহে এইবোৰ বিশ্বাস কৰে, তোমাৰ 'তেখেত' সকলে তাকহে পায়। তথাপি তুমিযে আমাৰ মংগল কামনা কৰি তাবিজটো আনিলা—লওঁ আৰু।

: ল-ল—বোপাই। তেখেতসকলক অবিশ্বাস নকৰিবি। নাপায়।

এনেতে চাহ আহি পালে।

কণক বায়ে চকু-মুখত সন্তোষ ভাব প্ৰকাশ কৰি কলে—

: মোৰ আইৰ কুশল হওক। ককায়েৰৰ হাতত বস্তু এটা আনি দিছোঁ। তই ভালকৈ ৰাখিবি ; সদায় মূৰৰ শিতানত থবি আৰু ধুতি গাৰেহে চোৱা-মেলা কৰিবি।

মালাই কৌতূহলেৰে ককায়েকৰ ফালে চালে: কি বস্তু ককাইদেউ?

সৰ্বানন্দই মুঠিৰ টোপোলাটো মালাৰ ফালে আগবঢ়াই দিলে: চাংঘাতিক জিনিষ

মালাই টোপোলাটো মেলি চালে: অ' তাবিজ।

তাবিজটো সামৰি থবলৈ কৈ কণক বায়ে ৰূপহী আলি গাঁৱৰ সেই জাতীয় আন কথা উলিয়ালে। নতুন মানুহে ইয়াত ভালকৈ ফুৰা-চকা কৰিব লাগে। ভগা-ছিগা যদিও এইখন গাঁৱৰ নামঘৰটো বৰ জয়াল। সেইফালে গলে সদায় মূৰ দোৱাই আহিব লাগে। গাঁওখনৰ পশ্চিমে জোপুহা হাবিখনৰ ফালে পৰা পক্ষত নোযোৱাই ভাল। দিন-দুপৰতে তাত বগা ঘোঁৰা, ক'লা ঘোঁৰা ওলায়। সৰ্বানন্দৰ মাকে বোলে জ্যোতি-মালাৰ জন্মৰ পিছত সেইখন হাবিতে ভয় খাই তেজ-বতিয়াই মৰিল।

কণক বায়ে সৰ্বানন্দইঁতৰ আগত গাঁওখনৰ মানুহবোৰৰ স্বভাৱ-চৰিত্ৰ সম্পৰ্কেও এবকলা বুজনি দিলে। গাওঁ ভাল—পিছে চলিব নাজানিলে বোপাই-আই গাঁও যম-কাল। তাবদৰে যেনিবা ইয়াত গাই-গোট নহয়। ইয়াত মাৰ আছে। এইখন গাঁৱৰ পেট কপটীয়া মানুহৰ ভিতৰত ৰূপায়ণ মেধি, দামোদৰ দত্ত আৰু শিঙৰা ভকত। দামোদৰ দত্তৰ আকৌ মন্ত্ৰী-মুদাগৰৰ লগতহে কথা-বতৰা। শিঙৰা ভকত বুঢ়া হ'ল যদিও…তই আই তাৰ চকুৱে চকুৱে নাচাবি বৰ বেয়া স্বভাৱৰ মানুহ…।

কণক বাইৰ কথা শুনি জ্যোতিমালা তন্ময় হৈছিল যদিও সৰ্বানন্দৰ মনত বাইৰ প্ৰতিটো কথাতে একোটা প্ৰশ্ন জাগিছিল। এইখন গাঁৱৰ বিভিন্ন দিশত এনেদৰে নিৰ্ভীক মন্তব্য দিব পৰা বাইৰ জন্ম ক'ত? কণক-বাই ভাঙৰ দীঘল হৈছিল ক'ত? নগৰৰ ভগা ছালিৰ তলত জীৱন

কটোৱা, সদায় নগৰতে দেখিবলৈ পোৱা কণক বাইৰ লগত এইখন গাঁৱৰ সম্পৰ্ক কোনখিনিত ? আগতে এদিনো সি কণক বাইৰ মুখত এইখন গাঁৱৰ সদ্নাম বদ্নামৰ কথা শুনা নাছিল। আজি কেনেকৈ বায়ে গাঁওখনৰ ইমানখিনি খবৰ সলসলিয়াকৈ দি গ'ল ? সিয়ে বা এদিনলৈও কণক বাইৰ জনমৰ ঠাইখন সম্ভেদ্ নোলোৱাকৈ থাকিল কিয় ?

ঃ বাই, তোমাক আমি আই বুলিয়েই ভাবো। তুমিও আমাক নিজৰ ল'ৰা-ছোৱালী বুলি ভাবা। তথাপি তোমাক আজিলৈকে এটা কথা সোধা নাই। আজি সোধো।—বহুপৰ কণকা বাইৰ মুখলৈ চাই সৰ্বানন্দই কলে।

বাইৰ সোলা মুখত .আকৌ আগৰ হাঁহিটো বিৰিঙিল। কলে ঃ সোধ।

ঃ তোমাৰ জন্ম হৈছিল ক'ত ?

কণকা বায়ে আগৰ হাঁহিটোকে ওঁঠত ৰাখি কলে ঃ· বাক থ। মোৰ জন্ম ঠাইখনৰ কথা তহঁতে নাজানিলেও একো হানি নাই। পিছে আজি মই এনেকৈ তহঁতৰ ভিতৰত বহি চাহ-তামোল খাই গৈছোঁ বুলি গাঁৱৰ মানুহক নকবি। মই অজাতি মানুহ।

ইয়াৰ পিছত কণকা বায়ে কাৰো কথালৈ কাণ নিদি অহা বাটেদি গুচি গ'ল। * * *

॥ দুই ॥

সাংস্কৃতিৰ পথাৰখনৰ বন-পাত চিকুণাবলৈ গৈ সৰ্বানন্দ, সুন্দৰৰ প্ৰথম চকু পৰিল গাঁৱৰ নামঘৰটোৰ ওপৰত।...অসমীয়া সাংস্কৃতিৰ ঘাই মজিয়াখনৰ ওপৰত।

...ৰূপহী আলি গাঁৱৰ নামঘৰটোৰ তেনেই জৰা-জীৰ্ণ অৱস্থা। ছাল-বেৰ নাই। যেন গাঁওখনৰ এটা ৰাজহুৱা গৰু-গোঁহালিহে। গঞা-ৰাইজক কথাবোৰ বুজাই দিব লাগিব। নামঘৰটো তেনেকৈ অনাদৰ কৰিব নাপায়। অন্য একো নালাগিলেও নামঘৰটো আমাক লাগে। বাপতি সাহোন নামঘৰটোহে আমাৰ আছেগৈ।...নামঘৰটো আমাৰ সকলোৰে আত্মা স্বৰূপ...নামঘৰটোৱেই আমাৰ জ্ঞানৰ আলয়...ইয়েই আমাৰ জীৱনৰ পোহৰ...আশ্ৰয়ৰ স্থল...।...সামাজিকভাৱে ইয়াতেই আমাৰ মিলন হয়।...নামঘৰটো আমাৰ মিলনক্ষেত্ৰ...

মহাকলাকাৰ শংকৰদেৱৰ আন সকলো শ্ৰেষ্ঠ অৱদানৰ ভিতৰত নাম ঘৰটোও এটা।.. এইটো নাম ঘৰতে শিল্পী শংকৰে এদিন...নাট-প্ৰযোজনা কৰিছিল...অসমীয়া যজ্ঞৰ পাতনি মেলিছিল...অসমীয়া সমাজক...অৱহেলিত জনক আত্মাৰ গহ্বৰৰপৰা পোহৰলৈ তুলি আনিছিল। এইটো নামঘৰতে এদিন শিল্পীজনাই 'হিঙ্গুল হত্যাল' আনি বৈকুণ্ঠৰ পট আঁকি 'চিহ্ন যাত্ৰা' ক্ষুদ্ৰ নাটিকাৰ অভিনয়েৰে নতুন টেকনিকৰ...অসমীয়া ভাওনাৰ দুৱাৰ মুকলি কৰিলে। সেই তেতিয়াৰপৰা...সেই ১৪৬৮ খৃষ্টাব্দৰপৰা...নিয়মীয়াকৈ এই নামঘৰতে আৰম্ভ হ'ল নাট-পৰিবেশন।...তেতিয়াই শিল্পী জনাই নটা খোল বজাই...আমাক ৰৰধেমালি...সক ধেমালি নানা অংগী-ভংগী শিকাই গ'ল

...তেনেহলে...তেনেহলে এইটো নামঘৰক আমি এতিয়া গৰু-গোহালি হ'বলৈ এৰি দিলে কেনেকৈ হ'ব? তাবোপৰি নামঘৰটো

সজাই-পৰাই ললে ৰূপহী আলিত সি তাৰ কল্পনাক বাস্তৱ ৰূপ দিয়াতো সহায় হ'ব।

সেয়ে আজি এইখন গাঁৱৰে বদন, মনোৰাম আদি ডেকা কেইজনমান লগ লাগি নামঘৰৰ ভগা ছাল কেইখনৰ তলতে ৰূপহী আলিৰ গঞ্জা-বাইজক গোটাইছে। লগতে সুন্দৰেও সহযোগ কৰিছে। সকলোৱে মিলি গাঁৱৰ নামঘৰটোৰ অৱস্থা উন্নত কৰিবৰ বাবে আলোচনা কৰিব।

কাপোৰ সাজ পিন্ধি সৰ্বানন্দ নামঘৰলৈ বুলি ওলাই গ'ল। সুন্দৰহঁত ইতিমধ্যে আগবাঢ়িলেই।

পত্নীৰ পিছতে সৰ্বানন্দক আকৌ নানানভাৱে চাৰিওফালৰপৰা বেৰি ধৰিলে।

নামঘৰটো সোনকালে ভাল কৰি লব পাৰিলেই হ'ল।···তাতে সি, সুন্দৰ আৰু গাঁৱৰ ডেকা মনোৰামহঁত মিলি এটি অনুষ্ঠান আৰম্ভ কৰিব। নাম দিব 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'। এই অনুষ্ঠানটোৰ যোগেদি পাৰ্য্যমানে শুদ্ধ ৰূপত শংকৰদেৱৰ অৱদানখিনি চৰ্চা কৰা হ'ব। গাঁৱৰ প্ৰতিভাসম্পন্ন ল'ৰা-ছোৱালীবিলাকক জাতীয় গীত-মাত শিকোৱা হ'ব। সত্ৰীয়া গীত-নৃত্য শিকোৱা হ'ব। শংকৰী-কলাৰ সম্যক জ্ঞান দিবলৈ যত্ন কৰা হ'ব। শ্ৰীশংকৰ কলা-ক্ষেত্ৰৰ শিল্পীসকলৰ যোগেদি···এখন এখনকৈ আটাই কেইখন অংকীয়া নাটৰ ভাওনা কৰোৱাৰ লাগিব···পিছত এই সকল শিল্পীক লৈ 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ' ৰূপহী আলিৰপৰা অসমৰ অন্যান্য ঠাইলৈ ওলাই···যাব প্ৰথমে অসম আৰু অসমীয়াকে বুজাই দিব···শংকৰী কলাৰ ··অসমীয়া কলাৰ মানদণ্ড কেনে পৰ্য্যায়ৰ···তাৰ পিছত 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ' ওলাব ভাৰতৰ অন্যান্য প্ৰান্তলৈ তাৰ পিছত বিশ্ব-মঞ্চৰ মজিয়ালৈ ।

সৰ্বানন্দ ৰূপহী আলি গাঁৱৰ বন-চুবুৰীটোৰ ওচৰ পালেগৈ।

সেইখিনিতে তাক গাঁৱৰ আন কেইজনমান বয়সীয়া লোকে লগ পালে: বোপা আহা। তোমাক দেখিছে বৈ আছোঁ। বোলো লোখোজ একেলগে যাওঁ। দুটা মুখৰ কথা আলচো।

: বলক। আপোনালোক এনেদৰে আগবাঢ়ি অহাটো মোৰ সৌভাগ্য বুলিয়েই ধৰি লৈছোঁ।

এজন বুঢ়াই সৰ্বানন্দৰ কথাষাৰ কাঢ়ি নি কলে: হ'ব। তোমাৰ কি সৌভাগ্য। গাঁৱৰ গুণি ল'ৰা গাঁৱলৈ গুণ-যশেৰে ঘূৰি অহা বাবে আমিহে সৌভাগ্যবান। তুমি এনেদৰে ঘূৰি আহি বৰ ভাল কাম কৰিলা। আমি নোৱাৰিলোঁ। তুমি যি পাৰা কৰা। আমি কৰিব পৰা দিনত নকৰিলোঁ। দেও-মনিচ একো নামানো। মতা ম'হৰ দৰে ফেৰ পাতি ফুৰোঁতেই গ'ল। মহাপুৰুষজনকে চিনি নোপোৱা আমিবোৰ পাপী বুজিছা পাপী। আমাৰ পাপ হ'ল, আমাৰ ভুল হ'ল, পিছে বিদ্যা-বুদ্ধি থকা চকু গজা তোমালোকে তেনেকৈ ভুল নকৰিবা

সৰ্বানন্দই বুঢ়া কেইজনৰ চকুলৈ চালে। বয়সে গৰকা সহজ সৰল মানুহ কেইজনে প্ৰকৃত কথাকে কৈছে। আগৰিখিনি মানুহে ভুল কৰি গ'ল বুলিয়েই এতিয়াৰখিনি মানুহে ভুল কৰা উচিত নহব নিশ্চয়; এয়া আমাৰ সচেতন হোৱাৰ সময়...

কোমল মাতেৰে সৰ্বানন্দই কলে: মুনিবো মতিভ্ৰম হয়। তেনে-স্থলত মই কোন। ভুল হলে আপোনালোকে শুধৰণি কৰি দিব। আপোনালোক আমাক মনে-প্ৰাণে সহায় কৰিব লাগিব।

বুঢ়া কেইজনে একেমুখে উত্তৰ দিলে: হয় বোপা, আমি যি পাৰো তোমাক সহায় কৰিম। নামঘৰটো ভাল কৰিবলৈ লৈছা বুলি শুনি বৰ আনন্দ পাইছোঁ। গুৰুজনাই আমাক এই ফেৰা কম বস্তু দি যোৱা নাই। তেৰা স্বয়ং ভগৱান বুলিহে ইমানখিনি কৰিব পাৰিলে।

সৰ্বানন্দই আকৌ বুঢ়া কেইজনৰ চকুলৈ চালে। তেওঁলোকৰ শেষৰ কথাষাৰ তাৰ সমূলি মনঃপুত নহ'ল। মানুহ শংকৰদেৱক আৰু ভগৱান বুলি কোৱা হয় কিয়? শংকৰদেৱক ভগৱানৰ লগত লেটি-পেটি কৰা হৈছে বাবেই শংকৰী সাংস্কৃতিৰ আজি এনে না-জল না-স্থল অৱস্থা। মানুহ শংকৰেহে আমাক 'Five Little Senses'ৰ যোগেদি সমাজ সুন্দৰ কৰাৰ শিক্ষা দি গৈছিল' ভগৱান শংকৰে আমাক নিশ্চয়

নহয়। আমি আজি মানুহ শংকৰৰ মানৱতাহে দোহাৰিব লাগে, ভগৱান শংকৰ নহয়।···ভগৱান সৰ্বত্ৰ বিদ্যমান বুলি কোৱা হয় যদিও মানুহৰ বাবে তেওঁ এটা ঠেক সীমাৰ ভিতৰত···কিন্তু শংকৰদেৱক আমি কোনো ধৰণৰ সীমাৰ ভিতৰত ভৰালে নহ'ব। শংকৰ অসীমৰ যাত্ৰী··· শংকৰ যে ৰূপ-তীৰ্থৰ যাত্ৰী

আন কথা এৰি সৰ্বানন্দই বুঢ়া কেইজনৰ আগত সেই প্ৰসংগটোকে অৱতাৰণা কৰি ন দৃষ্টিৰে কথাবোৰ বুজাবৰ যত্ন কৰিলে—

ঃ শংকৰ গুৰুক ভগৱান বুলি নোকোৱাই ভাল নেকি ?

ঃ জানো বোপা। নামঘৰৰ থাপনাখনৰ বাহিৰে আন আমি একো নুবুজো। সেয়াই আমাৰ ভগৱান। শংকৰ গুৰুকো আমি তাতে বিচাৰো

ঃ আধ্যাত্মিক দৃষ্টিৰে চালে অৱশ্যে কথাষাৰ উলাই কৰিব নোৱাৰি। আধ্যাত্মিকতাক সাৰটি থাকিলে বাস্তৱত যে আমি একো কৰিব নোৱাৰিম। এই ক্ষেত্ৰত আমাৰ ভাৱবোৰ কিছু কঠোৰ আৰু বাস্তৱ-মুখী হোৱা উচিত।

ঃ কোৱাচোন বাৰু।

ঃ শুনক। নামঘৰৰ থাপনাখন ভগৱান নহয় বা তাত ভগৱান নাই। সেয়া মাথো বিশ্বাসৰ সমষ্টি। ভাবিলেহে তাত আমি ভগৱানক পাওঁ। কায়িক ভাৱে বিচাৰিলে তাত ভগৱানক পোৱা নাযায়। ভগৱান হ'ল ভাৱৰ পুতলা। তেওঁৰ স্থিতি কল্পনাত। তেওঁৰ স্থিতি লোক-বিশ্বাসত। কিন্তু শংকৰ গুৰুৰ স্থিতি তেনেদৰে লোক বিশ্বাসত নহয়। ভগৱানৰ সলনি তেওঁক মহাপুৰুষ বুলি কোৱা হৈছে। তেওঁ এজন মানুহ-মানৱ-মহামানৱ। তেওঁ এজন ঐতিহাসিক ব্যক্তি, তেওঁ এজন শিল্পী, শিল্পীক পূজা কৰাতকৈও শিল্পীৰ গুণখিনিকহে আমি পূজা কৰিব লাগে। এই পূজা ধূপৰ কাঠিৰে নহয়, ই পূজা হ'ব তেওঁ শিকাই থৈ যোৱা জ্ঞানৰ সাধনাৰে। সেই জ্ঞান নাম-কীৰ্তনৰ জ্ঞানেই হওক বা সূত্ৰধাৰী নাচৰ জ্ঞানেই হওক। অন্ধ বিশ্বাসেৰে কুসংস্কাৰেৰে সেৱা কৰি আঠুৰ ছাল চিঙা দিন আজি

নাই। দিন সলনি হৈছে। আজি সংস্কাৰ মুক্ত হৈ বাস্তৱমুখী হৈ কামেৰে গাৰ ঘাম মাটিত পেলোৱাৰ দিন।

অবাক দৃষ্টিৰে বুঢ়া কেইজনে সৰ্বানন্দৰ ফালে চালে: জানো বোপা, হব পাৰে। দিন সলনি হোৱাৰ কথা কৰ্ব লাগিছেনে? পাঁচ টকীয়া দমৰা গৰুটো এতিয়া পাঁচশতো নোপোৱা হ'ল...

কেইটামান পথুলী পাৰ হোৱাৰ পিছতে সৰ্বানন্দহঁতৰ দলটোক ৰূপায়ণ মেধিয়ে লগ পালে। তেওঁ নামঘৰলৈকে বুলি ওলাইছে। খোজ আগবঢ়ায়ে তেওঁ সৰ্বানন্দৰ ভৰিৰপৰা মূৰলৈকে চালে। তেওঁৰ চাৱনিত সৰ্বানন্দই তেওঁক মাত দিবলৈ বাধ্য হ'ল।

: পেহাদেউ।

: অঁ। আহিছোঁ।—কৰ্কশ মাতটোৰে ৰূপায়ণ মেধিয়ে কৈ গ'ল —আজিৰ মিটিংখন কাৰ হুকুমত পাতিলি?

সৰ্বানন্দই মেধিৰ ৰঙা পৰা চকু দুটালৈ চালে: হুকুম মানে, নামঘৰটো বেয়া হৈ আছে, ভাল কৰিবৰ বাবে আমি ডেকাবোৰে নিজে নিজেই পাতিলোঁ।

মেধিৰ কৰ্কশ মাতটো আকৌ বাজি উঠিল: এহ্‌, আটাইবোৰ কাম তেনেকৈ নিজৰ মতত কৰিবলৈ গলে কেনেকৈ হ'ব। আমি বুঢ়াবোৰ আছো, আমাক এষাৰ কথা সুসুধিলি।

সৰ্বানন্দই বিনয় ভাবেৰে কলে: নিজৰ মতেৰে কৰিবলৈ গলেও আমি বোধকৰো কোনো বেয়া কাম কৰিবলৈ আগবঢ়া নাই। তথাপি, গাঁৱৰ বয়সীয়া হিচাপে তোমাক বা এখেতসকলক কথাটো এবাৰ সোধা ভাল আছিল। আমাৰ ভুল হ'ল। বেয়া নাপাবা আৰু...

ৰূপায়ণ মেধিয়ে ৰঙা চকু দুটা ঘনঘনকৈ টিপিয়াই, কৰ্কশ যদিও মাতটো পাৰেমানে গলগলীয়া কৰি কলে: কৰ কি পাৰ। পিছৰ-বোৰ কথা আমাক সোধি-পোছি লবি। নামঘৰটো সংঘৰ নিয়মত কৰিব লাগিব।

: পেহাইনো কোন সংঘৰ কথা কৈছে?—সৰ্বানন্দই ৰূপায়ণ মেধিৰ মুখলৈ চালে।

: শংকৰ সংঘৰ কথা কৈছোঁ।

: নামঘৰ কৰিবৰ বাবে শংকৰ সংঘৰ কিবা বেলেগ নিয়ম আছে নেকি ?

এনেতে ৰূপায়ণ মেথিক কফটোৱে আহি হেঁচামাৰি ধৰিলেহি। তেওঁৰ খকখকনিত প্ৰসংগটো তল পৰি গ'ল।

সকলো নামঘৰ পালেগৈ।

নামঘৰত তেতিয়া ৰূপহী আলিৰ প্ৰায়খিনি মানুহেই গোট খাইছিল। সৰ্বানন্দ আৰু গাঁৱৰ বয়সীয়া দলটো গৈ পোৱাৰ লগে লগেই আলোচনাৰ কাম আৰম্ভ হ'ল।

...আলোচনা আৰম্ভ হোৱাৰ লগে লগেই তুমুল বাগ-বিতণ্ডা। দেখা গ'ল ৰূপহী আলি গাঁৱৰ ৰাইজৰ মাজত দুটা ভাগ। এদল প্ৰাচীন নীতি-নিয়মত মোহান্ধ। আনদল গোড়া শংকৰ পন্থী—শংকৰী ধৰ্মৰ নামত কট্‌কটীয়া আনুষ্ঠানিক আইনেৰে বান্ধ খোৱা। শক্তিহীন হলেও তাৰ ভিতৰতে আৰু এটা দল নথকা নহয়।—সেইটো ভাগৱতীয়া বোধহয়।

সুন্দৰ সৰ্বানন্দৰ আৰু বুজিবলৈ বাকী নাথাকিল যে এই ধৰ্মীয় দলা-দলি, এই কুসংস্কাৰাচ্ছন্ন নীতি-নিয়মৰ অখিয়া অৰিৰ বাবেই ৰূপহী আলি নামঘৰটোৰ এই অৱস্থা। এইবোৰৰ বাবেই আজিলৈকে ইয়াত এটাও ৰাজহুৱা অনুষ্ঠানে গা-কৰি উঠিব পৰা নাই। সামাজিক জীৱনৰ অনৰ্থৰ মূলতে এই প্ৰয়োজনহীন কথাবোৰ...। ৰূপহী আলিৰপৰা এই দলাদলি আঁতৰাবই লাগিব।

নিৰ্ভিকভাৱে সৰ্বানন্দ থিয় হ'ল : শুনক ৰাইজ।

নামঘৰত ক্ষন্তেক নিজম পৰিল।

উত্তেজনাত ৰঙা পৰা মুখবোৰে সৰ্বানন্দৰ ফালে চালে।

শান্ত, ধীৰ, স্থিৰ স্বৰেৰে সৰ্বানন্দই কলে : আমি এতিয়া এনেকৈ বাক্‌-বিতণ্ডা কৰি থাকিলে হ'বনে ? আজি শ শ বছৰ আমি এই-বোৰকে কৰিয়েই কটালোঁ। এইবোৰৰ বাবেই আমি যুগমানৱ শংকৰক চিনিব নোৱাৰিলো।...যুগ ধৰ্মক বুজিব নোৱাৰিলো। আমি

যি কেইটা বিষয় লৈ অতদিনে তৰ্কাতৰ্ক কৰি কটালোঁ।—এই আটাই কেইটাই ব্যক্তিগত কথা।…অপ্ৰিয় হলেও সত্য কথা এষাৰ কওঁ, যি জন মানসিকভাৱে দুৰ্বল সেইজনহে এনেধৰে লেখা-জোখাকে ধৰ্ম কথাত লাগে…সেইজনহে ভগৱান নামৰ অদৃশ্য শক্তিটোৰ শৰণাপন্ন হয়। ভগৱান স্মৰণৰ দ্বাৰা অন্তৰ পবিত্ৰ কৰিয়েই আমি কামত ধৰিব লাগে। …সেইকাম হ'ল মানুহৰ বাবে…মানুহৰ উপকাৰৰ বাবে কৰা কাম।…মানৱ-সেৱাহে আমাৰ আচল ধৰ্ম। গতিকে আমি সকলো ব্যক্তিগত চিন্তা-ভাৱনা বাদ দি শংকৰ গুৰুৱে পাতি থোৱা এই মিলন মন্দিৰত মিল হ'ব লাগে। শংকৰ সংঘৰ নীতি-নিয়মবোৰৰপৰা, প্ৰচলিত প্ৰাচীন বৈদিক নীতি-নিয়মসমূহৰপৰা ভাগৱতৰ নীতি-নিয়মসমূহৰপৰা যুগ সাপেক্ষ সংস্কাৰ যুক্ত আৰু বাস্তৱ মুখী নীতি-নিয়মে গ্ৰহণ কৰি সমাজ চলোৱাৰ ব্যৱস্থা কৰিব লাগে…

…এতিয়া মই আশা কৰো সকলো পুৰণি কথা বাদ দি বাইজে এই মিলনৰ পথাৰখন চিকুণাই লওক। শংকৰে দি থোৱা এইখন মিলন ক্ষেত্ৰত সকলো হাতত ধৰা-ধৰি কৰি বহক……

সৰ্বানন্দ ব'ল।

সমবেত কাৰো মুখত একো মাত নাই।

সেই গুৰু-গম্ভীৰ স্বৰত আকৌ শুনিবলৈ পোৱা গ'ল: বাইজ বুজিবলৈ যত্ন কৰক…

: কি আৰু বুজিবলৈ আছে?—সেইটো দামোদৰ দত্তৰ মাত।

: তথাপি…

: বাৰু তুমি কৈ যোৱা।—সেইটো চেনিধৰ বায়নৰ মাত।

: জাতিৰ মাজত সমনীতিৰ প্ৰচেষ্টা সেই ১৪৬৮ খৃষ্টাব্দৰপৰা নিৰবিচ্ছিন্নভাৱে চলি আছিল। শংকৰদেৱে ধৰ্মৰ নামত বিভেদ গুচাইছিল। জয়হৰি আতৈ—এজন মুছলমান, গোবিন্দ আতৈ আছিল—এজন গাৰো, জোলাই আতৈ আছিল—মিকিৰ, চৰাই আতৈ কছাৰী, দুৰ্গানন্দ

আঠৈত আছিল—কৈবৰ্তৰপৰা, তোটাৰ কালৰ বাঢ়োৰৰ, নগাচাওৰ নৰোত্তম।…শংকৰ গুৰুৱে এই আটাই কেইজনকে একেলগে বহুৱাইছিল। নিজৰ সাম্প্ৰদায়িক ভাৱ-চিন্তা পৰিহাৰ কৰি…কেউজন একেলগে বহি পোহৰ বিচাৰিছিল।…পিছে আজিৰ সমাজত এই কেইজন একেলগে বহা দূৰৰ কথা একে খেলৰে তিনিজন একেলগে বহিব নোৱাৰা হ'ল। শংকৰ প্ৰচাৰিত 'এক শৰণ নাম ধৰ্মই' আজিৰ সমাজত সম্প্ৰীতি বৃদ্ধি কৰিবলৈ অসমৰ্থ হৈছে।…গুৰুজনৰ 'এক শৰণ নাম'ক আমি তৰ্কৰ বিষয় হিচাপে নলৈ বৃহৎ শংকৰী সাংস্কৃতিৰ এটি অংশ বুলি ল'ব লাগে…

…আজিৰপৰা আমি এই মহা মন্দিৰত বহি এই সংকল্পকে লওঁ…।

সৰ্বানন্দ বহিল। নামঘৰত গুণ্-গুণনি এটা উঠিছিল যদিও মুখ ফুটাই কোনেও একো নামতিলে।

সুযোগতে মনোৰামে নামঘৰটো নতুনাই আহল-বহলকৈ সজাৰ কথা উলিয়ালে।

বাইজ সিদ্ধান্তলৈ আহিল। নামঘৰৰ বাবে গাঁৱৰ সকলোৱেই চান্দা দিব। কেইজন মানে খেৰ-বাঁহখিনি দিব বুলিও গাত ললে। ছুদিনৰ পিছৰপৰাই কাম আৰম্ভ হ'ব। প্ৰতিঘৰৰপৰা একোজনকৈ আহি অংশ গ্ৰহণ কৰিবহি। এমাহৰ ভিতৰতে ৰূপহী আলিৰ নামঘৰটো বাইজে সজাই-পৰাই উলিয়াব।

ক্ষন্তেকৰ বাবে সুন্দৰ চলিহা বাইজৰ সম্মুখত থিয় হ'ল।

সৰ্বানন্দই সুন্দৰক চিনাকি কৰি দিলে।

উত্তৰত সুন্দৰে জনালে—

: বাইজ, সুধীজনে কৈছে—শংকৰী ধৰ্মৰ পালনীয় নীতিৰ পৰিবৰ্তন সাধনৰ যোগেদি আমি পৰস্পৰে পৰস্পৰক সামৰি লোৱাৰ ব্যৱস্থা কৰিব লাগে। শংকৰী ধৰ্মৰ মূল দাৰ্শনিক কেন্দ্ৰ কৰি, এক নৈতিক আদৰ্শ চকুৰ আগত ৰাখি যুগ চেতনা আৰু যুগ প্ৰভাৱৰ লগত ধৰ্মৰ পালনীয় অঙ্গসমূহৰ সংস্কাৰ সাধন কৰি ললেহে যথাৰ্থতে

শংকৰী ধৰ্মৰ সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰা হ'ব। অথচ আজিৰ শংকৰ ভক্তসকলে, বৈষ্ণৱ-প্ৰাণ সকলে দাঁত তলা উফৰিবৰে নিজৰ ভৈকুণ্ঠ আৰু পনীয়া নীতিক চাকি বাৰি এনে প্ৰয়োজনীয় কথাবোৰক উপেক্ষা কৰি থোৱা দেখা যায়। আমাৰ বাবে এয়া বৰ দুৰ্ভাগ্যৰ কথা।
...আশা কৰো ৰূপহী আলিৰ বাইজে মন পৰিবৰ্তন কৰিব...

সুন্দৰ ব'ল।

ঘপহ কৰে চেনিধৰ বায়ন থিয় হ'ল—

: বাইজ, এইবোৰ কথাহে আচল কথা। আমি গুৰিত নধৰি আগত ধৰিছোঁ। আজিৰপৰা আমি সকলো এৰি একেলগে বহি থাওঁ...

দামোদৰ দত্তই মাত দিলে : দেখা যাওক কি হয়। ইয়ালৈ আহি আজি লাজহে পাব লগা হ'ল। তথাপি আগতে নামঘৰটো হৈ লওক।

বাইজৰ মনটো কোমলা যেন পাই সৰ্বানন্দই সংস্কৃতি সম্পৰ্কে, বৰ্তমান যুগত শংকৰী সংস্কৃতিৰ বিপৰ্য্যয় সম্পৰ্কে ৰূপহীৰ বাইজক কিছু বুজাই দিলে। পিছত 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ৰ কথা উল্লেখ হ'ল। 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ৰ উদ্দেশ্যৰ কথা জানিব পাৰি ৰূপহীৰ একাংশ বাইজে বৰ ভাল পালে আৰু সোনকালে ক্ষেত্ৰৰ কাম আৰম্ভ কৰিবলৈ সিহঁতক উৎসাহ দিলে।

এই প্ৰসংগটো ৰূপায়ণ দেখি, দামোদৰ দত্ত আদি কেইজন-মানেহে সমূলি সমৰ্থন কৰা যেন নালাগিল। তেওঁলোকে নামঘৰত নাম-কীৰ্তনৰ বাদে কোনো ধৰণৰ 'চমৎকৃতি' কৰিবলৈ নিদিয়ে। তেওঁলোকৰ মতে সংস্কৃতি কৰা মানেই ব্যভিচাৰ কৰা...

সৰ্বানন্দই এতিয়া এওঁলোকক কি বুলি বুজনি দিব? সহজ সৰল এইবোৰ মানুহক স্বাৰ্থপৰ এদল তথা কথিত পণ্ডিতে হয়তো বুজাই দিছে 'নামেসে সাৰ'। নাম গাবলৈ পিকোৱাৰ বাহিৰে যেন শংকৰদেৱে আমাক একো দি যোৱা নাই। হয়তো ঐতিহ্য পাণ্ডিত্যভিমানীয়ে আজিও বুজিবলৈ বহু কথা নাই—কলা প্ৰকৃততে

কি বস্তু।   কীৰ্তন-ভাগৱতৰ পদসমূহ 'নাম-কীৰ্তন'ৰ অনুষ্ঠানত গালে যেনেকৈ আত্ম-শুদ্ধি হয়, মুক্তি পোৱা যায়, তেনেকৈ ৰবীন্দ্ৰৰ ৰাগ-মানৱ লগত হৃদয় সংযোগ কৰিলেও যে আত্ম-শুদ্ধি হয় এইকথা বুজিও নোবুজে কিয়?   কিয়??...

দামোদৰ দত্ত আৰু দলটোৰ লগত ভবিষ্যতে বুজা-বুজিলৈ অহাৰ আশাৰে সেইদিনালৈ সৰ্বানন্দইঁতে আলোচনাৰ সামৰণি মাৰিলে।***

## তিনি ॥

বহুত দিনৰ মূৰত কণকা বাইক লগ পোৱাৰ আশাতে সৰ্বানন্দ নগৰলৈ গৈছিল।

কণকা বাইক নাপাই তাৰ মনটো সেমেকি পৰিল। কোনো আকৰ্ষণ নাছিল যদিও নিতান্তই সৌজন্যতাৰ বাবে মামাকৰ ঘৰতো এপাক সোমাই আহিল। সিহঁত তেনেকৈ গুচি অহা বাবে মামীয়েকৰ মনত বৰ দুখ। দুখ পাতলাবৰ বাবে এসপ্তাহমান থকাকৈ জ্যোতিমালাক পঠায় দিবলৈ কৈছে।

…সেমেকা মনেৰে সৰ্বানন্দ গড়মূৰীয়া কাকতিৰ ঘৰত সোমাল। কাকতি সাংস্কৃতিক জ্ঞান থকা লোক। তেখেতৰপৰা 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ৰ বাবে ভালেখিনি বহুমূলীয়া পৰামৰ্শ পোৱা যাব।

কাকতিয়ে সৰ্বানন্দক আদৰ-সাদৰ কৰি বহুৱালে।

পিছত গাঁৱৰ খবৰ-বাতৰি ললে। গাঁৱত সংস্কৃতিক কাম-কাজ কৰি কেনে পাইছে সুধিলে।

সৰ্বানন্দই সবিশেষ কৈ গ'ল। কৈ গ'ল...প্ৰথম দিনা কণাইৰ বাইজৰ মাজত হোৱা তৰ্কাতৰ্কিৰ কথা।

কাকতিয়ে পৰামৰ্শৰ চলেৰে জনালে—

…বহুক্ষেত্ৰতে গাঁওবাসী কু-সংস্কাৰত অন্ধ হৈ আছে। আমি তেওঁলোকৰ মাজৰপৰা সেই অন্ধতা দূৰ কৰিব লাগিব।…ধৰ্মৰ নামত গাঁৱৰ মাজত অধৰ্ম চলি আছে।…ৰক্ষণশীল গাঁওবাসীৰ মাজত শংকৰদেৱে প্ৰচাৰিত এক শৰণ নাম-ধৰ্ম বিকৃত হৈ পৰিছে।…আমি পৰিবৰ্তনৰ মাজেদি সকলোকে সংস্কাৰ মুক্ত কৰি ল'ব লাগিব।…আমি গাঁওবাসীক প্ৰকৃত ধৰ্মজ্ঞান দিব লাগিব…আমি বুজাই দিব লাগিব—ধৰ্মৰ দোহাই দি বহুতেই স্ব-ইচ্ছাৰে কিছুমান [illegible] কথা [illegible] কৰি আমাৰ মাজত ধৰ্মৰ বিকৃত ব্যাখ্যা কৰিছে। হিন্দু ধৰ্মক [illegible]

থাকিলেও···শংকৰ প্ৰচাৰিত ধৰ্মত অলপো গোঁড়ামী নাই, সেই কথা আমি পণ্ডিত অ-পণ্ডিত সকলোৱেই বুজা উচিত···

···আজিকালি কিছুমান অনুষ্ঠানে, কিছুমান প্ৰচাৰকে অতিপাত নাম-ধৰ্মৰ কথা কৈ, শংকৰ গুৰুৰ আন সকলো মহৎ অৱদানকে অস্বীকাৰ কৰিবলৈ বিচাৰে।···এইসকলে পিছে শংকৰী সংস্কৃতিৰ প্ৰতি ঘোৰ অন্যায় কৰিছে।

···কৃষ্ণ সংস্কৃতি প্ৰচাৰৰ বাবে কলাকাৰ শংকৰদেৱে ভাওনা কৰিলে। ভাওনাৰ আগে আগে গায়ন-বায়ন। গায়ন-বায়ন উঠি 'ধেই' বুলি খোলত চাপৰ দিয়াৰ আগতেই জানো দৰ্শকক সাৱধান কৰি নিদিয়ে? —যেষাং শ্ৰীমদ্ যশোদা সুত পদ কমলে নাস্তি ভক্তিনৰাণাম্···শ্ৰীমন্ত যশোদা সুত শ্ৰীকৃষ্ণত যাৰ ভক্তি নাই···যেষাং শ্ৰীকৃষ্ণ লীলা ললিত নিশমনে সাদৰৌ নৈৱ কৰ্ণৌ···তেওঁৰ লীলা কীৰ্তনত শ্ৰদ্ধাৰে কাণ নাপাতে···ধিক্ তান ধিক্ তান ধিগেতান কথয়তি মৃদঙ্গ বাজত··· মৃদঙ্গৰ বোলে তেওঁলোকৰ জীৱনকে ধিক্কাৰ দিছে···তেনেহলে ধৰ্মৰ উচ্চ-বাচ্য কৰা সকলে এইখিনিক আওকাণ কৰিবলৈ বিচাৰে কিয়?···

···ৰূপহীৰ 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ই সকলোকে বুজাই দিয়ক··· সংস্কৃতি সাধনাইহে মানৱৰ প্ৰকৃত পালনীয় ধৰ্ম সংস্কৃতিৰ সম্যক বিকাশ ঘটিলেহে সমাজ সু-শৃংখল হ'ব।···

কাকতিৰপৰা নানা ধৰণৰ কাৰ্য্যকৰী উপদেশ লৈ সৰ্বানন্দ ঘূৰি আহিল।

আহি আহি সি যেতিয়া ৰূপহী আলি গাঁৱৰ তিনিআলি পালেহি তেতিয়া গাৰ নোম নেদেখা সময় হৈছে। সেইখিনিতে তাক শিঙৰা ভকতে পালে।

: সবাই নেকি?

: এনা ময়াইদেউ।

: ক'ৰপৰা আহিলিনো?

: নগাঁৱৰপৰা।

শিঙৰা ভকত সৰ্বানন্দৰ একেবাৰে কাষ চাপি আহিল: কথা এটা কওঁ সবাই···

: কওক ?

: ...নায়ঘৰটো হ'ল বাক হওক। পিছে বাদ বাকী 'কেত্ৰ-তেত্ৰ এইবোৰত 'তই নলগাই 'তাল'। গাঁৱৰ মানুহবোৰৰ মতলব দোচোৰা। চেনিধৰ বায়নক তই কি বুজিবি·· বায়নে তেওঁৰ ঘৰৰ স্ত্ৰী-জনীক তোৰ টেটুত ওলমাব খুজিছে।...সেইজনী আনি তোৰ কি হ'ব ?...

শিঙৰা ভকত ব'ল। সৰ্বানন্দই আন্ধাৰতে ভকতৰ মুখখন এবাৰ চাই ল'বলৈ যত্ন কৰিলে।

ভকত সৰ্বানন্দৰ আৰু অলপ ওচৰলৈ আহিল : আৰু এটা কথা অ' সবাই··

: কওক।

: মই ফালি-চিৰি নকলেও হ'ব ! ঘৰ পাই তই দেখিবিগৈয়ে।... তোৰ ঘৰলৈ আজি যিবোৰ আলহী আহিছে...সেইবোৰক মানে... তোৰ ভাল হ'ব ভাবিহে কৈছো...তোৰ ঘৰত আলহী হিচাপে নৰখাই ভাল। · অজাতি মানুহক ঘৰৰ ভিতৰত...গাঁৱৰ মানুহে দেখিলে বৰ বেয়া বুলিব...মই আহিলোঁ হে ··

সৰ্বানন্দৰ কোনো কথালৈ কাণ নিদি শিঙৰা ভকত আন্ধাৰৰ লগত মিলি প'ল।

সৰ্বানন্দই ঘৰৰ ফালে খৰকৈ খোজ আগবঢ়াই দিলে।

...তাৰ কিবা খেলি-মেলি লাগিল। শিঙৰা ভকতে যেন গোটেই-খন খেলি-মেলি লগাই দিলেহি।...অজাতি মানুহক...ঘৰৰ ভিতৰত... কোন অজাতি মানুহনো আলহী ৰূপে তাৰ ভিতৰত সোমালহি... কোননো বাক হ'ব পাৰে ?...তইঁতৰ ভিতৰত বহি চাহ-তামোল খাই গৈছো বুলি গাঁৱৰ মানুহক নকবি···মই অজাতি মানুহ...মই অজাতি মানুহ...সৰ্বানন্দৰ চেবেৰকৈ কণকা বাইৰ কথাষাৰ মনত পৰি গ'ল। তেনেহলে কণকা বায়েই আজি তাৰ ঘৰত আলহী ?

...কণকা বাই অজাতি হ'ল, কণকা বাই মোৰ ঘৰত আলহী থাকিবলৈ আহিল—তাত শিঙৰা ভকতৰ হানি কি ? শিঙৰা ভকতে

কণকা বাইৰ সম্পৰ্কে…তেনে মন্তব্য দিলেই বা কিয় ? বাইৰ লগত ভকতৰ সম্পৰ্ক স্থাপন হ'ল কোনখিনিত…

প্ৰকৃততে আজি যদি কণকা বাই তাৰ ঘৰত আলহী হয়, হওক তেওঁ অজাতি, তেওঁক সি ৰাখিবই ··তেওঁ আজি তাৰ ঘৰত আলহী হ'বই। সকৰেপৰা কণকা বায়ে সিহঁতক মৰম কৰি আহিছে।… সিহঁতে সেই মৰম, সেই আদৰ কেতিয়াও পাহৰিব নোৱাৰে।…

সৰ্বানন্দ আগবাঢ়িল।

নাৰায়ণ। কাহে ভকতি কৰো তেৰা…

গাঁওখনৰ সিমূৰে কোনোবা এজনে সেয়া বৰগীত ভানিছে। শিল্পী শংকৰৰ অতুলনীয় অৱদান এই বৰগীতখিনি প্ৰকৃততে Superior to other songs. বৰগীতৰ ৰাগ কিমান যে মধুৰ, কিমান যে গম্ভীৰ! সেয়া সেই কণ্ঠটি, উপযুক্ত সাধনাৰেই গোৱা হৈছে। কণ্ঠ সাধন কৰিবলৈ মন থাকিলে আমি সামবেদৰ ব্যাখ্যাৰ ওচৰ চপা উচিত। এই প্ৰসংগত কৃষ্ণস্বামী শোৰিনে কৈছে যে পুৰা পৰিবেশন কৰা কণ্ঠ বাঘে গুজৰাৰ দৰে হৃদয়ৰপৰা উচ্চাৰণ হ'ব লাগে। তুপৰীয়াৰ স্বৰ ডিভিৰপৰা···তাৰ পিছৰ স্বৰ মূৰ্দ্ধাৰপৰা উচ্চাৰিত হ'ব লাগে। শুদ্ধ ৰূপে ৰাগ আলাপৰ পিছত তাৰ পাদত সংগীত আৰম্ভ হয়। সংগীত ৰত্নাকৰত পোৱা যায় যে ৰাগ আলাপ কৰোতে গ্ৰহ-অংশ-যন্ত্ৰ-ভাব-স্থাস-অল্পৰ-বহুৰ-ষাড়ৱ-ঊড়ৱ—এই সকলৰ অভিব্যক্তি থাকিব লাগে…

নিজৰ পছুলি পাই সৰ্বানন্দ নিশ্চিত হ'ল যে দূৰৰপৰা শুনি অহা সেই কণ্ঠস্বৰ আন কাৰো নহয়, সেই কণ্ঠ সুন্দৰৰ—সুন্দৰ চলিহাৰ।

সৰ্বানন্দ চোতাল পোৱাৰ লগে লগে বৰগীত গোৱা শেষ হ'ল।

লগে লগে 'বৰ ভাল হৈছে' এই শব্দ কেইটা ওপৰা-ওপৰিকৈ কেইবাটাও নাৰী-কণ্ঠত ধ্বনিত হ'ল।

পিতৰা ভকতৰ কথাবাৰ আকৌ সৰ্বানন্দৰ কাণত বাজিল, অজাতি

মানুহক ঘৰৰ ভিতৰত, ক'তো এই কেইটা কণ্ঠৰ এটাওচোন কণকা বাহিৰ নহয়।

সৰ্বানন্দই লাহেকৈ মাত দিলে : মালা—

: অ', ককাইদেউ পালেহি।—হুৱাবধন মেলি মালাই লেম্পটো আগবঢ়াই দিলে,—ককাইদেউ তোমাৰ বাবে বৈ বৈ আমাৰ আজি আমনি লাগি গৈছে।...তোমাক বিচাৰি আলহী আহি আবেলিৰপৰা বৈ আছে। অৱশেষত বোলোঁ৷ ৰাগ-তালৰ মজলিচকে পতা যাওক।

: ব্যৱস্থাটো বেয়া নহ'ল।

কথাযাৰ কৈ সৰ্বানন্দ ভিতৰ সোমাল।

: দাদা পালেহি।—সুন্দৰে কলে।

: হয়।—সৰ্বানন্দই উত্তৰ দিলে।

সুন্দৰক উত্তৰটো দিয়ে সি 'আলহী'ৰ কালে চালে। যৌৱন উপচা ছুজনী ষোড়শী গাভৰু। সৰ্বানন্দৰ সম্পূৰ্ণ অচিনাকি। অথচ তাৰ বাবেই আবেলিৰপৰা বৈ আছেহি। এই ছুজনী ষোড়শীৰ বাবেই শিওৰা ভকতৰ অতবোৰ যুৰৰ কামোৰণি...

: আলহী বা ক'ৰ, চিনি নাপালোঁ।—সৰ্বানন্দই সুন্দৰৰ ওচৰৰ চকীখনত ভাগৰুৱা গাটো পেলাই দি কলে।

এগৰাকী ষোড়শীয়ে কিবা এটা কৰলৈ বুলি মুখ মেলিব খোজিছিল, তেনেতে জ্যোতিমালাই মুখ পাতি ধৰি কলে : আলহীৰ লগত পৰিচয় পৰ্ব পিছতো হ'ব। আগতে তুমি হাত-মুখ ধুই চাহ খাবৰ বাবে ভিতৰলৈ আহা।

সৰ্বানন্দই ভাগৰৰ হুমুনিয়াহ এটা পেলাই মাজতে কলে : মই চাহচোক গিলি লওঁ তেনেহলে...

ষোড়শী ছুগৰাকীয়ে এইবাৰ মাত দিলে : নিশ্চয়, আপুনি বৰ ভাগৰত আছিহে।

সৰ্বানন্দই অলপকৈ হাঁহিলে।

চাহৰ পৰ্ব সামৰণি পৰাৰ পিছত সৰ্বানন্দৰ লগত আলহীক সুন্দৰে চিনাকি কৰি দিলে—

: দাদা এওঁলোক চৈয়দবাবীৰ ছোৱালী। জেবিণা আৰু উবেদা। জেবিণাই এইবাৰ কলেজ শেষ কৰি আমাৰ দৰে নগৰবপদ্মা পৃষ্ঠ ভংগ দি গাঁও পাইছেহি। আগবেপৰা গান গোৱা আৰু নচাত বাপ। আমাক সুন্দৰকৈ বৰগীত এটা গাই শুনালে।। এতিয়া উন্নত ধৰণেৰে শংকৰী নৃত্য-গীত শিকিবৰ বাবে আমাৰ সহায় বিচাৰি আহিছে...

সৰ্বানন্দই জেবিণাৰ চকুলৈ চালে। তাই চকু নমাই নিলে।

...শিওবা ভকতৰ গাত দোষ কি? এই কেইজনী প্ৰকৃততে অজাতিৰ ছোৱালী। তেওঁকনো বাক মই বুজাই নিদিলোঁ। কিয় সংস্কৃতিয়ে জাতি-অজাতি নিবিচাৰে। সংস্কৃতিয়ে মানুহ বিচাৰে ...সংস্কৃতিয়ে শিল্পী বিচাৰে। সৰ্বানন্দই কোমলকৈ হাঁহি কলে: জেবিণা মোৰ ফালে চোৱাচোন ·

জেবিণা ভমক কৰে ৰঙা পৰি গ'ল। তাই ৰঙা পৰা দেখি সৰ্বানন্দৰ বৰ ভাল লাগিল। সি আকৌ কলে—

: আগতে নাচ শিকিছিলা?

জেবিণাৰ নাকেদি গৰম বতাহ ওলাল। ওপৰলৈ আহিব ধৰা মূৰটো আকৌ আৰু অলপ তললৈ বহি গ'ল। সেপ গোটাচেৰেক ঢোকি, শুকাই যোৱা ওঁঠ দুটা জিভাখনেৰে তিয়াই লৈ তাই কলে—হয় শিকিছিলোঁ।

: কি নাচ?

: সত্ৰীয়া।

: সত্ৰীয়া...চৈয়দবাবীৰ ছোৱালীয়ে সত্ৰীয়া শিকিলে?

জেবিণা-উবেদাৰ তলমূৰ কৰাৰ পাল আৰু জ্যোতি-সুন্দৰৰ হাঁ-কৈ সৰ্বানন্দৰ ফালে চোৱাৰ পাল।

কিছু সময় নিবৱতাৰ পিছত গম্ভীৰ কণ্ঠেৰে সৰ্বানন্দই কলে—চৈয়দবাবীয়ে নিজৰ কৰ্তব্য কৰিছে। কৰ্তব্য জ্ঞান পাহৰি পেলোৱা আমি...আমি মহা বৈষ্ণৱবোৱে। জেবিণাক আমাৰ ওচৰলৈ পঠাই সেই মুছলমান প্ৰধান চৈয়দবাবীয়ে আমাক কৰ্তব্য জ্ঞান সোঁৱৰাই

দিছে। জেবিণা, তোমাক...তোমাৰ চৈয়দবাবীক বক্তব্যৰ। কোৱাচোন, কত শিকিছিলা।

: মাজুলীত।

: আৰ্চৰ্য্য! আ...তা...ম...না...না...চিনি পোৱা? তাৰ অৰ্থ কি?

: পাওঁ। তাৰ অৰ্থ—আত্মাৰ বিনাশ নাই।

: সত্ৰীয়া নৃত্য বুলিলে কি বুজা?

: সত্ৰীয়া নৃত্য বুলিলে গুৰু জনাই সত্ৰৰ মাধ্যমেৰে প্ৰচাৰ কৰা নৃত্যখিনিকে বুজোঁ। আমাৰ এই সত্ৰীয়া নৃত্য অভিনয়, তাল, তাল আৰু লয়ৰ আধাৰতেই আধাৰিত...আৰু সম্পূৰ্ণ শাস্ত্ৰ সম্মত তাৰেই আধাৰিত।

সৰ্বানন্দক আগতকৈ ভালেখিনি গম্ভীৰ হোৱা দেখা গ'ল।

সি সুন্দৰৰ কালে চালে: সুন্দৰ—

: কওক।

: আমি জেবিণাৰ ওচৰলৈ যাব লাগিছিল, পিছে আমি যোৱাৰ আগতে, জেবিণা নিজেই আমাৰ ওচৰলৈ আহিছে। জেবিণা প্ৰকৃততে প্ৰতিভাসম্পন্ন শিল্পী। আজিৰপৰা তেওঁ আমাৰ দল-ভুক্ত হ'ল। তেওঁৰ আদৰ্শ সঁচাকৈয়ে মোৰ ভাল লাগিছে। এজনী ইছলাম ছোৱালীৰ এই আগ্ৰহ সঁচাকৈয়ে চমৎকাৰ!

: নিশ্চয়, জেবিণা আমাৰ গৌৰৱৰ স্থল।

জেবিণাই এবাৰ সুন্দৰলৈ, এবাৰ জ্যোতিমালালৈ, এবাৰ সৰ্বানন্দলৈ চালে। তাই মনলৈ কিছু সাহস আহিল। সেই সাহসতে তাই কলে: সৰু কালৰেপৰাই মাজুলীৰ এগৰাকী সত্ৰীয়া বায়নৰ ওচৰত মই নাচ শিকিছিলোঁ। তেখেতে কিন্তু মোক হিন্দু ছোৱালী বুলিহে জানিছিল। তেতিয়া মোৰ নাম আছিল জোনালী। ইছলাম ছোৱালীৰ সত্ৰত প্ৰবেশ নিষেধ বুলিয়েই এই ব্যৱস্থা কৰা হয়।

সৰ্বানন্দই চকীখনত লোনহৈ বহি কলে—

: ব্যৱস্থা আৰু কি কৰিব! কাঁকি দি হলেও ইছলাম ছোৱালী

এজনীয়ে সত্ৰীয়া নাচ শিকোতে বায়নৰ বৈৰুৱী খোলত বোল নবজাকৈ থকা নাছিল। সেই একেটা খোলতে, একেখিনি বোলকে এৰিয়াও নবজাকৈ নাথাকে নিশ্চয়। তুমি ইয়ালৈ সদায় আহিবা। চৈয়দবাবীৰ মুছলমান ছোৱালী এজনীয়ে হিন্দুৰ ঘৰলৈ আহি সত্ৰীয়া নাচ শিকিবহি। জাতীয় সংস্কৃতিৰ সেৱাত ব্ৰতী হ'বহি—এই কথাত হয়তো চৈয়দবাবীৰ ৰক্ষণশীল কোনোবা কোনোবা—ৰূপহী আলিৰ ৰক্ষণশীল কোনোবা কোনোবা ক্ষুণ্ণহৈ উঠিব। কিন্তু উঠক। হয়তো কোনোবাই কোনোবাই আমাক নিন্দা কৰিব। কৰক। বেয়া ল'ৰা, বেয়া ছোৱালী বুলি ক'ব। কওক। কিন্তু ৰূপহী আলিৰ চেনিধৰ বায়নৰ দৰে মানুহবোৰে, চৈয়দবাবীৰ জমিৰ আলিৰ .দৰে মহানুভৱ সকলে নিশ্চয় আমাক সমৰ্থন নকৰাকৈ নাথাকে। আমি নিশ্চয় অকলশৰীয়া নহ'ম।

: মই চৈয়দবাবীৰ সেই জমিৰ আলিৰে ছোৱালী। —মাত্ৰত আগতকৈও সাহস সানি জেৰিণাই কলে।

: তুমি···তুমি···জমিৰ পেহাৰ ছোৱালী, সৰ্বানন্দই যেন আনন্দত উত্ৰাৱল হৈ পৰিল,—তুমি যদি জমিৰ পেহাৰ ছোৱালী তেন্তে ইমান সময় কোৱা নাই কিয়?

: মই সৰুবেপৰা মাজুলীত আছিলোঁ। তাত আমাৰ সম্বন্ধীয় মানুহ এজন আছিল। তেখেতেই মোৰ পঢ়া-শুনাৰ···নৃত্য-গীতৰ তদাৰক কৰিছিল। সৰুবেপৰা মই মাজুলীত···সত্ৰীয়া বা-বতাহৰ মাজত ডাঙৰ ·হৈছোঁ। সেয়ে নেকি এনেকৈ সকলোৰে অপৰাধী হ'ব লগা হ'ল।

: তুমি জমিৰ পেহাৰ ছোৱালী। বচ্, তোমাৰ সকলো অপৰাধ বিনা তৰ্কে ক্ষমা কৰিব পাৰি। তোমাৰ বাবাজানক তুমি হয়তো নাজানা কিন্তু মই জানো। জমিৰ পেহা দেউতাৰ পৰম বন্ধু আছিল। তেখেতে এদিন আমাৰ ঘৰলৈ অবাধে আহ-যাহ্ কৰিছিল। দেউতাৰ লগত একেলগে নাচিছিল, গাইছিল, বজাইছিল। লোককো জুৰাই-ছিল, গোৱাইছিল, বজোৱাইছিল।

...জমিৰ পেহা মোৰ গুৰু। আচৰিত নহবা—প্ৰথম খোলত বোল দিবলৈ মোক জমিৰ পেহাই শিকাইছিল। এদিন জমিৰ পেহাৰ দৰে খোল বাব জনা লোক কপহীয়েই বুবোলা বা চৈয়দবাৰীয়েই বোলা ক'তো নাছিল। সেইজন জমিৰ পেহাক নচা দেখিয়েই এদিন মই নাচিবলৈ শিকিছিলোঁ। চৈয়দবাৰীৰ মুছলমান জমিৰ পেহাই যেতিয়া সূত্ৰধাৰী নাচ নাচে—সেই নাচৰ লয়-ছন্দত সকলো জয় পৰিছিল। জমিৰ পেহাৰ উদগনিৰ বাবেই মই নৃত্য-গীত সাধনাক জীৱনৰ সঙ্গী হিচাপে লৈছিলোঁ। তুমি জমিৰ পেহাৰ ছোৱালী; তোমাৰ এই প্ৰতিভা বংশগত, তুমি পাৰিবা।

সময়ত কথা-বতৰা সামৰি, জেৰিণা আৰু উবেদাক চৈয়দবাৰীত থৈ আহিবৰ বাবে সৰ্বানন্দ ওলাই গ'ল। কপহীবপৰা চৈয়দবাৰীলৈ পথকৰা পোন বাটবে গলে চাৰিখনমান ডাঙোল খোৱা সময়ৰ বাটহে। আন্ধাৰ নিশা হলেও এইখিনি পথ সহজেই অতিক্ৰম কৰিব পৰা বিধৰ।

* * *

আগলি চ'ৰাতে বহিবলৈ দি জেৰিণাই বাপেকক মাত দিলে—

: বাবাজান বাবাজান, চোৱাছিচোন কোন আহিছে।

জমিৰ পেহাৰ তেতিয়া কফ উঠিছিল। কফখিনি বাহিৰ কৰি তেওঁ কলে : কোন আহিছেনো? পৌহোঁ বাক ৰ। তই সোধ-পোচ কৰাৰ যোগাৰ কৰ।

থৰক-বৰক খোজেৰে জমিৰ পেহা ভিতৰৰপৰা লাখুটিডালত ভৰ দি দি ওলাই আহিল। তেওঁ সন্ধানী দৃষ্টিৰে সৰ্বানন্দলৈ চালে : লেম্পৰ পোহৰ। বুঢ়া কালৰ চকু, ধৰিবই পৰা নাই। কোন নো?

সৰ্বানন্দ আগবাঢ়ি গৈ জমিৰ পেহাৰ ভৰি চুই সেৱা কৰি কলে : মইহে।—মই কপহীৰ সৰ্বানন্দ।

জমিৰ পেহাৰ সোঁ হাতখন সৰ্বানন্দৰ মূৰলৈ আহিল।

: আহি ভালেই কৰিলি বোপাই। আজি বহুত দিন তোক দেখা নাই। তোৰ কথা মোৰ প্ৰায়ে মনত পৰি থাকে। নগৰৰপৰা গুচি আহিলি বোলে?

: এবা! গাৱলৈ অহা আজি তিনি-চাবিমাহ মানেই হ'ল। ঘৰ-দুৱাৰবোৰ সজাওঁতেই ইমান দিন গ'ল। এই কেইদিন তোমাৰ পৰা পোৱা জ্ঞানেৰে কিবা-কিবি কৰাৰ আশা কৰি ৰূপহীৰ নামঘৰটোকে সজাই-পৰাই তুলিবলৈ লাগি আছোঁ।

: সজ হৈছে। তাতে আৰু কিবা-কিবি কৰিবলৈ লৈছ বুলি শুনিছিলোঁ।

: কথাটো মিছা নহয়। ৰূপহীৰ নামঘৰকে কেন্দ্ৰ কৰি 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ' নাম দি অনুষ্ঠান এটা পাতিবলৈ লৈছোঁ। তাৰ মাধ্যমে-দিয়েই আমাৰ এই অঞ্চলৰ ল'ৰা-ছোৱালীবিলাকক শুদ্ধ ৰূপত শংকৰী-সংস্কৃতিৰ শিক্ষা দিম। তেওঁলোককে লৈ দেশ-বিদেশত সেইখিনি প্ৰচাৰ কৰিম। তোমালোকে আমাক আশীৰ্বাদ কৰিবা।

: আল্লা তোৰ সহায় হওক। মই কি আশীৰ্বাদ দিম। মনত বল বান্ধি ল। আৰু কাম কৰি যা। তোৰ সংকল্পৰ কথা শুনি মই বৰ ভাল পাইছোঁ। তোক লৈ আজি মই গৌৰৱ কৰিছোঁ। তোক সৃষ্টি কৰিব পৰা বাবে মোৰ আজি জীৱনেই সাৰ্থক হোৱা যেন লাগিছে। —শংকৰ গুৰুক ন-কৈ চোৱাৰ সময় আহিল। তেওঁ আমাক যি দি গ'ল—সেই কথা কৈ শেষ কৰিব নোৱাৰি। কথা কোৱাতকৈ কামহে কৰ । কথা কোৱা মানুহ চেৰ, কামৰ মানুহহে নাই। শংকৰদেৱক সজাই-পৰাই বাহিৰলৈ লৈ যাব লাগে। তেওঁৰ মহান অৱদানখিনি আনৰ চকুৰ আগত দাঙি ধৰিব লাগে। দেশ-বিদেশে শংকৰক জানক—অসমক জানক। এই বিষয়ত মই বহুখিনি আগবাঢ়িও একো কৰিব নোৱাৰিলো। নোৱাৰিলোঁ ৰক্ষণশীল সমাজখনৰ বাবে। মই ইছলামৰ ঘৰত উপজিলোঁ, মই অবৈষ্ণৱ হলোঁ সেইটোৱেই মোৰ দোষ।—পিছে শংকৰৰ মই প্ৰিয় শিষ্য। শংকৰ মোৰ শ্ৰদ্ধাৰ গুৰু।

—মই নোৱাৰিলোঁ। তই পিছে পাৰিব লাগিব। ভাৰতীয় নৃত্য-কলা বুলিলে কথক, মণিপুৰী, ভাৰত নাট্যম, কথা কলিক বুজায়। জগতে 'ওজাপালী'কো আজি কিছু চিনাকপৰা ধৰা হৈছে।—অসমৰ সত্ৰীয়া নৃত্যইনো শাস্ত্ৰীয় মৰ্য্যাদা নাপাব কিয়? আমাৰ

নৃত্যাংশটো শাস্ত্রীয় নৃত্যৰ সকলোবিলি গুণেই বিদ্যমান। তাৰ আৰু লগত আশ্ৰিত হ্যাৰাৰ সত্ৰীয়া নৃত্যটো অংগ···প্ৰত্যংগ···আৰু উপাংগ —এই তিনি প্ৰকাৰৰ অংগভেদ্ আছে।···আমাৰ নৃত্যটো সম··· আলোকিক···সাচো···প্ৰলোকিত···নিমিলিত···ওল্লোকিত···অনুবৃত্ত··· আৰু অৱহেলিত—এই আঠ প্ৰকাৰৰ দৃষ্টিভেদ লক্ষ্য কৰা যায়।··· তেনেহলে আমাৰ সত্ৰীয়া নৃত্যই ভাৰতীয় শাস্ত্ৰীয় নৃত্য হিচাপে স্বীকৃতি নাপাব কিয়?···

···হয়তো পাব। আমি উপযুক্ত ভাৱে পৰিবেশনহে কৰিব পৰা নাই। অসমৰ নৃত্য-কলাই অকল ভাৰতত কিয়···গোটেই বিশ্বতে এদিন স্বীকৃতি পাব।···নতুন কমলাবাৰীৰ শিল্পীসকলে কেইদিন আলি আহমদ চাহাবৰ লগত ইন্দোনেচীয়ালৈ গৈ তাৰেই ইংগিত লৈ আহিছে···

···মই আশা কৰিছো···সেই সকলৰ দৰে তয়ো বিশ্বৰ মজিয়ালৈ অসমৰ নৃত্যকলাক লৈ যাবলৈ সমৰ্থ হ'বি।···তেতিয়া তোৰ বাপেৰৰ আত্মাই শান্তি পাব··

জমিৰ পেহা ফোপাই ফোপাই ব'ল।

সৰ্বানন্দই পেহাৰ মুখলৈ চালে। যুঁজি···যুঁজি···ভাগৰি পৰা এইজনেই জমিৰ আলি।···এওঁক যে কোনেও আজিলৈকে চিনি নাপালে। এৰা—এইখনেই আমাৰ দেশ···য'ত মানুহজন মৰাৰ পিছতহে তেওঁৰ প্ৰতিভাৰ জয়ঢোল কোবোৱা হয়···

ফোপনিটো মাৰ যোৱাত পেহাই আকৌ কলে—

: তই কিবা-কিবি কৰিবলৈ লৈছ বুলি শুনিয়েই তেবিলাক মই তোৰ ওচৰলৈ পঠাইছিলোঁ। তায়ো বাগ-পদ কিবা-কিবি শিকিবলৈ লৈছে। ···বাপেকৰ দৰে অধৰমী ছোৱালী···তই তাইক শিকাই-বুজাই ল··· তই আছ যেতিয়া তাইৰ বাবে মই কোনো চিন্তা নকৰো···

শান্তিত যেন জমিৰ পেহাই চকু জপাই দিলে।

• • •

সর্বানন্দ যেতিয়া চৈয়দবাবীৰপৰা ৰূপহী পালেহি তেতিয়া প্ৰায়বোৰ মানুহেই শুই নিঃপালি দিছে। মাজতে কোনোবা এজনে কীৰ্তনৰ পদ আওৰাইছে মাত্ৰ।

নিৰৱতাৰ মাজতে সৰ্বানন্দই কীৰ্তনৰ সুৰটোৰ প্ৰতি কাণ দিলে। ...এইটি সুৰ যি কোনো ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ সুৰতকৈ কোনো গুণে হীন নহয়।...প্ৰকৃততে কীৰ্তনৰ...'প্ৰথমমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন'ৰ যি সুৰ ধ্বনি সি সংগীতৰ আধাৰণে আধাৰিত।...'নাম-কীৰ্তন'ৰ অজুহাতত গোৰাৰ দৰে তেনেহলে 'সংগীত'ৰ অজুহাততো কীৰ্তনৰ সুমধুৰ পদাৱলী গাব পাৰো··

ঘৰমুৱা সৰ্বানন্দ নৱনিৰ্মিত নামঘৰৰ ওচৰৰ আঁহত গছজোপাৰপৰা আবেলি ছাটোমান ব্যৱধানত বৈ দিলে।...গছজোপাৰ গুৰিত সেইটো কিহৰ ছাঁ? আন্ধাৰতে ছাঁটোৱে এবাৰ ইফালে চোৱা যেন কৰিছে... এবাৰ সিফালে চোৱা যেন কৰিছে।

...দেও নে মনিচ্...

চাঁট কৰে সৰ্বানন্দৰ কণকা বুঢ়ালৈ মনত পৰি গ'ল।...নতুন মানুহে ইয়াত ভালকৈ ফুৰা-চকা কৰিব লাগে।...ভগা-ছিগা যদিও এইখন গাঁৱৰ নামঘৰটো বৰ জয়াল...কিন্তু আজিলৈকে সি কোনো দিনে দেও-ভূতৰ মুখা-মুখি হৈ পোৱা নাই...

আকাশৰ ক'লা ডাৱৰ ছপৰা আঁতৰি যোৱাত জোনৰ পোহৰ এছাটিয়ে ঠাইখন পোহৰাই পেলালে।

লগে লগে গছজোপাৰ গুৰিত থকা মানুহ ৰূপী কায়াটোৱে তাৰ কালে একেথৰে চাই থাকিবলৈ ধৰিলে।...

কায়াটো ভিৰোতাৰ দৰে লাগিছে। কিন্তু কোন হ'ব পাৰে...

: কোন—।—সৰ্বানন্দই অলপ টানকৈ মাতিলে।

: অ' বোপাই...সবাই অ'...মোৰ সোণ... ...

সম্পূৰ্ণ চিনাকি মাত যেন লাগিছে।...কিন্তু ইয়ান ৰাতি?...এইদৰে গছৰ তলত?!·· সৰ্বানন্দৰ জ্ঞান-শক্তিয়েই যেন হেৰাই যাব ··।! সি এযোৰ আগবাঢ়িল: তুমি...বাই নেকি?

: হয় অ' বোপাই। ভয় নকৰিবি। দেও-ভূত নহয়।—কণকা বাই গছজোপাৰ ছাঁৰপৰা পোহৰলৈ আহিল।

সৰ্বানন্দৰ মনৰপৰা সন্দেহ আঁতৰিল। সি কণকা বাইক এক প্ৰকাৰ সাৱটি ধৰাৰ দৰে ধৰিলেগৈ। কলে: তুমি···ইমান ৰাতি··· ঘৰত জ্যোতিমালাইঁতক নাপালা নেকি ?

: মই সেইখিনি পোৱাগৈছো নাই বোপাই। নব-যন্ত্ৰিকৰ ভেটা। মই আলহী থাকিবলৈ অহা বুলি ৰূপহীৰ কোনোবাই জানিলে তোৰ ঘৰ অমংগল হ'ব।··তথাপি···পথাৰে পথাৰে পলাই আহোঁতেও সাৱিব নোৱাৰিলোহে। মানুহবোৰ শুব পাই ছাগে। ব'ল···

সৰ্বানন্দই কণকা বাইৰ হাতখনত ধৰি ঘৰৰ কালে খোজ আগবঢ়াই দিলে। সি যেন ৰহস্যৰ এখন ডাথ জালৰ মাজত সোমাই পৰিছে।·· ৰূপহীৰ চকুৰ আঁৰে আঁৰে কণকাবাই তাৰ ঘৰলৈ আহিব লাগে কিয় ?···কণকা বায়ে কি এনে ডাঙৰ অপৰাধ কৰিলে যে ৰূপহীত·· দিনৰ পোহৰত···ইয়াৰ মানুহবোৰৰ চকুৰ আগত···খোজ দিয়াৰ স্বাধীনতা চিৰদিনৰ বাবে হেৰুৱাই পেলাব লগা হ'ল !

সৰ্বানন্দই জোনৰ পোহৰত কেইবা বাৰো কণকা বুঢ়ীক চাই ললে। ···কণকা বায়েই তেনেহলে শিঙৰা ভকতৰ সেই 'অজাতি মানুহ'।

সৰ্বানন্দই সোধি পেলালে: বাই, পথুলিতে তোমাক শিঙৰা ভকতে লগ পাইছিল নেকি ?

কণকা বুঢ়ীয়ে লাখুটি ডালত ভৰ দি কঁকালটো পোনাই লোৱাদি ললে। পিছত সৰ্বানন্দৰ কথাটোৰ উত্তৰ দিলে: থুই···সেই পাতকীটোৰ কথা আৰু নকবি।···মই চিকি-মিকিতে ভঠতৰ ঘৰলৈ পোনাইছিলোঁ। পিছে সি পাতকীয়ে দেখা বাবেহে এক্তেপৰলৈকে সোমাবগৈ পৰা নাই। কিজানি আৰু' মই আহিছো বুলি গোটেইখনতে বৌজাল-বৌজাল লগাই দিয়ে। সি মোক লগ পোৱা বুলি কেনেকৈ জানিলি ?

: জানিলোঁ আৰু।

সৰ্বানন্দই আৰু আগবাঢ়িবলৈ ইচ্ছা নকৰিলে।···ৰহস্যৰ জালখন এতিয়াই ফলা নাবায়। শিঙৰা ভকত আৰু কণকা বাইৰ মাজত নিশ্চয়

কিবা অপ্ৰীতিকৰ কথা আছে।…এদিন কণকা বাইৰ প্ৰকৃত পৰিচয় লবই লাগিব…এই ৰহস্য ভেদ কৰিবই লাগিব…

: নামঘৰকণ হ'লগৈ।—কণকা বায়েও যেন শিঙৰা ভকতৰ প্ৰসংগটো এৰাই যাবলৈ বিচাৰিলে।

: এৰা…কোনোমতে। ঘৰটোহে পিছে…থাপনা এতিয়াও থাপিবগৈ পৰা নাই।…আমি ইয়াতে নাচৰ স্কুল এখন খুলিবলৈ লৈছো নহয়?

: অঁ, তাতো কথাটো ওলাইছে। সিদিনা দামোদৰ আৰু মোমায়েৰক এইবোৰ কথা পতা শুনিছিলোঁ। দামোদৰ, ৰূপায়ণ—এইবোৰে তোক সমূলি ভাল পোৱা নাই। তই বোলে বৰ অধৰমী। নাম-গুৰু ভকতক নামান। আৰু তোৰ ঘৰত সুন্দৰক ৰাখি হেনো ঘৰতে…থুই নিজে যেনেকুৱা সিহঁতে আনকো ভাৱে তেনেকুৱা…

: মামাৰ আগত দামোদৰে আৰু কিবা লগাইছেগৈ নেকি?

: মামাৰক বিশেষ একো লগোৱা নাই যদিও…দামোদৰ দত্তই মামীয়েৰৰ আগত কোৱা মতে সিহঁত লগ লাগি তোক ভাঙিব খোজিছে। তই হেনো গাঁৱৰ মানুহবোৰক হাতৰ মুঠিত ৰখাৰ কাৰবাৰ কৰিছ…

: হুঁ।

কথাৰ মাজতে দুয়োগৈ ঘৰ পালেগৈ। সুন্দৰে তেতিয়াও সক সককৈ খোলত মহাৰাস নৃত্যৰ বোল বজাই আছিল…ধেধিন্না…এঠিন্না…ধেঠিন্না এঠিন্না…তানানিতা…খিতি…তা…ধেই তিত ধেই। খিৰতেদে ধেনি খিতদেদ ধেনি ঠিন্না খিতি তাক…। কেলিগোপাল অংকৰ প্ৰতিটো দৃশ্য যেন সৰ্বানন্দৰ চকুৰ আগত ভাঁহি উঠিব…

: সুন্দৰ।—সৰ্বানন্দই লাহেকৈ মাত দিলে।

: আহক।

: অ' আইজনী…ময়ো আহিছো অ'… দুৱাৰখন মেল।

জ্যোতিমালাই যেন চিঞৰি দিব: বাই—ইমান নিশা…

সৰ্বানন্দই মুখ পাতি ধৰি কলে: আন কথা বাদ দি এতিয়া আমাৰ খোৱা-লোৱাৰ যোগাৰ কৰ * * *

॥ চাৰি ॥

…পছুলিতে থিয় হৈ চেনিধৰ বায়নে ৰূপহী আলি গাঁৱৰ চাৰিও-কালে এবাৰ কাণ দিলে।

…আগৰ ৰূপহীৰ ৰূপ যেন আজি সলনি হৈছে।· ·আগৰ ৰূপহী আলি গাঁও আজি যেন নাই…

…আগৰ ৰূপহী আলি গাঁৱৰ চাৰিওফালে নিৰৱতাই বিৰাজ কৰিছিল। গাঁওখন দিনতে কিবা মৰিশালি মৰিশালি লাগিছিল।… সন্ধিয়াৰ লগে লগে কেনিও কাৰো মাত শুনা নগৈছিল…।…গছতল …বাঁহতল সকলোতে ভূত-প্ৰেতে ঘৰ পাতিছিল।…দুপৰ নিশা ৰূপহীৰ ঘাই বাটেদি মায়া বেল চলিছিল।…সেইখন ৰেলেদি হালধীয়া কাপোৰ পিন্ধা এজনাই আহ্-যাহ্ কৰিছিল।··ৰূপহী আলিৰ সকলোৱেই বিশ্বাস কৰিছিল—সেইজন দক্ষিণৰ হাবিত বাস কৰা বুঢ়াডাঙৰীয়া।… সেই সময়তে ৰূপহীত শুভ্ৰবসন পিন্ধা আন এজনাই কাৰোবাৰ কাৰোবাৰ চকুত ধৰা দিছিল।…কোনোবাই কোনোবাই তেওঁ কন্দা-কটা কৰাও শুনিছিল হেনো।…বুঢ়া সকলৰ মতে সেইজনা হেনো নামঘৰৰ জনা…। বুঢ়াডাঙৰীয়া গাঁৱলৈ অহা-যোৱা কৰিবলৈ লোৱাত তেওঁ ইয়াৰপৰা যাবলৈ লৈছে…সেই বেজাৰতে তেওঁ কেতিয়াবা কান্দে। …তেৱেঁই আজি অতদিনে গঞাক ৰাখি আছিল।…তেওঁ যাবলৈ ওলাল যেতিয়া গাঁওখনো যাব। ৰূপহী আলি উচান হ'ব…

ভয়তে ৰূপহীৰ সকলো পেপুঁৱা লাগিছিল…

সন্ধিয়াতে দুকুৰি ঘৰ মানুহৰ ৰূপহীত কাহ পৰি জীৰ্ণ গৈছিল।

…কেইদিন মানতে…

কেইদিন মানতে ৰূপহীৰ সেই ৰূপ সলনি হৈ পৰিল।

এসময়ত ভয়ত পেপুঁৱা লগা ৰূপহীৰ মানুহবোৰৰ মনৰপৰা আজি ভয় ভাৱ দূৰলৈ পলাল। আজি সকলোৰে মনত অদম্য সাহস···। আজি ৰূপহী আলি গাঁও আনন্দমুখৰ.। কথাবোৰ ভাবি চেনিধৰ বায়নৰ নিজৰে ভাল লাগি আছিল।···মনৰ আনন্দতে তেওঁ···একখনি মাত্র শাস্ত্র নিষ্ঠ···দৈৱকীনন্দনে কৈলাবাক···দেবো একমাত্র দৈৱকী দেৱীৰ সুত···ঘোষা কাঁকিকে গাই পেলালে।

···ৰূপহীৰ নামঘৰটোৱে ন-ৰূপ লোৱা বাবেই, তাতে সৰ্বানন্দইতে গুৰুজনাক স্মৰি 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'খনি আৰম্ভণ কৰা বাবেই আজি এই আনন্দমুখৰ অৱস্থা।

এৰা—এইটো নামঘৰ কৰিবৰ বাবে সৰ্বানন্দ-সুন্দৰে ৰূপায়ণ মেধি, দামোদৰ দত্তৰ দলটোৰ লগত কমকৈ তৰ্ক-বিতৰ্ক কৰিব লগা হ'লনে? মেধিইতৰ মতে নামঘৰ লাগে কেৱল নাম-কীৰ্তনৰ বাবে। ইফালে সৰ্বানন্দইতে কয়—নাম-কীৰ্তনো সংস্কৃতিৰেই এটা অংগ।···আমাক সংস্কৃতি সেৱাৰ বাবেহে নামঘৰ লাগে।···হিন্দু ধৰ্মনো সৃষ্টি হ'ল ক'ৰ-পৰা?···বৃহৎ কৃষ্ণ-সংস্কৃতিৰপৰাই নহয় জানো?···

তাৰ পিছত আৰম্ভ হ'ল সিংহাসন গঢ় দিয়া লৈ তৰ্কা-তৰ্কি।

সিংহাসন গঢ়িলে চৈয়দবাবীয়ে—মহানুভৱ জমিৰ আলিয়ে।

—কোনোবাই কোনোবাই কৈছিল, সিংহাসন গঢ়িব পৰা বৈষ্ণৱ আমাৰ মাজত নাইনে? অবৈষ্ণৱ···অভকত জমিৰক সিংহাসন গঢ়িবলৈ দিওঁ কিয়?

সেই ছেগতে সৰ্বানন্দই নামঘৰৰ ইতিহাস, থাপনা, সিংহাসন, গৰুড়াসন, গুৰুআসন সম্পৰ্কে আলোচনা আৰম্ভিলে।

গোঁসাইঘৰ, কীৰ্তনঘৰ আৰু শেষত নামঘৰ।

বৰপেটা সত্ৰত এতিয়াও কীৰ্তনঘৰ বুলি জনা যায়। নামঘৰ সজা হ'ল বৰপেটাৰ আহিত। আমাৰ ইয়াত এতিয়া নামঘৰ হ'বনে কীৰ্তনঘৰ হ'ব?···কোনো কোনোৱে নামঘৰক হৰিমন্দিৰো কয়। কিন্তু কিয়···নামঘৰ কলেওচোন হয়।···ইয়াৰ পিছত আছিল থাপনাৰ

কথা।...থাপনা দুই ধৰণৰ—ঠগা বা ঠগী আৰু সিংহাসন।...ঠগী এখনত ভাগৱত বা মহাপুৰুষীয়া পুথি এখন থৈ থাপনা থাপিব লাগে... পিছে থাপনা হিচাপে আমি চাৰিটা সিংহৰ মূৰ্তিৰ ওপৰত সিংহাসনহে থাপো...আৰু সিংহ দেখোন দুৰ্গা গোঁসানীৰ বাহন।...বৰপেটাৰ কীৰ্ত্তন ঘৰৰ থাপনাক 'গুৰু আসন' বোলে। আমি এতিয়া থাপনাক সিংহাসন বুলিমনে গুৰু আসন বুলিম? বস্তাহে সিংহাসনত বহে... গুৰুও বহিবনে...

সৰ্বানন্দৰ কথাত বাইজৰ মূৰ ঘূৰিল।

এইবোৰ তেনেই খেলিমেলি বেমেলি।...বুঢ়া দুজনমানে কলে—

: আমি ইমানবোৰ খেলিমেলিৰ আগগুৰি মাৰিব নোৱাৰোঁ...পঢ়া শুনা কৰা ল'ৰা, সেইবোৰ হয়তো তৰ্কতেহে পাৰিবি।...ওচৰৰ-পাজৰৰ আটাইবোৰে নামঘৰত সিংহাসন পাতিছে...আমিও তাকেহে উচিত বুলি ধৰি লৈছোঁ। আমাক সিংহাসনহে লাগে ..

সৰ্বানন্দই এইবাৰ কথা বাগৰালে—

: তেনেহলে সেয়ে হওক।...আমি ধৰি ললো সিংহাসনকে থপা উচিত। মহাপুৰুষীয়া প্ৰায়বোৰ কথাৰে খৰচি মাৰি নলৈ আমি 'ধৰি-লোৱা' নীতিৰে কৰোঁ। 'ধৰিলোৱা' নীতিৰ বাবেই আমাৰ গাঁওবোৰ আজি তলওপৰ হৈছে...।

...এতেকে আমি ধৰি ললোঁ। চৈয়দবাবাৰ জমিৰ পেহা অবৈষ্ণৱ নহয়...বৈষ্ণৱ। কেৱল যে হিন্দুহে বৈষ্ণৱ হ'ব পাৰে তাৰ কোনো অৰ্থ নাই। অহিন্দুও বৈষ্ণৱ হ'ব পাৰে।...তাৰ বাবে লাগে গভীৰ শ্ৰদ্ধা...গভীৰ আস্থা, গভীৰ একাগ্ৰতা। জমিৰ পেহা এই সকলো বিনিবে গৰাকী...শংকৰ গুৰুলৈ তেওঁৰ গভীৰ শ্ৰদ্ধা আছে—এই বুঢ়া বয়সতো তেওঁৰ অন্তৰৰপৰা সংস্কৃতিক সেৱা কৰা গভীৰ একাগ্ৰ তাৰ আতৰি যোৱা নাই...। গতিকে আমাৰ সিংহাসনখনি তেৱেঁই গঢ়িব।... এই বিষয়ত তেওঁৰ জ্ঞান বহুতো বৈষ্ণৱতকৈ বেছি...তেওঁৰ দৰে খনিকৰ বহুতকে বিৰল...

অন্নশেষত সেয়ে হ'ল। বাইজ কথাৰ পাকত বান্ধ খাই পৰিল।

চৈয়দবাবীৰ জমিৰ আলিয়ে থৰক-বৰক···অথচ নিপুণ হাতেৰে ৰূপহীৰ নামঘৰৰ সিংহাসনখনি চকুত লগাকৈ গঢ়ি দিলে।

নামঘৰ সাজি অঁতোৱাৰ পিছত সুন্দৰ-সৰ্বানন্দৰ চেষ্টাত দুই-এপদকৈ আন আন বস্তুও গোটখাই আছে···দুযোৰ খঞ্জিৰা, এযোৰ মন্দিৰা, এখনি সৰু কাঁহ, এখনি ঝঞ্জৰ, দুযোৰ ভোৰ তাল, দুযোৰ পাতিতাল, দুযোৰ কিংকিনি, এটি মুকুলি, এটি ডবা, কেইটিমান খোল, মৃদংগ···

চালি আৰু নটুৱা নাচৰ সাজ-পাৰো কিছু গোট খাইছে···

দুটি সূত্ৰধাৰী পোচাকো হৈছেগৈ। দুয়োটি পোচাকেই হিন্দু আৰু মুছলমানী কয়দাৰ সংমিশ্ৰণ দি গঢ়ি উলিয়ালে জেৰিণা আৰু জ্যোতিমালাই।

জেৰিণা আৰু জ্যোতিমালাতকৈও···চেনিধৰ বায়নে গোপনে জনা মতে ···আন দুখন হাতৰ পৰশতহে পোচাক দুটিয়ে অধিক প্ৰাণ পাই উঠিল···

···সেই দুখন হাত···

··সেই দুখন হাত···কণকাৰ···জ্যোতিহঁতৰ কণকা বাইৰ।

বায়নৰ মনটো বহুদিনৰ পিছলৈ ঢাপলি মেলিলে।

—এসময়ত ৰূপে-গুণে কোনো ফালেই কণকাক কোনেও চেৰ পেলাব নোৱাৰিছিল। কেতেকী পহীয়া গাটোৰে কণকাজনীক আটায়ে সপোনত দেখিছিল।···ঘিলা কঁকলীয়া মুঠিৰে পথাৰত ধান দাই থকা কণকাক চাবলৈ এই অঞ্চলৰ কতটানো চতিয়না গছত উঠিছিল।···সেইজনী কণকাই বিজুলী সঞ্চাৰে মাকো ঘূৰাই বিহাত পছুমৰ চকা ধৰি ৰাখিছিল···

কিন্তু হঠাৎ যে কি হৈ গ'ল।···

ৰূপহী আলিৰ অতিকে আদৰৰ কণকা জনীক আটায়ে ঘিণ কৰিবলৈ ধৰিলে। তাই বোলে অজাতিত দেহ দিলে। কোনোবা কোনোবা দেখা সাক্ষীও ওলাল। সেইবোৰৰ ভিতৰত শিঙৰা ভকতো এটা।

গাঁওখনৰ মানুহে কণকাক শাখিনী বুলি কৈ ওভতাই চুলি কাটি গাঁৱৰপৰা উলিয়াই পঠিয়ালে। কণকাই আশ্রয় ললেগৈ নগৰত। গাভৰু কণকা জানো চাগে নগৰত সতী হৈ থাকিল ?…তেতিয়া যে দ্বিতীয় যুদ্ধ চলিছিল…ঝাক ঝাক বিদেশীয়ে নগৰ ভৰি পৰিছিলহি…।
…কণকা সঁচায়ে অজাতি হ'ল…

সেইজনী কণকাই এতিয়া গাঁৱৰ মানুহৰ চকুৰ আঁৰে আঁৰে সৰ্বানন্দহঁতৰ ঘৰলৈ ঘনাই অহা-যোৱা কৰিবলৈ লৈছে। নগৰত… অকলশৰীয়া কণকাই গাঁৱৰ ল'ৰা-ছোৱালীহাল পাই আপোন কৰি পেলালে। চেনেহ এনাজৰীৰ বাবে এতিয়া কাকো কোনেও এৰিব নোৱাৰা হ'ল…

…এইবোৰ কথা এতিয়া গাঁৱৰ মানুহে জনা নাই বুলিছে। জানিলেবা কি অঘটন ঘটে। কিজানিবা সৰ্বানন্দহঁত এঘৰীয়াই হ'ব লগা হয় ?

চেহ্ বৰ মস্কিলখন হ'ব…

চেনিধৰ বায়নৰ আকৌ নামঘৰলৈ কাণ গ'ল ;

…ৰূপহীৰ এইটো নামঘৰ নহয়…ৰূপহীৰ নামঘৰটো আজি প্ৰকৃততে নামে-কামে শ্ৰীশংকৰ কলা-ক্ষেত্ৰ হৈ পৰিছে।…ধীং · ধীং… তাক্ ··ধিন্ · তাচ্…তাওঁ…কোনোবা এটাই সেয়া সূত্ৰধাৰী বোল শিকিছে। · তাৰ পিছত…তাৰ পিছত সেয়া নটুৱা নাচৰ বোল…

…ধিন নাক খিনি তাধেই ( খিৰি খিৰি )…

…ধেনাক খিনি ধেইতাতা খিতাধেই তাতাগদি…

·· ধেইতা ধেই...

…ধে খিয়াক খিয়াক…

…তা ধেই গিৰি গিৰি দে ধেই গিৰি গিৰি ধে খিয়াক জেজেধেয়া জেধেনা ধেনিতা…

…বায়ন নামঘৰ পোৱাৰ লগে লগেই তেওঁৰ পৰিচালনাত আৰম্ভ হ'ব গায়ন শিক্ষা।…সৰুধেমালি, বৰধেমালি…ন-ধেমালি…শেষত ঘোৰা ধেমালি।…

ইয়াৰ আগে আগে সেয়া হৈ গ'ল বৰপেটাৰ আহিত ভোৰতাল বজাই বজাই কৰা বিভিন্ন ভংগীৰ নৃত্য-শিক্ষা। পৰিচালনা কৰিলে সুন্দৰে।...তাৰ আগে আগে হৈ গ'ল কেলিগোপাল নৃত্য নাট আৰু বৰগীতৰ সুললিত ৰাগ-তালৰ শিক্ষা...। সেইখিনি শিকালে সৰ্বানন্দই নিজে...

—এইখনি শ্ৰীশংকৰ কলা-ক্ষেত্ৰতে যোৱা কালি হৈ গ'ল, ভূবিৰ দেৱদাসী নৃত্যৰ শিক্ষা। কঠোৰ শ্ৰমসাধ্য বিশেষ বিশেষ ভঙ্গীবোৰ। সত্ৰীয়া নৃত্যৰ লগতে এই নৃত্যও অসমৰ নৃত্যজগতৰ বিশেষ আকৰ্ষণ। জ্যোতিমালাই বৰ মনোৰমকৈ আমাৰ ল'ৰা-ছোৱালীবোৰক সেইখিনি শিকাইছে, লগে লগে সৰ্বানন্দ আছেই।

অংগি-ভংগীৰ লগে লগে সৰ্বানন্দই শিকাকইঁতক তত্ত্বজ্ঞানো দি গৈছে।

যোৱাদিনাৰ আবেলি সি কোৱা কথাবোৰ বায়নৰ বৰ মনত লাগিল।

...নৃত্যকলা সাধাৰণতে দুটা ভাগে বিভক্ত—নৃও আৰু নৃত্য। তাল-লয় সমন্বিতে পোন নাচকে নৃও বোলে। মুদ্ৰা অভিব্যক্তি তাল, লয়, ছন্দ আৰু ভাৱেৰে প্ৰকাশ কৰি কোনো 'কথা' অভিনয় কৰি দেখুওৱাকে নৃত্য বোলে। অসমক নৃত্য-গীতৰ এটি বিৰাট আৰু মোহনীয় চিত্ৰঘৰ বুলি কোৱা হয়। প্ৰাচীন কামৰূপীয় নৃত্যগীত, ওজাপালি, নটুৱা নাচ, শ্ৰীহস্তমুক্তাৱলীৰ উপাদান আৰু 'নট' সম্প্ৰদায়ৰ নৃত্যসমূহ অসমীয়াৰ অমূল্য সম্পদ বুলিব পাৰি।

...সঁচাকৈয়ে আজি ৰূপহী আলি গাঁও আনন্দমুখৰ।

..সৰ্বানন্দ আৰু সুন্দৰৰ নেৰানেপেৰা চেষ্টাৰ বাবেই আজি এই গাঁৱৰ এই ৰূপ।

অকলশৰে আত্মাৰত হৈ থাকি চেনিধৰ বায়ন সৰ্বানন্দ আৰু সুন্দৰৰ প্ৰশংসামুখৰ হৈ উঠিল। এৰা, ইহঁত তাহানিৰ শংকৰ-মাধৱ আছিল কিজানি। আমাৰ সৌভাগ্যৰ গুণে দুজনা মহাপুৰুষ স্বৰ্গৰপৰা এই ৰূপ লৈ নামি আহিছে। ৰূপহীৰপৰা দুজনা মহাপুৰুষ আকৌ কোনোবা এদিন ওলাই যাব দেশখনক ৰাখিবলৈ...

সৰ্বানন্দ...সবাই...

সেখাই-শুনাই প্ৰকৃততহে মহাপুৰুষ…

ল'ৰাটোৱে গাব জানে, বজাব জানে, নাচিব জানে, পত্ৰ-চিত্ৰ আঁকে, হাল বাই, কোৰ মাৰে, ঘৰুৱা চৰ কামেই কৰে । সি নকৰা কাম, নজনা কাম যেন একো নাই…

মনত সাত্বিক ভাৱ এটা লৈ নামঘৰলৈ ওলাই অহা চেনিধৰ বায়নক তেওঁৰ অজ্ঞাতে বৈষয়িক ভাৱ এটাই আগুৰি ধৰিসেহি ।

ঘৰখনৰ কথা, পাৰিবাৰিক জীৱনৰ কথা মনত পৰিল তেওঁৰ…

চাৰিজনী উঠন গাভৰু ছোৱালীৰ প্ৰথমজনীৰ বয়সে আঁচোৰা মুখখন তেওঁৰ চকুৰ আগত ভাহি উঠিল । তেওঁ নিজে বুঢ়া হৈ আহিছে। আকনো কিনান কি কৰিব? চাৰিজনী গাভৰুক তেওঁ অকলে কিনান পিন্ধাব? ডাঙৰজনী ছোৱালীকে কেনিবা শুজিব পৰা হলে…

সবায়েই চোন বেয়া ল'ৰা নহয় ।

পৰীক্ষা পাচ নকৰিলেও চাৰিশ্ৰেণী পঢ়ি থকা ছোৱালীজনীক—বাসন্তীক সি অনাদৰ কৰিবনে?

সুন্দৰো বেয়া ল'ৰা নহয় । কিন্তু সুন্দৰক বোধহয় সৰ্বানন্দই ভনী-জোঁৱাই হিচাপে বান্ধি থৈছে। থওক। ল'ৰা-ছোৱালীহালৰ মিল হ'লে বেয়া নহ'ব। দহৰো উপকাৰ, দেশৰো উপকাৰ। মাথো সৰ্বানন্দৰ লগতে বাসন্তীৰ কিবা এটা কৰি দিব পৰা হলে…

…চেনিধৰ বায়নৰ ভৰি দুটা নামঘৰৰ ফালে আগবাঢ়ি নগৈ সৰ্বানন্দৰ ঘৰৰ ফালে ঘূৰি আহিল। কিবা যেন দৈৱিক শক্তি এটাইহে টানি আনিলে তেওঁক । ল'ৰা-ছোৱালীহালক মাত এবাৰ দিওঁ—খোৱা-লোৱাৰ কথা এটা লওঁ, মাক-বাপেকে এৰিথোৱা বাচাইতহেহী…

: সবাই আছনে?—বায়নে চোতালৰপৰা মাত লগালে।

লেম্পটো লৈ, চোতালত বায়নৰ মাত বুজি পাই জ্যোতিমালা ওলাই আহিল: বৰপিতা নেকি?

গোহৰ পাই বায়ন ভিতৰৰ ফালে আগবাঢ়িল: এৰা অ'। তহঁতে কি কৰিছ। ই সবাই নাই নেকি?

: মই বন্ধা-বঢ়াত লাগিছোঁ। ককাইদেউ নাই। চৈয়দবাবীলৈ গৈছে। অহা সোমবাবলৈ—নগবৰপৰা নিমন্ত্ৰণ এটা আহিছে। আমাৰ শ্ৰীশংকৰ কলা-ক্ষেত্ৰই তাত কেলি-গোপাল নৃত্য নাটখন দেখুৱা-বগৈ লাগে। তাবে কিবা এটি পৰামৰ্শত ককাইদেউ জমিৰ পেহাৰ ওচৰলৈ গৈছে।

: এওঁ সুন্দৰ একা ?

: তেওঁ নামঘৰতে আছে নেকি ?

: এঁ—হয় নেকি ? মিছায়ে সোমালো তেনেহলে।

: বহকচোন বাৰু। ককাইদেউ পাবহিয়েই লাগে। সোনকালেই ঘূৰাৰ কথা।

: হোঁ বহিম আৰু কি ?—বাৰু দে তেনেহলে, জুইকুৰাৰে সেক এটা লওঁ, কিবা সেঙেতা সেঙেত্ লাগিছে।—কথাখিনি কৈ চ'ৰাঘৰত নবহি বায়ন পোনে পোনে মাৰল ঘৰৰ জুহালৰ ফালে আগবাঢ়িল। দুয়োটা ঘৰৰ মাজৰ দুৱাৰখন অতিক্ৰম কৰিয়েই জুহালৰ ফালে চাই বায়নে বাঘ দেখা মানুহৰ দৰে বৈ দিব লগা হ'ল। চেহ্ নহা হলেই ভাল আছিল। এতিয়া এৰিবৰো নহ'ব, ধৰিবৰো নহ'ব। ৰূপায়ণ মেধি, দামোদৰ দত্ত, শিঙৰা ভকতহঁতে এইবোৰ কথা জানিলে···

বায়ন তেনেদৰে একে থিৰে চাই বৈ থকা দেখি, জুহালৰ ওচৰৰপৰা উঠি দি, পীৰা এখন বায়নলৈ বুলি আগবঢ়াই কণকা বুঢ়ীয়ে কলে : বহা ককাইটি, মই আঁতৰি দিছোঁ বাৰু।···

বায়ন পীৰাখনৰ ফালে আগবাঢ়িল : তই···তই···

: এৰা—মই কণকা। কি কৰিম আৰু। ল'ৰা-ছোৱালীহালৰ মোহ এৰাব নোৱাৰি আহিলোঁ। সকৰেপৰা পোৱা নহয় জানো ? তোমাৰ ছোৱালী কেইজনীৰ ভালনে ?

: ভালেই।—বায়ন খেবো-গেবোকৈ পীৰাখনত বহিল।

তালে পৰ কাৰো মুখত মাত নাই। জ্যোতিমালাইও ওআনে ওআনে চাহৰ টেকেলীটো জুইত তোলালৈকে বুলি কৰি গৈছে। বায়নে জলি থকা খৰি কেইডাল এনেয়ে এবাৰ লৰাই বগৰাই মাত

দিলে : এতিয়া কথাবোৰ জনা-জনি হলে ইইঁতক বা গঞাই কি কৰে। ভই···এনেদৰে নাহিবি ঐ···

: বাই কিয়নো আহিব নালাগে ৰবপিতা ?—সকৰ্কৈ জ্যোতিমালাই কলে।

: গাঁৱৰ মানুহে বেয়া পাব।

: মানুহৰ ঘৰলৈ মানুহ আহিলে গাঁৱৰ মানুহে বেয়া পাই—এইখন কেনে গাওঁ। বাইয়ো জানো আমাৰ দৰে তেজ-মঙহৰ মানুহেই নহয়—সকবেপৰা বাইক আমি নিজৰ আই বুলি ভাবি আহিছোঁ···

বায়েনে কি উত্তৰ দিব ভাবিলে।

কণকা বাইৰ দুগালেদি লোতক বাগৰি আছিল। শোক সামৰিব নোৱাৰি বায়ে সক-ছোৱালী এজনীৰ দৰে কান্দি দিলে। নাকৰ পানী-খিনি ছাটি মাৰি তেওঁ কলে : মোক আৰু কিমান লেলাট নোভুজোৱা ককাইটি, মই আৰু কিমান দিন গঞা-জ্ঞাতিৰ মুখ নোচোৱাকৈ থাকিম। মোৰ পাপৰ জানো প্ৰায়শ্চিত্ত হোৱা নাই ? মই একো দোষ কৰা নাই···মই একো দোষ কৰা নাই। · দোষ সকলো শিঙৰাৰ। সিয়েই মোৰ তেজটোপা খালে। · তোমালোকে আচল দোষীক বিচাৰি নাপালা—ওঁ—ওঁ—ওঁ—

কণকা বাই তেনেকৈ কন্দা দেখি জ্যোতিমালাই বাইক সাৱট মাৰি ধৰিলেগৈ। চকুৰ পানীখিনি চাদৰৰ আগটোৰে ম'চি দি তাই কলে : তুমি এইবোৰ কি কৈছা বাই···তুমি এইবোৰ ··তুমি তেনেহলে আমাৰ গাঁৱৰে মানুহ ?

কণকা বায়ে বেৰখনত মূৰটো খুন্দা মাৰি দি শোক শোক কৰে কান্দি কলে : নহয় অ' আই···মই পাপীনী···মই অজাতি · মোকনো ঈশ্বৰে মাৰি নিনিয়ে কিয় ?

: তোমাক কিয় মাৰি নিব লাগে ? অজাতি হ'লা বুলিয়েই তুমি কিবা মানুহ নহ'বানে ? আমাৰ গাঁৱৰ মানুহবোৰৰ মানত জমিৰ পেহাইতো অজাতি। এতেকে বুলি জমিৰ পেহা মানুহ নহ'লনে।

জ্যোতিমালাৰ সান্ত্বনা বাণীয়ে কণকা বাইৰ কান্দোন বন্ধ কৰিব নোৱাৰিলে। বৰং চৰিলহে…

পৰিস্থিতি সহিব নোৱাৰিয়েইনে-কিয়েইনে বায়নে কোনো মাত-বোল নকৰাকৈ উঠি গুচি গ'ল।

সবাই ভাল ল'ৰা যদিও…, বায়নে গোটেই বাটটো ভাবি গ'ল,—এইটো কিন্তু সবায়ে সমূলি ভাল কাম কৰা নাই।…সমূলি ভাল কৰা নাই।

থাকিব নালাগে যদিও ইমান দিনে ভয় আৰু বিশ্বাসত আশ্ৰয় কৰিয়েই ধৰ্ম বৰ্তি আছিল। আধুনিক শিক্ষাৰে শিক্ষিত যুৱক সমাজৰ মনৰপৰা ভয় আৰু বিশ্বাসে পৃষ্ঠ ভংগ দিছে। আজি ভয় আৰু বিশ্বাসৰ ঠাই অধিকাৰ কৰিছে যুক্তি আৰু বাস্তৱজ্ঞানে। এইটো বিজ্ঞানৰ চৰম উন্নতিৰ যুগ। এই যুগৰ নতুন-পুৰুষসকল বিজ্ঞানৰ পোনপটীয়া সম্পৰ্কলৈ আহি সকলো কথাকে যুক্তিৰে চালি-জাৰি চাই বাস্তৱত তাৰ জোখ-মাপ নিৰীক্ষণ কৰিহে গ্ৰহণ কৰে। আৰু সেই বাবেই বিশ্বাসত আশ্ৰয় লোৱা ধৰ্মৰ এই যুগ-বিপৰ্য্যয়। কিন্তু সংস্কৃতি সনাতন সত্যৰ নৰে…ই সদায় বাস্তৱ…।

কাবোবাৰ লগত কথা পাতি আছি থকা সেইটো দেখোন সৰ্বানন্দ।

বায়নে চিলি-মিলি জোনাকত সৰ্বানন্দৰ মুখামুখি হ'ল: সবাই নেকি ?

: হয় বৰপিতা। তুমি নামঘৰলৈকে অহা নাই জানো ?

: এৰা। পিছে তইনো ক'ৰপৰা আহিলি ? এয়া কোন ?—বায়নে কথাষাৰ কৈ সৰ্বানন্দৰ গাৰ কাষতে থিয়হৈ থকা মানুহটোলৈ অনুসন্ধানৰ দৃষ্টিৰে চালে। মতানে মাইকী ?

: মই চৈয়দবাৰীৰপৰা আহিলো। এইজনী জমিৰ পেহাৰ ছোৱালী—জেবিণা।

আন্ধাৰতে বায়নে চকুহুটা ডাঙৰকৈ মেলিলে। তেওঁৰ মনটো টান হৈ আহিল। এই আন্ধাৰ নিশা গজ গজ কৰে ডেকা ল'ৰাটোৰ লগত গাভৰু ছোৱালীজনী ?—জমিৰৰ গুৰি গোষ্ঠীয়েই নষ্ট যোৱা বোধহয়।—

জানি-শুনিনো ইমানৰ এইদৰে লেটি-পেটি কৰি ভুখিবলৈ দিয়েনে ?...

বায়নে নিজক সহজ কৰিব খুজিও সহজ কৰিব নোৱাৰিলে। টান মাতেৰে তেওঁ কলে : জাতি-অজাতি বাচ-বিচাৰবোৰ নেৰিবি। তোক আমি আটায়ে ভাল বুলি ভাবিছোঁ। তোৰপৰা আমি বহুত আশা কৰিছোঁ।... ভাবি চা-চোন গাভৰু ছোৱালীজনীক এনেদৰে কৈ ফুকৰাটো ভাল হৈছেনে ?

সৰ্বানন্দই সককৈ উত্তৰ দিলে : ভাল নহলেও, বেয়া বুলিও আমি ভবা নাই। তুমি যিটো কথাৰ প্ৰতি ইংগিত কৰিছা সেইবোৰ কথা আমি ভুলতো ভবা নাই—বা নাভাবিমো। তুমি আমাক সহজভাৱেই ল'ব পাৰা।

এই কেচাইখাতীয়েই তেনেহলে বাসন্তীৰ ভাগ্যধন...

গোপ্ গোপ্ কৰে বায়ন সেই ঠাইৰপৰা আঁতৰি গ'ল। সৰ্বানন্দইঁতে তেওঁ যোৱাৰ ফালে চালে মাত্ৰ।

: এনেবিলাক প্ৰতিবন্ধকৰ বাবেইতো জমিৰ পেহাৰ দৰে গুণি-জ্ঞানী মানুহেও একো কৰিবলৈ নোৱাৰিলে। আমাৰ ক্ষেত্ৰতো বোধহয় এয়া আৰম্ভ। তথাপি আমি আমাৰ কৰ্তব্যৰপৰা বিচলিত নহওঁ। আমি ৰৰপিতাইঁতক গোটেই কথাবোৰ এবাৰ বুজাই চাম। আচল কথাবোৰ বুজি পালে তেওঁলোকৰ মনবোৰ নিশ্চয় সংস্কাৰ মুক্ত হ'ব।—কেইখোজমান আগবাঢ়ি গৈ নীৰৱতা ভংগকৰি সৰ্বানন্দই কলে।

: কি যে হ'ব ; মই একো ভাবি পোৱা নাই।—জেৰিণাৰ কণ্ঠত ভয়ৰ চাপ।

: তুমি কোনো চিন্তা নকৰিবা।—কণ্ঠত নিৰ্ভীকতা সানি সৰ্বানন্দই কলে,—পেহাক একো কৰিবলৈ সুবিধা নিদিলে বুলিয়েই এইখন সমাজে আমাকো একো কৰিবলৈ সুবিধা নিদিবনে ? পেহাও আছিল এটা যুগৰ—আমিও হলো এটা যুগৰ। কীৰ্তনৰ স্যমন্ত হৰণৰ কথাকে ধৰাচোন। স্যমন্ত মণিটোৰ বাবে কৃষ্ণ আৰু জাম্বুকৰ বজা জাম্ববন্তৰ মাজত যুঁজখন লাগিল। জাম্ববন্ত যুঁজত পৰি জীয়েকক কৃষ্ণলৈ বিয়া

দিলে। আৰু কৃষ্ণই ভালুকজনীকে বিয়া কৰালে। পেহাৰ যুগৰ মানুহ-বোৰে হয়তো, পুৰণি চামে হয়তো, ভয় আৰু বিশ্বাসৰ বাবে, গুৰুজনাই নিজ হাতে লিখি যোৱা বাবে তাতে প্ৰত্যয় গৈছিল। কিন্তু আমাৰ যুগৰ মানুহবোৰ তাত প্ৰত্যয় যাব কিয়? আমি নিশ্চয় তাৰ বাস্তৱ দিশটো বিচাৰি চাম—কৃষ্ণ নিশ্চয় আৰ্য্য আৰু জাম্বৱতী নিশ্চয় অনাৰ্য্য সংস্কৃতিৰ প্ৰতীক। স্যমন্ত হৰণ অধ্যায়ৰ যোগেদি শংকৰদেৱে নিশ্চয় আৰ্য্য সংস্কৃতিৰ লগত অনাৰ্য্য সংস্কৃতিৰ চামিল কৰণৰ কথাহে কৈছে। এইবোৰ কথা অন্ধ বিশ্বাসীৰ আগত কলে থুই থুইহে কৰিব। আমি এতিয়া আগবাঢ়ি যাব লাগে···নিৰক্ষৰ জনসাধাৰণৰ সেই অন্ধতা দূৰ কৰি তেওঁলোকৰ মনোজগতত এছাটি জ্ঞানৰ পোহৰ পেলোৱাৰ দৃঢ়তাৰে···

জেৰিণাই একো নামাতিলে। তাইৰ মনটো সাহসেৰে ভৰি পৰিল।

দুয়ো গৈ যেতিয়া চোতাল পালেগৈ, চোতালৰপৰা শুনিবলৈ পালে ভিতৰত কোনোবা কান্দিছে।

: মা—লা ·· ।—চিঞৰি মাৰি জেৰিণা ভিতৰ সোমাল।

: দাদা চোৱাহিচোন। ভিতৰৰপৰা আকৌ জেৰিণাই সৰ্বানন্দক চিঞৰিলে।

: কণকা বাই—হৈছে কি? কান্দিছা কিয়?—ভিতৰ সোমাই কণকা বাই আৰু জ্যোতিমালাই সাৱটাসাৱটিকৈ কান্দি থকা দেখি সৰ্বানন্দই কলে।

সৰ্বানন্দৰ মাত পাই কণকা বাইৰ কান্দোনৰ মাত্ৰা আকৌ চৰিল।

ধৈৰ্য্য ধৰি জ্যোতিমালাই গোটেই প্ৰসংগটো ককায়েকৰ আগত বিবৰি কলে।

শুনি সৰ্বানন্দ যেন গম্ভীৰ হৈ পৰিল।

কণ্ঠত দৃঢ়তা সানি সি কলে: আজিয়েই যি কান্দিলা। আজিৰ পৰা আৰু তুমি কোনো দিন কান্দিব নালাগে।···তুমি নাকান্দিবা। আজি তুমি নহা হলে কালিলৈ তোমাক মই বিচাৰি গলো হেঁতেন। ···মোক জমিৰ পোহাই, তোমাক আমাৰ লগতে ৰাখিবলৈ কৈছে।

তুমি আজিৰপৰা আমাৰ লগতে থাকিবা।···তাৰ বাবে কোনোবাই বেয়া পাব···পাওক। পাপ হেনো শিওবা ভকতেহে কৰিছে···তুমি কৰা নাই।

সৰ্বানন্দৰ কথা শুনি কণকা বায়ে যেন কান্দিবলৈ পাহৰি গ'ল। পৰম কৌতুহলেৰে তেওঁ সৰ্বানন্দৰ মুখলৈ চাই সোধিলে : তোক আৰু কিবা কৈছে নেকি ?

: নাই—একো কোৱা নাই। তুমি আমাৰ গাঁৱৰে মানুহ···ভুল বুজিয়েই হওক বা যি কাৰণেই নহওক তোমাক গাঁৱৰ মানুহে অতদিন নিৰ্বাসন দিলে। এতিয়া সময় পৰিবৰ্তন হৈছে, পৰিবৰ্তনৰ সোঁতত তুমি এতিয়া আকৌ গাঁৱৰ মানুহ গাঁৱলৈ ঘূৰি অহা উচিত।—গাঁৱত তোমাৰ আপোন মানুহ নাই বাবে আমি তোমাক আশ্ৰয় দিয়াটো নৈতিক কৰ্তব্য। এতিয়া আমিয়েই তোমাৰ আপোনজন।* * *

॥ পাঁচ ॥

যেন সকলোৰে অজ্ঞাতে…

কিবা যেন কিবা এটা যাদু শক্তিৰ পৰশত ··

ৰূপহীৰ 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ত দহোটা খোল একেলগে বাজি উঠিল—ধেই-ধেই-ধেই-ধেই…।—নলওঁ নলওঁ বুলি ভাবিও চেনিধৰ বায়নে খোলটো নোলোৱাকৈ থাকিব নোৱাৰিলে। তেওঁৰে পৰিচালনাত আৰম্ভ হ'ল গায়ন-বায়নৰ শিক্ষা।

গায়নৰ গুৰু-গম্ভীৰ অথচ মন-প্ৰাণ হৰি নিয়া শব্দ। এই শব্দত যেন ৰূপহীৰ গোটেই অঞ্চলটোৱেই মুখৰিত হৈ পৰিব।

সুন্দৰ আৰু সৰ্বানন্দই চেনিধৰ বায়নৰ কথাকে ভাবিলে এবাৰ। এই নিৰক্ষৰ মানুহজনৰ আঙুলিত কি যাদু আছে যে খোলটোত হাতখন দিলেই বোলবোৰ আখৈ ফুটাদি ফুটে। 'ক' বুলিব নজনা মানুহজনে বাৰু ইমানবোৰ বোল কেনেকৈ মনত ৰাখিলে? কেনেকৈ তেওঁ ইটোৰ পিছত সিটোকৈ, অকণো আঁৰ নলগাকৈ বোলবোৰ বজাই যাব পাৰিছে? এই প্ৰতিভা থকা মানুহবোৰক আমি আদৰ নকৰো কিয়? এওঁলোকক লগত লৈ আমি কাহিৰলৈ নাযাওঁ কিয়? অসমৰ গাঁৱে গাঁৱে এনেদৰে কতজন চেনিধৰ বায়ন চাগে কোনেও নজনাকৈ শেষ হৈ গৈছে!

এসময়ত গায়ন শিক্ষাৰ সামৰণি পৰিল।

সকলোৱে ভালপোৱা খবৰ এটা দিবৰ বাবে সৰ্বানন্দ থিয় হ'ব খুজিছিল। কিন্তু তাৰ আগতেই দামোদৰ দত্ত থিয়হৈ মাত লগালে: বাইজ শুনক, আমাৰ আজি এটা বিশেষ কথা আলোচনা কৰিব লগা আছে। কথাটো বৰ ডাঙৰেই!

নামঘৰত গোটখাই থকা আটায়ে দামোদৰ দত্তৰ কালে চালে।

: আমি এই নামঘৰটো ধৰ্ম-কৰ্ম কৰিবলৈ পাতিছিলোনে ব্যভিচাৰ কৰিবলৈ পাতিছিলো?

দামোদৰ দত্তলৈ চাই থকা মানুহবোৰে তেওঁলৈ চাবলৈ এৰি ইজনে সিজনৰ চকুলৈ চাব আৰম্ভ কৰিলে—আমিনো ক'ত কি ব্যভিচাৰ কৰিলোঁ।

: এই নামঘৰত পূৰা-পূৰি ব্যভিচাৰ কৰা হৈছে। ইয়াত কৃষ্ণক নমনা অভক্তবীয়াৰ দল এটা গঠিত হৈছে। তেওঁলোকেই কৃষ্ণই বাটে-বাটে গোপিনীৰ লগত···

: আপুনি প্ৰমাণ দিব পাৰিব। ডেকা দলৰ মাজৰপৰা মনোৰামে কলে।

: পাৰিম—পাৰিমতো। দামোদৰ দত্তক সমৰ্থন কৰি দ্বিগুণ উৎসাহেৰে ৰূপায়ণ মেধিয়ে কলে।

এনেতে নামঘৰৰ মাই দুৱাৰৰ ওচৰত এখন মুখে ভুমুকিয়াই কলে : ৰ'বা মেধি। দত্তও অলপ ৰ'বাচোন।

দুৰ্বল অথচ ধীৰ-স্থিৰ কণ্ঠস্বৰটো শুনি সকলোৱে মাই দুৱাৰৰ ফালে চালে।

সৰ্বানন্দই যেন চিঞৰি দিলে : পেহা—তুমি—

: হয়, মই।—জমিৰ আলিয়ে সকলোৱে দেখাকৈ দুৱাৰৰ মাজত থিয়হৈ কলে,—আজি ইয়াত এনে কিছুমান কথা উত্থাপন হ'ব বুলি ইংগিত পায়েই চোৰে চৰ মাৰিলে নেদেখা এই নিশা, লাখুটিত ভৰ দি দি চৈয়দবাৰীৰপৰা ৰূপহী পালোঁহি।

: পেহা আপুনি সোমাই আহক।—বাইজৰ মাজৰপৰা ৰূপকৈ থিয় হৈ মনোৰামে কলে।

আৰু ঘপহ্ কৰে থিয় হৈ দামোদৰ দত্তই কলে: কিন্তু কেনেকৈ ?

লাখুটিত ভৰ দি থিয় হৈ গাঁৱৰে আন এজন বয়সীয়া লোক সেউৰাম পাঠকে কলে: ·এদিন···এই ল'বাবোৰে মাকৰ গাখীৰ টানি থকা দিনতে···এই নামঘৰৰ টুপৰ কোঠালীত···সেইজন জমিৰ আলিয়েই ভাওপাত্ত নৃত্য নাচি সকলোৱে চকুত চমক লগাই দৈছিল।—এই কথা মেধি আৰু দত্তই বোধকৰো পাহৰা নাই।

: তেনেহলে জমিৰ পেহা আজি মুখত বহিব।—মনোবামে প্ৰায় চিঞৰি চিঞৰি কলে।

: হ'ব বোপাই। বাইজক অশান্তি দি মই নামঘৰত নোসোমাওঁ। মই ইয়াতে বৈছোঁ।

নামঘৰৰপৰা বহুতে একে মুখে চিঞৰিলে—নহয়, আপুনি সোমাই আহক।

বাইজৰ অনুবোধ উপেক্ষা কৰিব নোৱাৰি অৱশেষত জমিৰ পেহা সোমাই আহিল। তেওঁক দেউবাম পাঠকৰ শাৰীতে বহিবলৈ দিয়া হ'ল।

জমিৰ পেহা নামঘৰত সোমোৱাৰ লগে লগে দামোদৰ দত্ত, ৰূপায়ণ মেধি ঘোপ্ ঘোপ্ কৰে ওলাই গ'ল। লগে লগে তেওঁলোকক সমৰ্থন কৰা ছুই-এজনেও তেওঁলোককে অনুকৰণ কৰিলে। যাওঁতে কোনেও একো মাতকে নিদিলে। মাত্ৰ একেবাৰে শেষত ওলাই যোৱা শিঙৰা ভকতে 'বাক দেখা যাব' বুলি কৈ গ'ল।

টুপৰ কালে বহা ডেকা কেইজন মানৰ মাজত হাঁহিৰ ফিচ্-ফিচনি উঠিল।

: খৰে থোৱা কেইটা গ'ল ভালেই হ'ল।—সিহঁতৰ মাজৰে কোনোবা এজনে কলে। বাকী কেইজনে গিৰ্‌গিৰাই হাঁহি দিলে।

সিহঁতৰ হাঁহি মাৰ যোৱাৰ পিছত জমিৰ পেহাৰ মাত শুনিবলৈ পোৱা গ'ল: মই যাৰ লগত কথা পাতিম বুলি মন কৰি আছিছিলোঁ, তেওঁলোক গ'ল গৈয়ে। তথাপি থকা সকলৰ আগতে তেওঁলোকে উথাপিত কৰা অভিযোগটো খণ্ডাবলৈ চেষ্টা কৰোঁ।

: কৰক।—বাইজৰ মাজৰে কোনোবা এজনে কলে।

কথাত আবেগ সানি জমিৰ পেহাই কলে: ৰূপহীৰ নামঘৰত ধৰ্ম নকৰি ব্যভিচাৰ কৰা বুলি কৈ গ'ল। কিন্তু তেওঁলোক ধৰ্মৰ বাহিৰা কথাতহে, যিটো প্ৰকৃততে ধৰ্ম নহয়, তাতহে ব্যস্ত থকা যেন লাগিল। তেওঁলোক ধৰ্মৰ ভিতৰলৈ প্ৰবেশ কৰিব পৰা যেন অনুমান নহ'ল।

আৰু নোৱাৰা বাবেই তেওঁলোকৰ মনত পবিত্ৰতা ৰক্ষা সম্পৰ্কে যত সন্দেহ, যত প্ৰতিক্ৰিয়াৰ সৃষ্টি !

…তেওঁলোক 'কৃষ্ণক' নমনা, অভকতীয়াৰ দল বুলি তেওঁক সকলোক সমাজৰ মাজতে নিন্দা দি গ'ল। কিন্তু মই ভাবো—তেওঁলোকে কৈ যোৱা বৈষ্ণৱ শাস্ত্ৰ বৰ্ণিত সেইজন কৃষ্ণক এনেদৰে সন্মুখীয়া ভাৱে সেৱা নকৰিলেও চলে, কিন্তু 'মানুহ-কৃষ্ণক' সেৱা নকৰিলে হলে নচলে। মহাভাৰতৰ যুগৰ পাকৈত ৰাজনীতিজ্ঞ কৃষ্ণক ভাগৱত কীৰ্ত্তনৰ মাজত বিচাৰি তেওঁক অহৰহ সেৱা কৰাৰ পৰিবৰ্তে তেওঁৰ মহান আদৰ্শৰে অনুপ্ৰাণিতহৈ মানুহক সেৱা কৰিব লাগে ; আমি সৎ জীৱন যাপনৰ দিহা কৰিব লাগে। এই দিহা অকল হৰিনামৰ শ্ৰৱণ-কীৰ্ত্তনেৰে নহয়। এই দিহা হ'ব মানসিক বিকাশৰ সুষ্ঠ পৰিবেশেৰে।

…ৰূপহীত আজি তেনে এটা পৰিবেশে গা-কৰি উঠাৰ লক্ষণ দেখা গৈছে। মই আশা কৰোঁ, ৰূপহীয়ে এই কাম কৰিবলৈ সৰ্বানন্দ আৰু সুন্দৰক যেন সম্পূৰ্ণ সহায় কৰে। সিহঁতে এটা সুষ্ঠ পৰিবেশ গঢ়ি তুলিব পাৰিব বুলি মোৰ বিশ্বাস।

…কোৱা হৈছে—সকলোৰে আত্মাতে 'কৃষ্ণ' নামে চিহ্নিত এক বিশেষ শক্তি বিদ্যমান। বাপেক যেনে কৃষ্ণ—পুতেকো তেনে কৃষ্ণ। বাপেকৰ প্ৰধান ধৰ্ম-পুত্ৰ কৃষ্ণক সেৱা কৰাৰ। অৰ্থাৎ সকলোৰেপৰা উপযুক্ত তদাৰকেৰে.পুতেকৰ মানসিক বিকাশ ঘটোৱা, পুতেকক জ্ঞানী কৰি তোলা। যথা সময়ৰপৰা 'পুত্ৰ-কৃষ্ণক সেৱা কৰি বৃদ্ধ কালত মানুহে যি সুখ পায়—আন কোনো কৃষ্ণক সেৱা কৰি সেই সুখ পাব নোৱাৰে। পুত্ৰ-কৃষ্ণক সেৱা নকৰি কাল্পনিক কৃষ্ণক সেৱা কৰি পৰম সুখ বিচাৰি যোৱাটো বাপেকৰ চৰম ভণ্ডামী। ৰূপহীয়ে যেন শ্ৰীশঙ্কৰ কলা-ক্ষেত্ৰৰ যোগেদি এনে ভণ্ডামী নকৰিবলৈ শিকক।

…দামোদৰ দত্তই এই পবিত্ৰ সঙ্গীত কি ব্যভিচাৰ কৰা দেখিলে মই বুজিলোঁ। মোৰ ছোৱালীজনীক সৰ্বানন্দই লগত লৈ ফুৰিলে বুলিয়েই ব্যভিচাৰ কৰা হ'লনে ? এদিন জাত যোৱা মানুহে এজনীক

বুঢ়া বয়সত, মানবীয়তাৰ খাতিৰত আশ্ৰয় দিলে বুলিয়েই সি ব্যভিচাৰী হ'লনে ?

...ৰূপহীৰ ছোৱালী এজনী যি মানুহ, মোৰ ছোৱালীজনীও বোধহয় একে মানুহেই। পাৰ্থক্য ইমানেই—এজনী হিন্দু, এজনী মুছলমান। তাই কেতিয়াবা সৰ্বানন্দৰ ঘৰত থাকেহি বুলিয়েই সৰ্বানন্দৰ ধৰ্ম বা জাতিটো নষ্ট হৈ নাযায়, বা সৰ্বানন্দ মোৰ ঘৰত থাকিল বুলিয়েই মোৰ জাত বা ধৰ্মটো নষ্ট হৈ নাযায়। ধৰ্মৰ নামত এইযে ভেদাভেদ, এইবোৰ এদল সুবিধাবাদীৰ বুধি। আজি পাঁচশ বছৰেও আমি আমাক সংস্কাৰ কৰিব নোৱাৰিলোঁ। শংকৰ গুৰু আৰু চান্দসাইৰ সম্পৰ্কটো আমি সততে মনত নেপেলাওঁ কিয় ?

...প্ৰকৃতপক্ষে চাবলৈ গলে আজি আমি এটা সংকট কালৰ সন্মুখীন হৈছোঁ। শ্ৰীমন্ত গুৰুজনক স্মৰণ কৰি তেঁৱাৰ সমূহ সাংস্কৃতিক অৱদানেৰে মহীয়ান অসমীয়া বাইজে, এই সংকট কালত অসমৰ মাজ-মজিয়াত বৰপীৰা পাৰি বহিব ধৰা প্ৰতিক্ৰিয়াশীল শক্তি তথা কুকৃতিৰ কণ-কঠিয়া মাৰিবলৈ কমৰ আঁতি আগবাঢ়ি আহিবৰ হ'ল। শুদ্ধ জাতীয় সংস্কৃতিৰ বিকাশ ঘটিলেই আপোনা-আপুনি কুকৃতিৰ বিনাশ ঘটিব।

পৰিবেশটো গহীন গম্ভীৰ কৰি জমিৰ পেহাই কথা সামৰিলে।

জমিৰ পেহাৰ কোনো কথাকে কোনেও প্ৰতিবাদ কৰা দেখা নগ'ল।

সৰ্বানন্দ থিয়হৈ বিনীতভাৱে কলে: বাইজে যেন জমিৰ পেহাৰ সকলো কথাকে বুজিবলৈ যত্ন কৰে। আৰু এটা নতুন খবৰ আছে— ৰূপহীৰ 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ই অসম চৰকাৰৰপৰা এককালীন বাৰ হাজাৰ টকাৰ এটি মঞ্জুৰী পাবলৈ সমৰ্থ হৈছে। এইবাবে সদাশয় চৰকাৰৰ ওচৰত আমি নথৈ কৃতজ্ঞ।

সৰ্বানন্দৰ কথা শুনি গহীন পৰিবেশটো আনন্দমুখৰ হৈ পৰিল।

এসময়ত বাইজ ঘৰা-ঘৰি যাবলৈ উঠিল।

সৰ্বানন্দ-সুন্দৰ জমিৰ পেহাৰ কাষ চাপিল। পেহাই মাত লগালে:

নিশা ভালেখিনিয়েই হ'ল বোধহয়। তথাপি ক'লা তোৰ ঘৰবপুৰা আহো।

: ব'লা। তুমি আবাও বোলা হলেও তোমাক মই যি কোনো প্ৰকাৰে নিলোহেঁতেনেই।—সৰ্বানন্দই কলে।

তেতিয়া প্ৰায় মাজনিশা হৈছিল যদিও জ্যোতিমালা, জেৰিণা, কণকা বাই কোনো শোৱা নাছিল। তিনিও চ'ৰাঘৰত বহি খাবৰ পৰত আহি দপ্‌দপাই যোৱা দলটোৰ কথাবোৰকে আলচি আছিল।

ৰূপহী আলি গাঁৱৰ কাষৰীয়া গাঁও 'কেইখনৰ পাঁচজন ডেকাৰে দলটো গঠিত হৈছিল। আৰু দলটোৰ নেতৃত্ব লৈছিল নামঘৰৰপৰা গোপ-গোপাই ওলাই অহা দামোদৰ দত্তই। দলটোৱে নানা ধৰণৰ অশ্লীল গালি-গালাজ কৰি কৈ গ'ল যে আজি নিশাৰ ভিতৰতে কণকা বুঢ়ীয়ে এই গাঁও এৰি যাব লাগিব। জেৰিণাই আজিৰপৰা কোনো দিনে ৰূপহীত ভৰি দিবহি নোৱাৰিব। জ্যোতিমালাৰ যদি সুন্দৰৰ লগত বিয়া হ'বলৈ মন তেনেহলে দুই-এদিনতে জনা-শুনাকৈ বিয়া পাতি ল'ব লাগিব। এইদৰে ঘৰৰ ভিতৰত ডেকা ল'ৰা পোহি লেটিপেটি কৰি থকা নচলে। এই মতে কাম নকৰিলে কাৰ মূৰ ক'ত পৰিবগৈ কোনেও কব নোৱাৰিব।...

কথা শুনি তিনিওজনীৰ চুলি আগে জাউ যাবৰ উপক্ৰম হ'ল।

অসহায়ভাৱে কণকা বায়ে কলে: পাপীবনো পাপৰপৰা ক'ত নিস্তাৰ হ'ব! মই প্ৰথম কুকুৰাৰ ডাকতে যামগৈ।

জ্যোতিমালাই যেন আতংকত চিঞৰি উঠিল: নহয়, নহয় বাই তুমি যাব নোৱাৰা। তুমি ইয়াৰপৰা যাব লগা হলে, তোমাৰ লগতে আমিও গুচি যাম। তোমাক এৰি আমি অকলে নাথাকো।

কথা কৈ কৈ জ্যোতিমালাই কান্দি দিলে। জেৰিণাৰ চকুৰেদিও লোতক বাগৰিল। অৱশেষত কণকা বায়েও হুক-হুকাই কান্দি দিব লগা হ'ল।

তেওঁলোকে তেনেকৈ হুক-হুকাই কান্দি থকা শুনি নামঘৰৰপৰা অহা জমিৰ পেহা, সুন্দৰ আৰু সৰ্বানন্দ উধাতু খাই সোমাই আহিল।

প্ৰথমে জমিৰ পেহাই মাত দিলে : এনেদৰে কন্দা-কটা কৰিবলৈ তইঁতৰ হৈছে কি ?

জমিৰ পেহাৰ মাত শুনি কণকা বাই প্ৰায় লৰৰ মৰা দৰেই ভিতৰ সোমাল। জ্যোতিমালাইঁতৰ কান্দোনো কিছু সাম কাটিলে। সিহঁতে তেনেকৈ কান্দোন সামৰাত সকাহ পাই আকৌ জমিৰ পেহাই কলে : মই সকলো বুজিছোঁ। বৰ্তমান ইহঁতৰ খোৱা-বোৱাৰ যোগাৰ কৰ। মই ভাত-পানী খায়েই আহিছোঁ ; অলপ গৰম চাহ পালেই হ'ব।

কণকাবায়ে ইতিমধ্যে চাহৰ তলত জুই অলাইছিলেই। জেৰিণা তেওঁৰ সহায় ছিচাপে থাকিল। জ্যোতিয়ে ককায়েক আৰু সুন্দৰলৈ ভাত বাঢ়ি দিলে।

খোৱা-বোৱাৰ পিচত জমিৰ পেহা প্ৰমুখ্যে সকলো চ'ৰাঘৰত বহিল।

জ্যোতিমালাই দামোদৰ দত্ত আৰু দলটোৰ বিষয়ে সবিশেষ বিবৰি কলে। জ্যোতিমালাৰ কথা শুনি সৰ্বানন্দৰ মনটো যেন আতংকিত হৈ উঠিল। সি এবাৰ পেহাৰ মুখলৈ আৰু এবাৰ সুন্দৰৰ মুখলৈ চাই কৈ উঠিল : এতিয়া কি কৰা যায় ? আমি বোধকৰোঁ ইয়াত বেছিদিন থাকিব নোৱাৰিম। কৰিম বুলি ভবা কামবোৰ বোধকৰোঁ নহবগৈ।

জমিৰ পেহাই সৰ্বানন্দৰ মুখৰ কথা কাঢ়ি নি কলে—

: সৰ্বানন্দ !

: পেহা !

: তই এনেদৰে হতাশ হলে ইহঁতবোৰে কি কৰিব ?—এইবোৰ ভাবুকিত হতাশ হলে জীৱনৰ কোনো ক্ষেত্ৰতে কৃতকাৰ্য্য হ'ব নোৱাৰিবি। কৃতকাৰ্য্যতাৰ বাবে এনে হাজাৰ বাধা-বিঘিনি অতিক্ৰম কৰিবই লাগিব। সংঘাতেইহে মানুহৰ জীৱন। সামাজিক কামত প্ৰথমতে এইবোৰ প্ৰতিবন্ধকতা আছেই। তইঁতে শুদ্ধভাৱে কাম কৰি গলে—এতিয়া তহঁতক ভুল বুজা সকলে পিছত আপোনা-আপুনি নিজৰ ভুল শুধৰাই ল'ব। তহঁতে মন বান্ধি ল। কাম কৰি যা।

আন কোনেও সহায় নকৰিলেও মই আছোঁ। জীয়াই থকা দিনলৈকে মই তহঁতক সহায় কৰিম। কলাকাৰ শংকৰ গুৰুক স্মৰণ কৰ। তেওঁ আছি তহঁতৰ সহায় হ'বহি।

: কিন্তু বাবাজান, মোৰ বৰ ভয় লাগিছে। মোৰ বাবেই যদি 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ৰ দৰে মহান অনুষ্ঠান এটাৰ কিবা অনিষ্ট হ'বলৈ হয়!—জেৰিণাই বাপেকলৈ চাই কলে।

: তই নিজে অনিষ্ট নকৰিলে—আনে ভাবক, আনৰ ভয়া কথাৰে কোনো অনিষ্ট নহয়। মাত্ৰ তই অন্তৰেৰে গুৰুজনাক শ্ৰদ্ধা জনাবি। অন্তৰৰ সংস্কৃতিহে আচল সংস্কৃতি।

...বাপেৰে কৰিব নোৱাৰা কাম তই কৰিবই লাগিব আই। অনিষ্টৰ কথা নাভাবিবি। তোৰ জন্মই যেন সামাজিক অনিষ্টৰ মাজেদি...উস্! হঠাৎ আজি মোৰ পুৰণি দিনৰ কথা মনত পৰিছে। তোৰ জন্ম সময়ৰ কথা মনত পৰিছে। সামান্য অকণমান ভুলৰ বাবেই জীৱনত একো কৰিব নোৱাৰিলোঁ, সামান্য অলপ ভুলৰ বাবেই মোৰ জীৱনটো অসম্পূৰ্ণ হৈ ৰ'ল। মই মই-বৰ পাপী।

বাওঁ বুকুখনত সোঁ-হাতখনেৰে খামোচ মাৰি ধৰি জমিৰ পেহা বাক্‌ৰুদ্ধ হৈ ৰ'ল।

জেৰিণা বাপেকৰ কাষ চাপি গ'ল। গাত ধৰি জোকাৰি জোকাৰি কলে: তুমি কি ভুল কৰিলা বাবাজান? তুমি কি পাপ কৰিলা—মোৰ জন্মৰ বাবে সমাজৰ কি অনিষ্ট হ'ল?

: সেই কথা আজি মোক নোসোধিবি আই—সেই কথা তোৰ কপালক সোধ! ভাগ্যক সোধ!—এইবাৰ পেহাই নিজৰ চুলিকোচাত খামোচ মাৰি ধৰি কলে।

সৰ্বানন্দই জেৰিণাক পেহাৰ ওচৰৰপৰা আঁতৰাই নিবলৈ যত্ন কৰিলে: পেহাক আৰু আমনি নকৰি জিৰণি ল'বলৈ দিয়া জেৰিণা। পেহা, তোমাক আজি বৰ দুৰ্বল যেন দেখা গৈছে। এতিয়া আৰু কবলৈ দূৰি যোৱা কথা নাভাবিবা। তুমি শোৱা।

পেহাই ম্লান হাঁহি এটা বিৰিঙালে: তহঁতৰ এই পুৰণি জেঠীটো

পচকি মোৰ আজি নিজকে বৰ সবল সবলহে লাগিছে। মই আজি···
মই আজি···

জুহালৰ ওচৰত কণকা বাইৰ কান্দোনে পেহাৰ কথা বন্ধ কৰি দিলে।

ক্ষন্তেক বৈ পেহাই ভিতৰলৈ চাই কলে: কান্দা কিয়? আজি আনন্দ কৰাৰ দিন। তুমি থাকিলে যদি সৰ্বানন্দৰ অনিষ্ট হয় বুলি ভাবিছা তেনেহলে তোমাক···মালা—তেওঁক বাহিৰলৈ লৈ আহ।

জ্যোতিমালাই কণকা বাইক বাহিৰলৈ লৈ আহিল।

চকুৰ পানীৰে দুগাল তিওঁৱা কণকা বায়ে অতৰ্কিতে জমিৰ পেহাৰ ভৰি দুটাত সাৱটি ধৰি লুটি খাই পৰাদি পৰিল।

জমিৰ পেহাই এবাৰ কণকা বাইৰ ফালে—এবাৰ জেৰিণাৰ ফালে চাই, বৈ অহা চকু পানীখিনি মচি কলে: জেৰিণা, এয়েঁই তোৰ মাৰ! জন্মদাতৃ!

: মা।—জেৰিণাই মাকক সাৱটি ধৰিলে।

: পেহা-পেহী।—অবাক বিস্ময়ত সুন্দৰ, সৰ্বানন্দ, জ্যোতিমালাই জমিৰ পেহাৰ ফালে চালে। এসময়ত সকলোৰে চকুৰেদি আনন্দাশ্ৰু বাগৰি আহিল।

জমিৰ পেহাই কৈ গ'ল: হিন্দু-মুছলমানৰ স্নেহৰ বান্ধডাল কট্‌কটীয়া কৰাৰ মানসেৰেই মই এওঁক—ৰূপহীৰ জীয়ৰীক বিয়া কৰাইছিলো। কিন্তু এওঁ মোৰ ঘৰত খিতাপী লোৱাৰ আগতেই কৌশলেৰে শিওৰা ভকতে এওঁক মোৰপৰা আঁতৰাই আনিলে। এই কথাৰ বাবেই ৰূপহী আৰু চৈয়দবাৰীৰ মাজত সাম্প্ৰদায়িক বিভেদ সৃষ্টি হৈছিল। প্ৰাণৰ ভয়ত মই এওঁক জোৰ কৰি মোৰ লগলৈ নিব নোৱাৰিলোঁ। নৈতিকতাৰ তাগিদত জন্মৰ এবছৰৰ পিছত—মাত্ৰ জেৰিণাক লৈ গৈ মাজুলীলৈ পঠায় দিলোঁ। আজি পৰিস্থিতিয়ে বাধ্য কৰিছে—আজিৰপৰা মাক-জীয়েক একেলগে থাকিব, আজিৰপৰা মই, জেৰিণা আৰু মাক—তিনিও মুকলিভাৱে ভইভক সহায় কৰিব পাৰিম। আজি মই পেহীয়েৰক ভইঁৰ লগৰপৰা লৈ যাম!

: পেহী তুমি যাবাগৈ !

কণকা পেহীয়ে কপহী এবি চৈয়দবাবীলৈ যাবগৈ বুলি জানি জ্যোতিমালাৰ মনটো গধুৰ হৈ পৰিল।

: বেজাৰ নকৰিবি আইজনী, পেহীয়েৰ তইঁতৰ ওচৰলৈ সদায় আহি থাকিব—জমিৰ পেহাই জ্যোতিমালাক সান্ত্বনা দি কলে।

জমিৰ পেহাইঁতে চৈয়দবাবীলৈ বুলি বেতিয়া খোজ আগবঢ়াই তেতিয়া বাহিৰত কাহিলী কাহিলী পোহৰ হৈছিল।

কণকা পেহী গুলাই যোৱাৰ পিছত সৰ্বানন্দ আৰু জ্যোতিমালাৰ এনেহে লাগিল যেন আজিহে সিহঁতে মাকক হেৰুৱালে। * * *

। ছন্দ্ৰ ।

নগৰৰ এটা বিশেষ অনুষ্ঠানত 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ই কেলিগোপাল নৃত্য-নাট আৰু এটি সত্ৰীয়া নৃত্য পৰিবেশন কৰি দৰ্শক সমাজৰপৰা বিশেষ সমাদৰ লাভ কৰিবলৈ সমৰ্থ হ'ল। এই সমাদৰৰ পিছৰপৰাই সকলোৱে বুজিব পাৰিলে যে গাঁৱৰ আওহতীয়া চুক এটাত জন্মলাভ কৰা এই অনুষ্ঠানটোৱে অসমৰ সংস্কৃতিৰ জগতলৈ কিবা নহয় কিবা এটা দি যাবলৈ সমৰ্থ হ'বই।

এদিন গড়মূৰীয়া কাকতিয়ে 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ৰ প্ৰসংশাত পঞ্চমুখ হৈ সৰ্বানন্দ আৰু সুন্দৰক মাতি নি কলে: ৬৮ বছৰীয়া জীৱন কালত অহৰহ মই যিটো ভাবি আছিলোঁ, যিটো মই কৰিম কৰিম বুলিও আজি ৬৮ বছৰে কৰিব নোৱাৰিলোঁ, তোমালোকে খুব কম সময়ৰ ভিতৰতে সেইখিনি কৰিবলৈ সমৰ্থ হৈছা। মোৰ কল্পনা যেন ক্ৰমে ক্ৰমে বাস্তৱত ৰূপায়িত হৈ আহিছে।

...তোমালোক বিপ্লবী গুৰু পীতাম্বৰৰ দৰে হোৱা। পীতাম্বৰ গুৰুৱে অসমীয়া সংস্কৃতিৰ বাবে, সত্ৰীয়া সংস্কৃতিৰ বাবে জীৱনটো শেষ কৰি গ'ল। শংকৰদেৱৰ কেলিগোপাল নাটৰ আহিত উত্তৰ-পূৱ ভাৰতৰে অন্যতম অসমৰ 'মহাৰাস নৃত্য'ক কথাছবি কৰাৰ দৰে কল্পনাও তেখেতে কৰিছিল। তোমালোকে যেন সেই কল্পনাক বাস্তৱত ৰূপ দিয়া।

...শংকৰ গুৰুক হৃদয়ত আসন পাতি বহুৱাই লোৱা। তেৰাৰ চিহ্নযাত্ৰাৰ কথা মনত পেলোৱা। সাক্ষাত গন্ধৰ্ব স্বৰূপ কুসুমবৰগিৰিৰ পুত্ৰ—চিত্ৰনাট্য পটু—মহাকলাকাৰ—গুৰুজনে—চিহ্নযাত্ৰাৰ পৰিবেশনেৰে সৰ্বভাৰতীয় নাট্য আন্দোলনৰ ধাৰাটোকে সলনি কৰি দিছিল। চিহ্নযাত্ৰা অকল অসমৰে নহয়, সমগ্ৰ ভাৰতীয় সংগীত নাটকৰ বুৰঞ্জীৰ এক অভূতপূৰ্ব...অভিনয় অধ্যায়ৰ দুৱাৰ মুকলি...।

...তেৰাই সাত বৈকুণ্ঠৰ সাতখন পট আঁকি সাতজন ঈশ্বৰৰ প্ৰবেশ

দেখুৱাইছিল। গায়ন-বায়নৰ উপৰি পাঁচজন নটুৱা উলিয়াইছিল। মাটিৰ খোল-মঞ্জিৰা নিজৰ নির্দেশমতে সজাই লৈছিল। বহাৰ কঁহাৰে শংকৰ গোঁসাইক তাল গঢ়ি দিছিল! সেইজন কলাৰ আকৰ শংকৰৰ নির্দেশতে বভাঘৰ-চোঁঘৰ সাত বৈকুণ্ঠৰ সাত ঠাক ভেটি বান্ধ খাইছিল। কাঠৰ ওপৰত ফুলজাৰি। জোৰ…মহলা…অগ্নিগড় —দিন-নিশা চিন নাই। মূর্ত্তি, মুখা, ৰং, হেঙুল-হাইতাল —আলিপুখুৰী যেন সেইকেইদিন চিত্রালয় হৈ পৰিছিল। ভেতিয়াই যেন শংকৰ গোঁসায়ে ভেটি বান্ধিছিল আধুনিক যুগৰ Art gallery-ৰ। পূর্ববংগ—একেলগে নটা খোল বজাই ভেওঁ সকলোকে আচম্বিত কৰি তুলিলে। আলিপুখুৰীৰ অবাল-বৃদ্ধ-বণিতা সকলো ভোল গ'ল।… নাৰীগণে নজানয় কোন জন স্বামী!

…এয়া অসামান্য শিল্প-প্রতিভাৰ পৰিচায়ক! এয়া অসামান্য কৃতকার্য্যতা!

…শংকৰ গোঁসাই অকলশৰীয়া আছিল।

…তোমালোক অকলশৰীয়া নহয়। তোমালোক দুজন। জগত জমিৰ আলিৰ দৰে মহাপ্রতিভাবানজন। ময়ো যি পাৰো গুৰুজনাৰ নামত সহায় কৰিম। তোমালোক আগবাঢ়া।

গড়মূৰীয়া কাকতিৰ এই উৎসাহ বাণীয়ে সর্বানন্দ সুন্দৰক যোগালে অনুপ্রেৰণা, মনত দিলে অসীম সাহস, নতুন উদ্যম। ইয়াৰ পিছতো সিহঁতে অসমৰ বিভিন্ন ঠাইৰ বিভিন্ন জনৰপৰা মনত বল পোৱা—সাহস পোৱা চিঠি খনদিয়েক পাই দুগুণ উৎসাহিত হ'ল। এখন চিঠিৰ বিশেষ কেইশাৰীমান কথাই এখন বিশেষ আঁচনিৰ পৰিকল্পনাৰ কথা সর্বানন্দৰ মনলৈ আনি দিলে।

চিঠিৰ কথা কেইশাৰী আছিল এনে ধৰণৰ—

…জাতীয় ঐক্যৰ কাৰণে শ্রীশংকৰদেৱে যি কৰি গ'ল - তাৰ কাৰণেই আজি অসম ভূমি ভাৰতীয় অন্য ৰাজ্যতকৈ বেছি সংহতি-সম্পন্ন। এনে এজন মহাপুৰুষক আমাৰ লোকতে সর্বভাৰতীয়

অধ্যায়ত এতিয়াও আধ্যাত্মবাদৰ গুৰুত্বপে থিয় কৰাব পৰা নাই। ইয়াৰ বাবে লাগে তেখেতৰ বিভিন্ন দিশৰ কাৰ্য্যাৱলীৰ প্ৰচাৰ আৰু বিচাৰ।

মহাশিল্পী শংকৰদেৱৰ বিভিন্ন দিশৰ কাৰ্য্যাৱলীৰ প্ৰচাৰ আৰু বিচাৰৰ বাবে সৰ্বানন্দই এটি মহৎ অনুষ্ঠানৰ পৰিকল্পনাৰ খচৰা প্ৰস্তুত কৰি ললে।

সুন্দৰ, জ্যোতিমালা আৰু জেৰিণাক মাতি আনি তাৰ মনৰ কথা সদৰি কৰি কলে: আমি এইখিনিতে আত্মপ্ৰসাদ লাভ কৰি বৈ নাথাকি আৰু অলপ আগবাঢ়ি যাওঁ। অলপ কষ্ট হ'ব। হলেও আমি সেই কেইখোজ কষ্টেৰেই আগবাঢ়ি যাম। গাঁৱৰ ৰাইজক সহায় হিচাপে লৈ আমি সেইখিনি কৰিব পাৰিম বুলিও বিশ্বাস জন্মিছে।

সুন্দৰে মাত লগালে: অসমৰ বাবে—অসমীয়া ৰাইজৰ মহাকলাকাৰ জনৰ বাবে আমি যি কোনো কষ্টৰে সন্মুখীন হ'বলৈ প্ৰস্তুত। আপুনি আপোনাৰ পৰিকল্পনাৰ কথা কৈ যাওক। আমি সেই পৰিকল্পনাক বাস্তৱত ৰূপায়িত কৰিমেই।

: ৰূপহী আলিতে শংকৰী মেলা এখন কৰা কথা ভাবিছোঁ।... সেই মেলা উপলক্ষে নামঘৰত অসমৰ পুৰণি পুথিসমূহ প্ৰদৰ্শনৰ ব্যৱস্থা হ'ব। সত্ৰসমূহত পাঁচশ বছৰীয়া বহুখিনি পুৰণি পুথি পোৱা যাব। আমি সেইখিনি গোটাই আনিম। গাঁৱৰ প্ৰত্যেকৰে চ'ৰাঘৰটো চিত্ৰ প্ৰদৰ্শনীৰ বাবে ব্যৱহৃত হ'ব। শংকৰ-মাধৱৰ অংকীয়া নাটসমূহ চিত্ৰৰ সহায়েৰে প্ৰকাশ কৰিম। কীৰ্ত্তনৰো সকলো কাহিনী চিত্ৰৰ সহায়েৰে প্ৰকাশ কৰাৰ কথা ভাবিছোঁ। অসমৰ সকলো ঠাইৰ চিত্ৰ-শিল্পী সকলক ৰূপহীলৈ নিমন্ত্ৰণ কৰিম। সকলোকে শংকৰী কৃষ্টি প্ৰকাশক চিত্ৰ...জ্যোতিচিত্ৰ...স্কেচ্ আদি আঁকিবলৈ কম। গাঁৱৰ প্ৰবেশ পথত শংকৰ-মাধৱৰ দুটি কাল্পনিক মূৰ্তি গঢ়ি তুলিম। এই মূৰ্তি গঢ়া হ'ব জনিৰ পেহাৰ নিৰ্দেশত। প্ৰদৰ্শনীৰ লগে লগে মুকলি মেলা বহিব। তাত শংকৰী সংস্কৃতি সম্পৰ্কে বিতং আলোচনা হ'ব। শংকৰদেৱক অসমে ন-কৈ চোৱাৰ সুযোগ পাব।

: পৰিকল্পনা চমৎকাৰ হৈছে। কাৰ্য্যত পৰিণত কৈবাহে আচল কথা।—জেৰিশাই কলে।

আঁচনিখনৰ কথা শুনি সুন্দৰ যেন আক এখোজ আগবাঢ়ি গ'ল—

: এতিয়া আমাৰ প্ৰথম কাম হ'ল সদৌ অসমৰ শিল্পীসকলৰ লগত যোগাযোগ আৰম্ভ কৰা। সকলোৰে মাজত আমাৰ আঁচনিখনৰ কথা সদৰি কৰা। ছবি-চিত্ৰ আঁকা, মুখা-মূৰ্তি গঢ়া···। এই ক্ষেত্ৰত আমি বিশেষভাৱে সচেতন হ'ব লাগিব। আধুনিক যুগত বাহে বহনীয়া বং, চুলি ওলাল। আগৰ মুখা, মূৰ্তি, হেঙুল-হাইতাল সকলো দূৰলৈ গ'ল। পিছে সেই দূৰৰ বস্তুবোৰ আমি এতিয়া আকৌ ওচৰ চপাই আনিম। শংকৰ গোঁসায়ে নিজে মুখা সাজিছিল, মূৰ্তি গঢ় দিছিল। অসমৰ প্ৰায়বোৰ সত্ৰতে আজিও মুখা-মূৰ্তিৰ অপূৰ্ব নিদৰ্শন দেখিবলৈ পোৱা যায়। অংকীয়া নাট আক ভাওনাৰ লগত মুখা-মূৰ্তিৰ বৰ ওচৰ চপা সম্বন্ধ। অভিনয়ৰ লগত সম্পৰ্ক থকা মুখা-মূৰ্তি ছবি-চিত্ৰৰ ওপৰিও নামঘৰৰ সিংহাসন, খুটা, বেৰ, নানান পুথি আদিত মূৰ্তি আক চিত্ৰৰ ব্যৱহাৰ ব্যাপকভাৱে কৰা হৈছিল। কিন্তু কালৰ কুটিলা গতি! আজি সেই গোটেইখিনি বিলুপ্তিৰ পথত। আমি অসমৰ এই লুপ্তকলাক উদ্ধাৰ কৰাৰ চেষ্টা কৰিম। শংকৰী মেলাৰ উদ্দেশ্যে গোটেই ৰূপহী আলিকে আমি ছবি-চিত্ৰ মুখা-মূৰ্তিৰে সজাই পেলাম। জমিব পেহা এই বিভাগৰ মূৰব্বী হ'ব।

সুন্দৰ ব'ল।

: নিশ্চয়। আকৌ সৰ্বানন্দই আৰম্ভ কৰিলে,—আধুনিক যুগৰ বৈজ্ঞানিক তথ্য অনুযায়ী 'জীৱনৰ মাধ্যমেৰে শিক্ষা' দিয়াৰ যি ব্যৱস্থা —শ-শ বছৰৰ আগতে শংকৰদেৱে সত্ৰ পাতি সেই ব্যৱস্থা কৰিছিল। আমিও আধুনিক মনেৰে আমাৰ ৰূপহীক এখন 'আধুনিক পাটবাউসীলৈ' পৰিবৰ্তন কৰিম। পাটবাউসীত নাছিল কি? ভূপেন হাজৰিকাৰ কথাৰে—টলস্টয়ৰ Farm School, ৰবিঠাকুৰৰ শান্তিনিকেতন সিদিনাৰ! পিচে শ-শ বছৰৰ আগতে পাটবাউসীৰপৰা ধৰ্মাচাৰ্য্য ওলাই গৈছিল দূৰণিৰ গাঁৱত জ্ঞানৰ জেউতি বিলাবলৈ। পাটবাউসী

অকল সত্ৰই নহয়—এটা চিত্ৰালয়, Art gallery। তাত আছিল নাট বিভাগ (Drama Workshop), পুথিভঁৰাল (Library), কুটিৰ শিল্পৰ বিভাগ (Cottage Industry), ঔষধালয় (Medical Department), বিচাৰালয় (Court), ভঁৰাল (Bank)—সেইখন টবাপাউসীত যেন আধুনিক যুগৰ এখন বিশাল ৰাষ্ট্ৰবহে ক্ষুদ্ৰ সংস্কৰণ। আমিও ৰূপহীক সেইখন ক্ষুদ্ৰ ৰাষ্ট্ৰৰ নিচিনাকৈ গঢ়ি তুলিম।

সুন্দৰ, জ্যোতিমালা, জেৰিণা তিনিও নিশ্চয়কৈ সৰ্বানন্দক সমৰ্থন জনালে।

কেইদিন মানৰ ভিতৰতে সৰ্বানন্দৰ আঁচনিখনৰ বিস্তাৰিত বিৱৰণ সহ সদৌ অসমৰ শিল্পী-সংঘসমূহলৈ, ব্যক্তিগতভাৱে শিল্পীসকললৈ আৰু সত্ৰসমূহলৈ পত্ৰ প্ৰেৰণ কৰা হ'ল।

সকলোবেপৰা অভূতপূৰ্বভাৱে সঁহাৰি আহিল।

...মাজুলীৰ সত্ৰসমূহে নিজৰ নিজৰ বৰ ভঁৰালত থকা শ-শ বছৰীয়া পুৰণি সাঁচিপাতৰ পুথিসমূহ, প্ৰদৰ্শনৰ যোগ্য অন্যান্য মহাপুৰুষীয়া কৃষ্টি প্ৰকাশক সম্পদবোৰ আৰু লগতে শংকৰী নৃত্য-গীতৰ এটি নিপুণ শিল্পীৰ দল পঠাব।

...বৰপেটাই পঠাব পিতলৰ প্ৰকাণ্ড শৰাইকেইখন; নানান তথ্য-পাতি, কীৰ্তন ঘৰৰ ইতিবৃত্ত, তেতিয়াৰ কাঠ-বাঁহৰ ঘৰটোৰ অনুমানিক ছবি। চিহ্নযাত্ৰাৰ অনুমানিক সাত বৈকুণ্ঠৰ পট, সপ্ত নাৰায়ণৰ অনুমানিক মূৰ্তি। চিত্ৰৰ সহায়েৰে কথা-গুৰু চৰিতক সমৰ্থন কৰি মহাপুৰুষৰ সম্পূৰ্ণ জীৱনী।

...বালি সত্ৰই পঠাব চিত্ৰ ভাগৱতৰ প্ৰস্ফুটিত চিত্ৰসমূহ।

কামৰূপ শিল্পী সংঘই পঠাব শ্ৰীহস্তমুক্তাৱলীৰ হস্তমুদ্ৰাসমূহৰ সম্পূৰ্ণ ৰেখাঙ্কন। লগতে বৰপেটাৰ আহিবে আতচ বাজী।

...আৰু কতজনৰ তৈল চিত্ৰ।

...কতজনৰ ৰঙীন চিত্ৰ।

...কতজনৰ ৰেখা চিত্ৰ।

...ষ্টুডিঅ'সমূহে পঠাব সত্ৰীয়া কৃষ্টিৰ নানান জ্যোতিচিত্ৰ।

...গড়মূৰৰ বিখ্যাত ৰাস নৃত্য।

...আউনি আটিৰ পালনামৰ আৰ্হি।

...কমলাবাৰীৰ চালি নাচ।

...সুন্দৰীদিয়াৰ অংকীয়া ভাওনা—ৰাম-বিজয়, পাৰিজাত হৰণ অঙ্ক।

...কুকুৰাবাহীৰ তাল-সমালয়।

আৰু আহিব—গজেন বৰুৱাই আনিব বাবে চহৰীয়া ভাওনাৰ সম্পূৰ্ণ আৰ্হি।

সৰ্বানন্দ, সুন্দৰ, জ্যোতিমালা, জেৰিণা—ৰূপহী আলি আৰু চৈয়দ-বাবীৰ আনন্দৰ সীমা নোহোৱা হ'ল। প্ৰাৰম্ভিকভাৱে তেওঁলোক পুঁজি-ভিক্ষাত আগবাঢ়িল।

*　　*　　*　　*

কামৰ মাজতে খবৰটো পাই পুৱাতে সৰ্বানন্দ নগৰলৈ বুলি ওলাই গ'ল আৰু ন বাজি কেইমিনিট মান বাওঁতেই এম. এল. এ. বিজিৎ চৌধুৰীৰ দুৱাৰত উপস্থিত হ'ল : চাৰ আছেনে?

: কাক বিচাৰিছে?—সৰু ছোৱালী এজনী ওলাই আহিল।

: এম. এল. এ. বিজিৎ চৌধুৰীক। বোধকৰো তোমাৰ দেউতাৰ।

পাতগাভৰুৱে সৰ্বানন্দৰ ফালে চাই মিচিকিয়াই হাঁহিলে। কলে : হয়। দেউতা বাথৰুমত সোমাইছে, আপুনি অলপ বহক।

: বাৰু।

চোফাখনত বহি সৰ্বানন্দই এম. এল. এ. বিজিৎ চৌধুৰীৰ ড্ৰইং ৰুমটোৰ চাৰিওফালে এবাৰ চকু ফুৰালে।

দুখন বেৰত দুখন তৈলচিত্ৰ—এখন গান্ধীৰ, আনখন বসবাজৰ। এটা অসমীয়া কিতাপৰ আলমাৰি ; আন এটাত বঙালী আৰু ইংৰাজী। বেৰত ভালকেইখন কচিবান ছবি। এখন ছবি নৃত্যৰতা নটৰাজৰ।

চৌধুৰীক বৰ কচিবান মানুহযেন লাগিল সৰ্বানন্দৰ।

সি আকৌ নটৰাজৰ ছবিখনলৈ চালে। নটৰাজ শিৱৰ এই বি

ৰূপ কল্পনা, প্ৰকৃততে অপূৰ্ব। আজিলৈকে পৃথিৱীৰ কোনো জাতিয়েই দেৱতাৰ এনে নৃত্যৰত ৰূপ কল্পনা কৰিব পৰা নাই। এই নটৰাজ মূৰ্তি ভাৰতৰ গৌৰৱৰ স্থল।

···নটৰাজ শিল্পৰ এই নৃত্য-ভংগী বিশ্বৰ বিকাশৰ প্ৰতীক। সেয়া আগফালৰ সোঁ-হাতখন অভয়হস্ত, ভয় নাই বুলি কৈছে।

আগফালৰ বাওঁহাত বৰদাহস্ত অৰ্থাৎ মই বৰ্তমান।

পিছৰ সোঁহাতত ডম্বৰুৱে সৃষ্টিৰ ছন্দ বুজাইছে, শব্দই সৃষ্টি।

পিছৰ বাওঁহাত অগ্নি—ধ্বংসৰ প্ৰতীক।

দাণ্ডি থকা ভৰি শান্ত, শক্তি, জিৰণি অগ্ৰগতিৰ বাবে।

সোঁ-ভৰিৰে ত্ৰিপুৰাসুৰ স্বৰূপ আসুৰিক—বেয়া শক্তিৰ দমন, কামনা-বাসনা গচকি আগবঢ়া বুজাইছে। নটৰাজাৰ এই নৃত্যভংগীত আছে সৃষ্টি, শান্তি, ধ্বংস, আগবঢ়াৰ শক্তি আৰু ৰক্ষা কৰাৰ, আশ্ৰয় দিয়াৰ ভাৱ।

পৰ্দাখনৰ সিফালে কাৰোবাৰ পদধ্বনি, লগ লগে হোৱা কাপোৰৰ খুচ্‌খচনিত সৰ্বানন্দৰ ভাৱৰ আঁত ছিগিল। সি পৰ্দাখনৰফালে চালে।

মুখত মিচিকিয়া হাঁহি এটাৰে পৰিপাটিকৈ কাপোৰ পিন্ধা ছোৱালী এজনী ওলাই আহিল: আপুনিয়েই সৰ্বানন্দ কাকতি?—নমস্কাৰ।

প্ৰতিনমস্কাৰ জনাই সৰ্বানন্দই ছোৱালীজনীলৈ চালে। আগৰ পাত-গাভৰুজনীৰ লগত পুৰঠ দেহৰ এওঁৰ মুখাৱয়ৱৰ সম্পূৰ্ণ মিল আছে। অৰ্থাৎ এওঁ চৌধুৰীৰ ডাঙৰ ছোৱালী। কোমলকৈ সৰ্বানন্দই কলে: মই এখন আওহটীয়া গাঁৱৰ মানুহ। মোৰ নামটো জানিলে কেনেকৈ? —এতিয়া আপোনাৰ নামটোৱেইবা জানিম কেনেকৈ?

ছোৱালীজনী এটি লয়-লাস ভংগীত সৰ্বানন্দৰ সন্মুখৰ চোফাখনত বহিল কলে: মোৰ নাম মীনাক্ষী। পিছে চকুকেইটা আৰু' মাছৰ দৰে নহয়,কেঁচাৰ দৰেহে।

হাঁহি হাঁহি মীনাক্ষী ক'লে।

কথা নকলে যেয়া হয় দেখি মীনাক্ষীৰ দৰে হাঁহি হাঁহিয়েই সৰ্বানন্দই কলে : সেয়া দ্বিতীয় প্ৰশ্নটোৰ উত্তৰহে হ'ল। প্ৰথমটোৰ থাকিলেই।

মীনাক্ষীয়ে উত্তৰ দিলে : শিল্পী মানুহ। নাচ শিকোৱা মানুহ। গতিকে আপোনাৰ নাম জনাটো, আপোনাক চিনি পোৱাতো ভেনেই সহজ। কওকচোন আপোনাৰ 'শ্ৰীশংকৰ কলা-ক্ষেত্ৰ'ৰ কাম কেনেদৰে চলিছে।

সৰ্বানন্দই অলপ আচৰিত হৈ মীনাক্ষীৰ কালে চাই কৈ উঠিল : চলিছে আৰু। আপুনি দেখিছোঁ আমাৰ কামৰ ভালেখিনি খবৰ ৰাখিছে। আপোনাক নথৈ ধন্যবাদ।

: হ'ব হ'ব। ধন্যবাদ নিদিলেও চলিব। নিজে নাচিব-চাচিব নাজানো যদিও নাচ মই বৰ ভাল পাওঁ। সেয়ে অলপ ইটো সিটো খা-খবৰ ৰাখো। নগৰত কলা-ক্ষেত্ৰৰ অনুষ্ঠান চোৱাৰ সৌভাগ্য এই অভাগীৰো ঘটিছিল। আপোনালোকৰ পৰিবেশন প্ৰকৃততে উচ্চ মানৰ।

: কেনেদৰে কি কৰিছোঁ ক'ব নোৱাৰো। পাৰিলে কিবা এটা কৰাৰ মন।

: নাচ শিকিবলৈ লৈও শিকিব নোৱাৰিলোঁ। হাত-ভৰিবোৰেই কিবা...নাভাগেচোন। তথাপি নৃত্য সম্পৰ্কে কিছু কথা জানিবলৈ মন থাকিল। সেইটো পাৰিছি মানে নৃত্যৰ সৃষ্টি সম্পৰ্কে দুবাৰমান চমুকৈ ক'বনে?

মীনাক্ষীৰ আগ্ৰহটো দেখি সৰ্বানন্দৰ ভাল লাগিল। সি চমুকৈ কলে—

: নটৰাজ শিৱই হ'ল নৃত্যকলাৰ স্ৰষ্টা। ব্ৰহ্মাৰ উপদেশ মতে জগত গন্ধৰ্ব আৰু অপচৰা সহ ভৰত মুনি আহিছিল শিৱৰ ওচৰলৈ— নাট্য, নৃত্য আৰু নৃত্ত শিকাৰ বাবে। শিৱই নিজে সেই কাম নকৰি ভক্ত তণ্ডু আৰু পত্নী পাৰ্বতীক তাণ্ডৱ আৰু লাস্যৰ উপদেশ দিবলৈ লগাই দিয়ে।

...তণ্ডুয়ে শিক্ষা দিলে তাণ্ডৱৰ...

…পাৰ্বতীয়ে শিক্ষা দিলে লাস্য…

…তাণ্ডৱ উদ্ধত…লাস্য মধুৰ…

…লাস্যৰ প্ৰথম শিক্ষাৰ্থী হ'ল শোণিতকুঁৱৰী…বাণদুহিতা…উষা।

: তেতিয়া হলে ইতিহাসৰ আদি যুগৰপৰাই অসমত নৃত্য চৰ্চা কৰা হৈছিল!—সৰ্বানন্দৰ কথাৰ মাজতে মীনাক্ষীয়ে মাত লগালে।

: হয়, অসম লাস্য নৃত্যৰ দেশ। অৱশ্যে স্বয়ং নটৰাজেও আহি ইয়াত তাণ্ডৱ নাচিছিলহি, যেতিয়া নেকি সৃষ্টি হৈছিল কামৰূপৰ। এয়া আমাৰ গৌৰৱৰ বিষয়।

: কিহৰ গৌৰৱহে ডেকা ল'ৰা?

সৰ্বানন্দক আৰু আগবাঢ়িবলৈ নিদি কোঠাটোলৈ এম. এল. এ. বিজিৎ চৌধুৰী সোমাই আহিল।

সম্ভ্ৰম জনাবৰ বাবে সৰ্বানন্দ থিয় হ'ল: চাৰ, এখেতৰ লগত নৃত্য সম্পৰ্কে অলপ আলচ কৰিছোঁ। তাৰেই গৌৰৱৰ কথা।

চৌধুৰী আনখন চোফাত বহিল: অঁ, তুমি বোলে বৰ ভাল ভাল নাচ-গান কৰি ফুৰিছা। ৰূপহী আলিত তল-ওপৰ লগাই দিছা হেনো।

: তল-ওপৰ মানে গুৰুজনাৰ নামত যি পাৰিছোঁ, অলপ কৰিছোঁ আৰু। মই কৰিছোঁ বুলি কোন্নাতকৈ সেইখিনি ৰূপহীৰ বাইজে কৰিছে বুলি কোৱাহে ভাল।—কৈ কৈ সৰ্বানন্দ আকৌ নিজৰ আসনত বহিল।

চৌধুৰীয়ে সৰ্বানন্দৰ কথাৰ প্ৰতি বিশেষ কৰ্ণপাত নকৰি জীয়েক মীনাক্ষীৰ প্ৰতি কলে: আমাৰ অলপ কথা হ'ব লগা আছে। তুমি এওঁৰ বাবে চাহ-তামোলকে যোগাব কৰাগৈ নেকি?

সৰ্বানন্দৰ ফালে কেইবাৰমান বেঁকা দৃষ্টি নিক্ষেপ কৰি মিচিকিয়া হাঁহি এটাৰে মীনাক্ষী ভিতৰ সোমাল। যাওঁতে চাদৰৰ আগেৰে সৰ্বানন্দৰ নাকত নিজৰ গাৰ সুবাসখিনি দি যাবলৈ নাপাহৰিলে।

চৌধুৰীক অলপ গম্ভীৰ হোৱা যেন দেখা গ'ল। তেওঁ অলপ অস্বাভাৱিক, অলপ চোকা চকুৰে সৰ্বানন্দৰ ফালে চালে।

সর্বানন্দৰ বাবে পৰিস্থিতিটো অসহজ হৈ পৰিল। কেইমুহূর্ত-মান তেনেদৰে পাৰ হোৱাৰ পিছত চৌধুৰীৰ দৃষ্টিবাণৰপৰা নিজকে বচাবৰ বাবে সর্বানন্দই কলে: চাবে মোক লগ পাবলৈ বিচাৰিছিল বুলি খবৰ পায়ে···

সর্বানন্দৰ কথাষাৰ শেষ নহ'ল। চৌধুৰীয়ে গহীন আৰু কর্কশ-ভাৱে কৈ উঠিল: অঁ, বিচাৰিছিলোঁ। তুমি আজিকালি বৰ দৰকাৰী মানুহহৈ পৰিছা। তুমি হেনো কপহী আলি, চৈয়দবাৰী—এইচোৱাৰ এজন ভাল নেতা। বিভিন্ন প্রকাৰে সমাজসেৱা কৰিবলৈ আৰম্ভ কৰিছা।

চৌধুৰীয়ে তাক বিদ্রূপ কৰা যেনেই লাগিল সর্বানন্দৰ। সি চৌধুৰীৰ ফালে চালে: চাবৰ কথাখিনি মই ঠিক বুজিব পৰা নাই।

এম. এল. এ. বিজিং চৌধুৰীয়ে ওঁঠত অদ্ভুত ধৰণৰ হাঁহি এটা বিৰিঙাই কৈ উঠিল: বুজিবলৈ আৰু বাকী থাকিল কি? পাচক জীয়েকৰ দায়িত্ব লৈ বুঢ়া বাপেকক বেহাই দিয়াটোও এক প্রকাৰ সমাজ-সেৱাই বুলি ধৰাচোন!

সর্বানন্দই যেন চিঞৰি উঠিব: আপুনি এইষাৰ কথা কৈ জমিৰ পেহাৰ প্রতি অমানবীয় ব্যৱহাৰ কৰাই নহয়, আপুনি তেখেতৰ প্রতি চৰম অন্যায় কৰিছে। তেখেতৰ এনে অন্যায় কৰিবলৈ আপোনাৰ কোনো অধিকাৰ নাই।

সর্বানন্দৰ চকুৰ আগত এবাৰ জমিৰ পেহাৰ মুখখন, এবাৰ কপক পেহীৰ মুখখন, জেবিণাৰ কপাহ যেন মুখখন ভাঁহি উঠিল। নিজকে সি অলপ উত্তেজিত হোৱা যেন পালে।

অট্টহাস্য কৰি বিজিং চৌধুৰীয়ে গোটেই কোঠাটো কঁপাই তুলিলে। কলে: অ-মানবীয় ব্যৱহাৰ···অন্যায়··অধিকাৰ···হাঃ হাঃ হাঃ! অন্যায় কৰিছে কোনে, আৰু কৈছা কাক? এই কাম কৰি অহিন্দু ছোৱালী এজনীৰ লগত সম্পর্ক ৰাখি তুমি অকল জমিৰ আলি, চৈয়দ-বাৰী বা কপহীৰেই অন্যায় কৰি এৰা নাই, তুমি গোটেই জাতিটোৰ প্রতি অন্যায় কৰিছা। তুমি, তুমি এটা ভণ্ড! কাপুৰুষ!!

: চৌধুৰী !—সৰ্বানন্দ বহাৰপৰা থিয় হ'ল,—আপুনি মোক এনেদৰে অপমান কৰিবলৈকে মাতি আনিছিল নেকি? আপোনাৰ হাতত সামান্য মাত্ৰ ৰাজনৈতিক ক্ষমতা থাকিল বুলিয়েই মানুহৰ প্ৰতি এনে অভদ্ৰ ব্যৱহাৰ কৰিব নেকি?

বিজিৎ চৌধুৰীক কিছু শান্ত হোৱা যেন দেখা গ'ল। তেওঁ অলপ নৰম স্বৰেৰে কলে: লোকৰ ঘৰত তেনেদৰে উত্তেজিত নহবা। ধৰ্য্যেৰে অলপ বহা আৰু শুনা। তোমাৰ ওপৰত ৰূপহী আলি ৰাইজৰ আৰু এটা অভিযোগ আছে। তুমি বোলে গাঁৱৰে বাসন্তী নামৰ ছোৱালী এজনীৰো সতীত্ব ইতিমধ্যে নষ্ট কৰিছা।

: কোনে কলে আপোনাক এই কথা!

: বহুতে। বহুতে কৈছেহি।

: তেওঁলোকৰ আৰু কিবা অভিযোগ আছেনে?

: আছে। দেখাত খোল মৃদং বাবলৈ লৈছা যদিও ভিতৰি ভিতৰি তুমি আৰু এটা কাম কৰিবলৈ লোৱাৰ খবৰ আহিছে। তুমি হেনো ৰূপহী সমষ্টিৰ ভাবি এম. এল. এ.।

সৰ্বানন্দৰ চকুৰ আগেদি ৰূপায়ণ মেধি, দামোদৰ দত্ত আৰু শিঙৰা ভকতৰ মুখ কেইখনে লুকা-ভাকু খেলি গ'ল। সি অলপ হাঁহিবৰ যত্ন কৰিলে। চোকাখনত সহজভাৱে পুনৰ বহি লৈ কলে: কোনোবাই এইবোৰ কথা আপোনাক মিছাকৈ লগাইছেহি। জমিৰ পেহাৰ ছোৱালীজনীৰ দায়িত্ব আজিলৈকে মই ল'ম বুলি ভবা নাই। চেনিধৰ বায়নৰ বাসন্তী নামৰ ছোৱালীজনীৰ সতীত্ব নষ্ট কৰাহে নালাগে তাইৰ ছাঁটো গচকাও মোৰ মনত নপৰে। আৰু এম. এল. এ. ৰাজনীতি কৰি মহান হোৱাৰ সপোন কোনোদিনে দেখা নাই আৰু কোনোবাদিনা দেখাবো ইচ্ছা নাই। এই ক্ষেত্ৰত মোৰপৰা কোনো ধৰণৰ বাধা পোৱা কথা আপুনি নাভাবিব।

: তুমি বাধা দিও মোৰ একো হানি কৰিব নোৱাৰা,—নিৰ্বিকাৰ ভাৱে এম. এল. এ. চৌধুৰীয়ে কৈ গ'ল,—তোমাক বিশ্বাস কৰি মই এখন ৰাইজক অবিশ্বাস কৰিব নোৱাৰো। তুমি জুইৰ লগত খেলিবলৈ

লৈছা কিয় ? খোল-মৃদং বোৱা মানুহ—বাই থাকা, কিন্তু ছোৱালীৰ লগত কাৰবাৰ কৰা, ভিতৰি ভিতৰি ৰাজনীতিৰ সূতা পকোঁৱা—ৰূপহীত এইবোৰ কাম আৰু নচলিব। ইয়াৰ অন্যথা হলে পৰিণাম কিন্তু ভীষণ হ'ব। এতিয়া তুমি চাহ কাপ খাই যাব পাৰা।

চৌধুৰী বহাৰপৰা উঠিল।

তেওঁ ভিতৰলৈ যোৱাৰ আগতে সৰ্বানন্দৰ শান্ত অথচ নিৰ্ভীক স্বৰ তেওঁৰ কাণত বাজি উঠিল—

: শুনক চৌধুৰী ডাঙৰীয়া। আপোনাৰ দলটোক অবিশ্বাস কৰিবলৈ কোৱা নাই। তথাপি কৈ যাওঁ আপোনাৰ দলে আপোনাক বিপথে পৰিচালিত কৰিছে। তেওঁলোকৰ স্বাৰ্থত বাধা পাই, অন্য ফালে নোৱাৰি—এই মিছা কথাবোৰৰ দ্বাৰা মোৰ প্ৰতি—ৰূপহীৰ প্ৰতি, ৰূপহীৰ পবিত্ৰ অনুষ্ঠান শ্ৰীশংকৰ কলা-ক্ষেত্ৰৰ প্ৰতি চৰম অন্যায় কৰিব বিচাৰিছে। মোৰ চৰিত্ৰত কলঙ্ক সানিব বিচাৰিছে। আৰু শুনক—আপোনাৰ আৰু আপোনাৰ দলটোৰ দ্বাৰা সংঘটিত হ'ব লগা 'ভীষণ' পৰিণামলৈ ভয় কৰা মানুহ মই নহওঁ। আপুনি মানুহ চাই ৰাজনৈতিক ক্ষমতা প্ৰয়োগ কৰা উচিত। আহোঁহে।

খৰ-খোজেৰে সৰ্বানন্দ বিজিৎ চৌধুৰীৰপৰা ওলাই গেটৰ ফালে আগবাঢ়িল।

চৌধুৰীয়ে হোৱাট নন্‌চেন্স হোৱাট নন্‌চেন্স বুলি কৈ কেইখোজমান পিছে পিছে অহা যেন লাগিল সৰ্বানন্দৰ। সি চৰম উত্তেজনাত কঁপিলে মাত্ৰ।

কিছুদূৰ যোৱাৰ পিছত দ্ৰুতগতিৰে অহা ফিয়েট গাড়ী এখন সৰ্বানন্দৰ ওচৰত বৈ প'ল।

সৰ্বানন্দই ভিতৰৰ আৰোহীজনলৈ চালে।

চুৱাৰখন মেলি ব্যস্তভাৱে আৰু কৰুণ চাৱনিৰে মীনাক্ষী নামি আহিল : দেউতাৰ ব্যৱহাৰৰ বাবে ক্ষমা কৰিব দাদা। আপোনাৰ গাঁৱৰ ভালে কেইজন মানুহে তেখেতক আপোনাৰ বিৰুদ্ধে ভালেখিনি

কথা লগাইছেহি। সেইভাই আপোনাক নাজানে। তেখেতক অযথা বেয়া নাপাব।

সর্বানন্দৰ মুখৰ বৰণ সলনি হৈ আছিল। সি অলপ হাঁহিবৰ যত্ন কৰিলে।

মীনাক্ষীৰ দুচকুৰেদি চকুলো বাগৰি অহা দেখা গ'ল।

সৰ্বানন্দ এখোজ মীনাক্ষীৰ কাষলৈ আহিল। তাইৰ মনটোৰ লগত বিজিৎ চৌধুৰীৰ মনটো এবাৰ বিজাই চালে। যেন পৰ্বত-ভৈয়াম পাৰ্থক্য। সেইটো ক্ষমতা-লোলুপ মানুহৰ ঔৰসত এজনী কোমল মনা ছোৱালীৰ জন্ম! বিচিত্ৰ সংযোগ। সি সকৈ কলে: আপুনি নাকান্দিব মিচ্ চৌধুৰী। দেউতাকক যে ভুলকৈ বুজোৱা হৈছে, ই নিশ্চিত। তাত মই বেয়া পাবৰ কোনো কাৰণ নাই। আপুনি এই বিষয়ে কোনো চিন্তা নকৰিব।

মীনাক্ষীয়ে চকুপানীখিনি মচি লৈ স্বাভাৱিক হ'বৰ যত্ন কৰিলে।

সৰ্বানন্দই মীনাক্ষীলৈ এবাৰ চালে। ছোৱালীজনীক বৰ মৰমীয়াল উদাৰমনা আৰু সুৰুচিপূৰ্ণা যেন লাগিল। সি কওঁ নকওঁকৈ কলে: যাওঁ তেনে।

মীনাক্ষীয়ে যেন দুচকুত আকুলতা সানি ললে। যাওক—যাওক বুলি কবলৈ লৈও তাই একো মাতিব নোৱাৰিলে। প্ৰস্তৰমূৰ্তিৰ দৰে তাই সৰ্বানন্দলৈ চাই থাকিল।

মীনাক্ষীক প্ৰধান পথত এৰি এটা উপপথেদি আগবাঢ়ি সৰ্বানন্দ জনতাৰ লগত মিলি গ'ল।

* * *

এম. এল. এ. বিজিত চৌধুৰীৰ কথাখিনি কেইদিন মানৰ ভিতৰতে ৰূপহী আলি আৰু চৈয়দবাৰী দুয়ো ঠাইতে সজোৰে প্ৰচাৰ হ'ল। ৰূপহীৰ একাংশ ৰাইজ জুইত ঘিউ পৰিলে জলি উঠাদি জলি উঠিল। এনে ব্যভিচাৰ আনত চলিব পাৰে কিন্তু ৰূপহীত নচলে। সিহঁতৰ নাক-কাণ নহ'স বুলি আমাবো নহবনে। ইহঁতক আৰু আগবাঢ়িবলৈ দিয়া উচিত নহয়। ইহঁতক ৰূপহীৰপৰা বাহিৰ কৰি দিয়াহে কথা!

ৰূপহীক ন-ৰূপেৰে সজাবলৈ গৈ এনে পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব বুলি সুন্দৰে আগতে এবাৰো ভবা নাছিল। কথাবোৰ শুনি শুনি সি অলপ আতংকিত হৈ পৰিল।

জ্যোতিমালা আৰু জেৰিণাই চকুৰ পানীৰে বাট নেদেখা হ'ল। মানুহে মানুহৰ প্ৰতি ইমান অন্যায় কৰিব পাৰেনে? এনে অন্যায় সহ্য কৰা যায় কেনেকৈ? এনে অন্যায়ৰ মাজত জীয়াই থকা যায় কেনেকৈ? আমি ৰূপহী, চৈয়দবাৰী এৰি আন ক'ৰবালৈকে যাওঁগৈ নেকি?

সহকৰ্মী কেইজন তেনেদৰে বিচলিত হৈ পৰাত সৰ্বানন্দও চিন্তিত হৈ পৰিল।

সি তেনেদৰে চিন্তিত হোৱাত জমিৰ পেহা আৰু গড়মুৰীয়া কাকতি তাৰ কাষ চাপি আহিল।

: বাধা-বিঘিনি অতিক্ৰম কৰি নিজে কৰিম বুলি ভবা কাম দৃঢ় মনেৰে কৰি যোৱা জনহে আচল পুৰুষ। ভাল কাম কৰিবলৈ পৃথিৱীৰ প্ৰতিজন মহাপুৰুষকে জয়জয়তে এনেবোৰ বাধা-বিঘিনিৰ সন্মুখীন হোৱা দেখা যায়। মহানায়ক শংকৰ গুৰুকে সমাজৰ এটা অংশই কমখন নকৰিবৰ চকৰি কৰিলেনে? তথাপি জানো গুৰুজন নিজ কৰ্তব্যৰপৰা বিচলিত হ'ল? এতিয়াও সৰ্বানন্দইত কৰ্তব্যৰপৰা বিচলিত হোৱা অনুচিত। সত্যবানজন, পবিত্ৰজন সমাজত সদায় বাচি থাকিব।

সৰ্বানন্দৰ মনলৈ সাহস আহিল।

সাহস আহিল সুন্দৰ, জ্যোতিমালা, জেৰিণা আৰু চেনিধৰ বায়নইতৰ মনলৈ। উচিত কৰ্তব্যৰ দ্বাৰা জোকৰ মুখত চুণ দিলে সমাজ-শোহা জোকৰ বংশটো নিপাত হ'ব। ● ● ●

॥ সাত ॥

আকৌ নতুন উদ্যম।

নতুন উৎসাহ।

নতুন প্ৰেৰণা—সকলোৰে দেহত-মনত-প্ৰাণত শংকৰী মেলাৰ ব্যস্ততা।

চাওঁতে চাওঁতে ৰূপহী আলি জাকজমকৰ নতুন সাজেৰে সাজ খাই আহিল। ওচৰ-পাজৰৰ গাওঁসমূহো ধনে-জনে লগ লাগিলহি। পুঁজি সংগ্ৰহৰ প্ৰাৰম্ভতে প্ৰায় ছহেজাৰ টকা সংগৃহীত হোৱাত সকলোৰে মনত আনন্দ ভৰি পৰিল।

নামঘৰৰ ওচৰৰ বহল পথাৰত বাৰেচহৰীয়াৰ আহিত এটি আটক ধুনীয়া মণ্ডপ দিনক দিনে সাজ খাই আহিল। গাঁৱৰ প্ৰতি ঘৰৰে আলি-পদূলি—চ'ৰা ঘৰ—মাৰল ঘৰ—ন-মূৰা হৈ উঠিল। ৰূপহীত যেন অকাল বসন্ত!

চৈয়দবাবীয়েও মুকলি মনেৰে ৰূপহীৰ কালে খোজ আগবঢ়াই দিলে। বৃহৎ মণ্ডপৰ বাবে, ৰূপহীৰ প্ৰতিটো চ'ৰা ঘৰৰ বাবে মনোমোহা ঝিমান চন্দ্ৰতাপ লাগে গোটেইখিনি চৈয়দবাবীয়ে যোগান ধৰিব। শংকৰৰ অন্যতম শিষ্য চান্দখাই স্মৃতিত ৰূপহীৰ প্ৰধান পথত এখনি তোৰণ নিৰ্মাণ কৰিব।

ৰূপহীত শ্ৰীশংকৰ কলা-ক্ষেত্ৰৰ দ্বাৰা আয়োজিত শংকৰী মেলাৰ কাম দ্ৰুত গতিত আগবাঢ়িল।

—জমিৰ পেহাৰ প্ৰাণত যেন নতুন তেজৰ জোৱাৰ উঠিল। কৰৰাৰ-পৰা আহি যেন তেওঁৰ দেহত নতুন শক্তি গোট খালেহি। চাৰিকুৰি বছৰীয়া বুঢ়াই যেন আকৌ বাগ ধনশ্ৰী গাব পাৰিব। তেওঁৰ আঙুলিৰ পৰশ পাই খোলৰ বোলবোৰ যেন আকৌ আখৈ ফুটাদি ফুটিব। তেওঁ যেন আকৌ দিনক বাতি বাতিক দিন কৰি সূত্ৰধাৰী নাচ নাচিব। সৰ্বত্ৰতে যেন শংকৰ মহিমা প্ৰচাৰ কৰিব—

জমিৰ পেহাৰ ঘৰে আনন্দৰ পাৰ নোহোৱা হৈছে কণকা পেহীৰো।

এই গোটেইবোৰ তেওঁৰ দ'বাই কৰিছে।

এই গোটেইবোৰ তেওঁৰ ছোৱালীয়ে কৰিছে।

চৈয়দবাবী এৰি দিছে জেৰিপাই। তাই যেন ৰূপহীৰ। দিনে-ৰাতিয়ে তাই ৰূপহীৰ তাঁতৰ পাতত বহি আঁচুফুল বাছিছে। মাকু-মুছৰাবে কাপোৰত চোৰ ধৰা ৰুমুবাৰ চিত্ৰ আঁকিছে। ইজনী সিজনীক ইটো সিটো কৰিবলৈ নিৰ্দেশ দিছে

জ্যোতিমালাইও হাত সাৱটি বহি থকা নাই।

কণকা পেহীও চৈয়দবাবী এৰি গাঁৱে গাঁৱে ফুৰিবলৈ ধৰিলে। আজৰি সময়ত তাঁত পাতত বহি নানা ৰঙী আঁচুৰে কাপোৰৰ আগত ধৰি ৰাখিলে—

'...হৰি নাম এৰি মন কি কাম কৰস।

মায়া মোহ জালে পৰি মিছাতে মৰস॥

হৰি নাম ধৰ মন আলাস নকৰ।

আশা নাম নদী মাজে.মিছাতে নমৰ॥'

—কণকা পেহীৰ লগে লগে জমিৰ পেহাবো এৰি দিবলৈ মন গ'ল চৈয়দবাবী।

মই মুছলমান হলো কি হ'ল, মরো বৈষ্ণৱ। মরো শংকৰ শিষ্য। একেজনেই আল্লা, একেজনেই ঈশ্বৰ। সুবিধাৰ বাবেহে আমি দুজন কৰি লৈছোঁ। হিন্দু-মুছলমান চব একেজনৰ সন্তান। আমি চব মিলি যাম। আমি এক অসমীয়া জাতি হম। আমি একেলগে আল্লাৰ নাম লম। আমি একেলগে হৰিৰ নাম লম—ৰাম কৃষ্ণ নাম যাৰ মুখত থাকয়। তাহাৰসে জানিবা মিলিল মহোদয়।...

আন ঠাইৰ কথা নকওঁ—আন ঠাইৰ কথা নাজানো।

—কিন্তু অসমৰ হিন্দু-মুছলমানৰ তেজৰ সোঁত হলে একে ধৰণৰ। বুৰঞ্জীয়ে ইয়াৰ সাক্ষী দিব। বুৰঞ্জীৰ পাতত জিলিকি আছে—

মিৰজুম্লাৰ দিনত বহুত মুছলমান বন্দী অসমত থাকি গৈছিল। এই বন্দীৰ দলটো মুক্ত হৈ এদিন অসমতে থিতাপি ললে—অসমৰ অমুছলমান ছোৱালীৰ লগতে বৈবাহিক সম্বন্ধ ঘটাই সংসাৰ বহলালে।

জমিৰ পেহাক বাৰ্দ্ধক্যই পীড়িছিল।

দেহা থৰক-বৰক হৈ আহিছিল। কিন্তু তেতিয়াও পেহাৰ মন স্থিৰ হৈ আছিল।

থৰক-বৰক দেহাৰে কণকা পেহীৰ হাতত ধৰি জমিৰ পেহা ৰূপহী পালেহি।

···মোক কাঠ কেইডুখৰমান গোটাই দে, মোক কৰণ্ডাৰ কমাৰে গঢ়া হাতুৰি, বটালী কেইটামান গোটাই দে, মোক ক'ৰপৰা পাৰ হেঙুল-হাইতাল আনি দে। মোক বাৰে-বৰণীয়া ৰং নালাগে। বৰপেটালৈ যা, পাটবাউসীলৈ যা, ভেলালৈ যা, মাজুলীলৈ যা, যি লাগে তাকে পাবি তাত। লৈ আহ—মই শংকৰ-মাধৱক কাঠেৰে সাজো, প্ৰাণ দিওঁ। দুজনা মহাপুৰুষ জী উঠক।

···দেশখন অনাচাৰ-ব্যভিচাৰেৰে ভৰি পৰিছে। দুজনা গুৰু লগ লাগি পুনৰবাৰ আমাৰ মাজৰপৰা সেইবোৰ নোহোৱা কৰি যাওকহি, আমি বাচি থাকোঁ, আমি মানুহ হৈ থাকোঁ!

জমিৰ পেহা হাতে-কামে লাগিল।

আকৌ ৰূপহীৰ গধূলি খোল-তালৰ গুৰু-গম্ভীৰ শব্দৰে মুখৰিত।

পাৰিজাত হৰণ অংকৰ অথবা···

ৰাগ পূৰ্বতাল থৰমান···

সেইদিনা ৰূপহীৰ নামঘৰত সৰ্বানন্দ আৰু সুন্দৰে সু-বৃহৎ কাঠৰ শৰাই এখনত ৰং লগাই আছিল। এবাৰ সুন্দৰৰ হাতত ৰঙৰ তুলিকাডাল দি সৰ্বানন্দই যৎসামান্য দূৰৰপৰা শৰাইখনৰ সৌন্দৰ্য্য-খিনি উপভোগ কৰিলে। গাঁৱৰ কেইজনমান ডেকাৰ লগ লাগি এই অপূৰ্ব সম্পদটি গঢ়িলে সুন্দৰে। সঁচাকৈয়ে শৰাইখন আগন্তুক মেলাৰ ভালেখিনি গাম্ভীৰ্য্য বঢ়াব।

সি আকৌ ওচৰ চাপি আহি সুন্দৰক নির্দেশ দিলে—এইখিনিত বং অলপ পাতল হৈছে।

সুন্দৰে সেইখিনিত অলপ ডাথকৈ সানিলে।

কাম চলি আছিল।

এনেতে নামঘৰৰ ওচৰত এখন মটৰগাড়ী ৰ'লহি।

মটৰৰ পিছে পিছে ঢপলীয়াই অহা ল'ৰাজাকে এবাৰ মটৰখন আৰু এবাৰ মটৰৰপৰা নমা আৰোহীজনলৈ চালে। ঔৎসুকীয়া হাঁহিটোৰে আৰোহীজন নামঘৰৰ ফালে আগবাঢ়ি গ'ল।

শবাই, বং, তুলিকা—য'বে বস্তু ত'তে এৰি নামঘৰৰপৰা আগবাঢ়ি আহিল সৰ্বানন্দ। হাত দুখন মোহাৰ মাৰি লাগি থকা বঙৰোৰ এৰোৱাবলৈ যত্ন কৰি সিয়ে প্ৰথম মাত লগালে: মীনাক্ষী—তুমি!

: হয়। আওহটীয়া গাঁৱৰ চেঁচুকীয়া চুকটোত বহি বহিয়ে আপুনি কিমান কি কৰিছে চাবলৈ আহিলোঁ।—ঔৎসুকীয়া হাঁহিটো মুখত ৰাখি মীনাক্ষীয়ে কলে।

: চোৱা।—নানা বৰণীয়া বং লাগি বিচিত্ৰ ৰূপ লোৱা হাত দুখন সৰ্বানন্দই মীনাক্ষীৰ আগত মেলি ধৰিলে।

: চালোঁ বাৰু।—কিন্তু কওক, শংকৰী মেলাৰ কাম কিমানদূৰ আগবাঢ়িছে।

: শংকৰী মেলা? শংকৰী মেলাৰ কথা তোমাক কলে কোনে?

: ৰূপহীৰ শ্ৰীশংকৰ কলা-ক্ষেত্ৰই আয়োজন কৰা শংকৰী মেলা-খনৰ কথা চাৰিও দিশে ফুটি-ফাটি গৈছে। তেনেস্থলত মোক আৰু কোনোবাই ক'ব লাগিছেনে?

: নগৰৰপৰা এই চেঁচুকীয়া ঠাইখনৰ খবৰ লবলৈ অহা তুমি দ্বিতীয় ব্যক্তি। প্ৰথম হ'ল গড়মূৰীয়া কাকতিদেউ। তোমালোক দুয়োৰে ওচৰত আমি কৃতজ্ঞ। অৱশ্যে ধন আৰু মনেৰে সকলোৱে আমাক সহায় কৰিছে। ব'লা—এপাক ঘৰৰপৰা আহো।

: নিশ্চয়।

মীনাক্ষী গাড়ীখনৰ ওচৰলৈ গ'ল।

গাড়ীৰ ভিতৰত থকা টোপোলা এটা বুটলি লৈ তাই সৰ্বানন্দৰ লগত আগবাঢ়িল।

ঘৰ পাই, বং লগা হাতেৰেই সৰ্বানন্দই মীনাক্ষীক চাহ এপিয়লা খোৱালে। জ্যোতিমালা তেতিয়া ঘৰত নাছিল।

চাহপিয়লা শেষ কৰি মীনাক্ষীয়ে ছুচকুত আকুলতা সানি সৰ্বানন্দলৈ চাই মাতিলে : দা-দা—

: কোৱা।

: মই আপোনাক সহায় কৰিব পাৰোনে?

: নিশ্চয়। তোমাৰ সহায়ে মোক নতুন শক্তি দিব। তুমি মোক সহায় কৰা মানে শ্ৰীশংকৰ কলা-ক্ষেত্ৰক সেৱা কৰা। তোমালোকৰ বাবে কলা-ক্ষেত্ৰৰ দুৱাৰ সদায় খোলা।

মীনাক্ষীয়ে সযতনে অনা টোপোলাটো মেলিলে। তাৰ মাজৰ-পৰা মুগা কাপোৰ এখন ওলাই পৰিল। কাপোৰখন সৰ্বানন্দৰ কাষে আগবঢ়াই দি মীনাক্ষীয়ে কলে : লওক।

কাপোৰখন চাই সৰ্বানন্দই মিচিকিয়াই কলে : বাঃ অপূৰ্ব! কোনে আঁকিছে—তুমি।

: ময়েই চেষ্টা কৰি চাইছোঁ।

সৰ্বানন্দই আকৌ এবাৰ কাপোৰখন চাই ললে। কাপোৰখনত বং-তুলিকাৰে শংকৰ গুৰুৰ ৰুক্মিণী-হৰণ অংকখন চিত্ৰিত কৰা হৈছে। চিত্ৰসমূহ প্ৰকৃততে চিত্তাকৰ্ষক। কাপোৰখন সামৰি সৰ্বানন্দই কলে : তোমাৰ তুলিকাত শক্তি আছে মীনা। তোমাৰ এই সহায় মই কৃতজ্ঞতাৰে গ্ৰহণ কৰিছোঁ।

অসীম শ্ৰদ্ধাৰে মীনাক্ষীৰ মন ভৰি গ'ল। তাই এবাৰ সৰ্বানন্দলৈ চাই ভলমুৰ কৰিলে।

তেনেদৰে ভলমুৰ কৰাত মীনাক্ষীলৈ সৰ্বানন্দৰ বৰ মৰম লাগিল। ছোৱালীজনী প্ৰকৃততে সহানুভূতিশীল। কিন্তু বিজিৎ চৌধুৰী ??… বিজিৎ চৌধুৰী ???…

অকস্মাতে যেন সৰ্বানন্দই চৌধুৰীৰ অট্টহাস্য শুনিবলৈ পালে—

…হাঃ হাঃ হাঃ…অহিন্দু ছোৱালী এজনীৰ লগত সম্পৰ্ক ৰাখি… তুমি অকল জমিৰ আলি, চৈয়দবাবী বা ৰূপহীবেই অন্যায় কৰি এৰা নাই, তুমি গোটেই জাতিটোৰ প্ৰতি অন্যায় কৰিছা। তুমি…তুমি… এটা ভণ্ড…কামুক !

: মীনাক্ষী।—সৰ্বানন্দৰ মাতটো অলপ অস্বাভাৱিক হৈ ওলাল।

: দাদা।—মীনাক্ষীয়ে ভয়াৰ্ত চাৱনিৰে মুখ দাঙিলে।

: তুমি আমাক এনেদৰে সহায় কৰিবলৈ আগবাঢ়ি অহা বুলি জানিলে সকলোৱেই ভাল পাব। কিন্তু ভাল নাপাব হয়তো তোমাৰ দেউতাৰে। দেউতাৰে এই কথা জানিলে তোমাৰ হয়তো ভালেখিনি অনিষ্ট হ'ব। আমাৰ স্বাৰ্থ পূৰণৰ বাবে তোমাৰ অনিষ্ট হওক—এই আশা আমি নকৰো।

দেউতাকৰ কথা কোৱাৰ লগে লগে মীনাক্ষীৰ মুচকুৰেদি লোতক বাগৰিল। তাই থুকা-থুকি মাতেৰে কলে : আপুনি দেউতাক ক্ষমা কৰিব পৰা নাই ?

: ক্ষমা—ক্ষমা ! ইয়াত ক্ষমাৰ কোনো কথা নাই মীনা। বয়সস্থ মানুহ হিচাপে যেনিবা তেখেতে মোক দুখাৰ টান কথা কলেই। তাত মোৰ বেয়া পাব লগা কিটো আছে। মই মাত্ৰ তোমাৰ কথা…

: মোৰ কথা হ'ব বাক। মই ইয়ালৈ অহা বাবে, মই আপোনাক সহায় কৰিবলৈ লোৱা বাবে—দেউতাই যদি মোক কিবা কয়—কওক মোৰ যদি কিবা অনিষ্ট কৰে—কৰক। দেউতা হ'ল এখন জগতৰ মানুহ আৰু ময়ো হলো এখন জগতৰ মানুহ। কলা কাক বোলে— দেউতাই একো নুবুজে।

মীনাক্ষীৰ সাহস দেখি সৰ্বানন্দৰ বৰ ভাল লাগিল।

সিহঁত আকৌ নামঘৰৰ ওচৰত থকা মটৰখনৰ ওচৰ পালেগৈ।

এসময়ত ধূলি উৰুৱাই মীনাক্ষীয়ে ৰূপহী এৰি গুচি গ'ল।

মীনাক্ষী গুচি যোৱাৰ পিছত সৰ্বানন্দৰ মনটো কিয় জানো উকা উকা লাগিল। সি সুন্দৰক লগ ধৰি শবাইখনৰ কাম যি পাৰে কৰিবলৈ কৈ ঘৰ পালেহি।

হাতৰ বংখিনি ধুই সৰ্বানন্দ ভাগৰুৱা মানুহ বহাদি বহিল।

...তাৰ হুচকুৰ পতাত যেন মীনাক্ষীয়ে ছবি আঁকি গ'ল।

.. মীনাক্ষীক পাহৰিবৰ বাবে সৰ্বানন্দই শংকৰী মেলাত প্ৰদৰ্শন হ'ব লগা মূৰ্তিৰ কথা মনলৈ আনিলে।—মনলৈ আনিলে মুখাৰ কথা।

.. কংসৰ মুখা...ভীমৰ মুখা...বকাসুৰৰ মুখা...অঘাসুৰৰ মুখা... নৰসিংহৰ মুখা।...দশাৱতাৰৰ মুখাখিনিৰ কাম প্ৰায় সম্পূৰ্ণ হৈ আহিছে। বাকী আছেগৈ মূৰ্তিৰ কাম। মূৰ্তিখিনি কাটি-কুটি শেষ কৰিবলৈ নোৱাৰিলে অৱশেষত মূৰ্তিৰ চিত্ৰকে কৰিবগৈ লাগিব।...সিংহ... গৰুড়...হনুমান...জয়-বিজয়...প্ৰহ্লাদ...কীৰ্তিমুখ ... মগৰ ... গজেন্দ্ৰ আদি ভালেখিনি মূৰ্তিৰ কাম এতিয়াও কৰিব পৰা নাই।

..মৃৎশিল্পৰ কথাও ভাবিব লাগে।

...লোক শিল্পৰ প্ৰাচীনতম নিদৰ্শন হ'ল এই মৃৎ-শিল্পসমূহ।

অসমৰ কথাই নাই, মৃৎ-শিল্প সমগ্ৰ ভাৰতৰে এটি জনপ্ৰিয় শিল্প। পণ্ডিত বাৰ্ডউদে কৈ গৈছে—'ৰূপ আৰু ব্যৱহাৰিক সুবিধা, আৰু অনাড়ম্বতাৰ পিনৰপৰা ভাৰতবৰ্ষৰ মৃৎ-শিক্ষা প্ৰকৃতিৰ লগত বাজিতা খাই পৰিছে। কলাৰ ক্ষেত্ৰটো ঘৰুৱা আৰু কম খৰচী সকলো হস্ত শিল্পৰ ভিতৰত মৃৎ-শিল্প সৰ্বাংগ সুন্দৰ।'...গতিকে শংকৰী মেলাত মাটিৰ মূৰ্তি কেইটামান গঢ়াটো নিতান্তই প্ৰয়োজনীয় কথা...

এনেতে পিছফালৰপৰা কাৰোবাৰ নাকৰ শ্বাস আহি সৰ্বানন্দৰ গাত পৰা যেন লাগিল।

সি ঘূৰি চালে : জেৰিণা—

জেৰিণাৰ মুখখন গোমোঠা মৰা। এটা বেজাৰৰ ভাবেৰে তাই আক্ৰান্ত। তাইৰ চকু দুটা সজল।

সৰ্বানন্দই আকৌ মাতিলে : জেৰিণা, তোমাৰ হৈছে কি?

ভগা ভগা মাতেৰে সক সকৈ জেৰিণাই কলে : বাবাজান আৰু ৰূপহীলৈ নাহে।

: নাহে? জমিৰ পেহা ৰূপহীলৈ নাহে কিয়? পেহাক কোনে কি কলে?

: বাবাজান আহিব নোৱাৰে।

: কিয় ?

: অসুখ। কক বাঢ়ি গৈছে। বাবাজানে বোধকৰোঁ আৰু কোনোদিনে এইবোৰ কাম কৰিব নোৱাৰিব। তথাপি মা-দেউতি-খিনি ঘৰলৈকে খোজি পঠাইছে। মূৰ্তিৰ কাম পাৰিলে, ঘৰত বহি বহিয়েই কৰিব।

: মই গধূলি বেলা লৈ যাম।

—কথাষাৰ কৈয়ে সৰ্বানন্দ চিন্তিত হৈ পৰিল। জমিৰ পেহাৰ সাহসতে শংকৰী মেলাখন পাতিবলৈ ললে। শেষলৈকে যদি কামৰ পেহাই তাক সাহস দি থাকিব নোৱাৰে তেনেহলে সেখোন গোটেই কামবোৰেই আধৰুৱা হৈ ৰ'ব। নাই নাই, ভগবানে যেন তেনে নকৰক।

সৰ্বানন্দৰ নিৰৱতাৰ সুযোগ লৈ জেৰিণা তাৰ কাষ চাপি আহিল।

জেৰিণাৰ দেহৰ উত্তাপখিনি সৰ্বানন্দই ভালকৈয়ে অনুভৱ কৰা যেন লাগিল। সি পিছফালে থিয় হৈ থকা জেৰিণাৰ হাত এখন নিজৰ হাতৰ মুঠিলৈ আনি আলফুলকৈ পিহি দি কলে: জমিৰ পেহা বুঢ়া হৈছে। বুঢ়া মানুহ অলপ পৰিশ্ৰমতে দুৰ্বল হোৱাটো স্বাভাৱিক। পেহা সোনকালেই আৰোগ্য হৈ উঠিব। তুমি চিন্তা নকৰিবা।

একো নকৈ জেৰিণাই উচুপী দিলে।

সৰ্বানন্দই জেৰিণাৰ চকুলৈ চাই কলে: তোমাৰ কি হৈছে ?

এইবাৰো একো নকলে জেৰিণাই। তাই উচুপি থাকিল।

সৰ্বানন্দ বহাৰপৰা থিয় হ'ল। জেৰিণাৰ দুগালেদি বাগৰি অহা চকুপানীখিনি মচি দিলে: ছিঃ জেৰিণা, তুমি এনেকৈ কন্দা-কটা কৰা বুলি জানিলে জমিৰ পেহাই বৰ আঘাত পাব। এনেকৈ কান্দিবলৈ তোমাৰ কি হৈছে জেৰিণা!

জেৰিণাই এইবাৰ শোক-শোকাই কান্দি দিলে: মোৰ একো হোৱা নাই। কিন্তু মোৰ বৰ ভয় লাগিছে। মোৰ···বৰ···ভয়··· লাগিছে···

: ভয় লাগিছে ! কিয় ?

: বাবাজান বোধহয় আৰু বেছিদিন নাবাচিব। বাবাজানৰ কিবা এটা হৈ যোৱাৰ পিছত মোৰ কি দশা হ'ব দাদা ? মই কাৰ আশ্ৰয়ত থাকিম ? মা কাৰ আশ্ৰয়ত থাকিব ?···

: ছিঃ—কি অমংগলীয়া কথাবোৰ মনলৈ আনিছা। পেহাই তোমাক এৰি গলেও তুমি আনৰ ওচৰলৈ আশ্ৰয় বিচাৰি যাব নালাগে। তোমালোক সুন্দৰ আৰু মোৰ আশ্ৰয়ত থাকিবা। আমি তোমালোকক আশ্ৰয় দিম।

: আপুনি আমাক···মোক···আশ্ৰয় দিব দা-দা—

: দিম।

: দা—দা—। জেৰিণাই সৰ্বানন্দৰ ভৰিছুটা সাৱটি ধৰিলে।

চাঁট কৰে সৰ্বানন্দৰ চকুৰ আগত মীনাক্ষীৰ মুখখন ভাঁহি উঠিল।··· আকৌ সি যেন শুনিবলৈ পালে সেই অট্টহাস্য—অহিন্দু ছোৱালী এজনীৰ লগত সম্পৰ্ক ৰাখি, তুমি অকল জমিৰ আলি, চৈয়দবাৰী বা ৰূপহীৰেই অন্যায় কৰি এৰা নাই, তুমি গোটেই জাতিটোৰ প্ৰতি অন্যায় কৰিছা। তুমি, তুমি এটা ভণ্ড ! কামুক !!

সৰ্বানন্দই জেৰিণাৰ হাতৰ কৱলৰপৰা ভৰি ছুটা আঁতৰাই আনিলে।

পৰিবেশটো তাৰ বৰ অস্বাভাৱিক অস্বাভাৱিক লাগিল। কোনো দিনে জেৰিণা তাৰ ওচৰত এনেদৰে ছুৰ্বল হোৱা নাছিল। আজি কিয় এনে হ'ল। তাই এনেদৰে ছুৰ্বল হ'বলৈ হলে, দামোদৰ দত্তইতে আকৌ এটা নতুন সুযোগ গ্ৰহণ কৰিব।

···তাই এনে হ'বলৈ হলে জমিৰ পেহা—কণকা পেহীৰো অনিষ্ট হ'ব।

···ইয়াৰ প্ৰতিক্ৰিয়াই হয়তো শ্ৰীশংকৰ কলা-ক্ষেত্ৰকো স্পৰ্শ নকৰাকৈ নাথাকে।

: উঠা জেৰিণা।—সৰ্বানন্দই জেৰিণাৰ ছুবাহুত ধৰি তুলি দিলে।

জেৰিণা থিয় হৈ তলমূৰ কৰি থাকিল।

সৰ্বানন্দই[1] খোজ আঁতৰাই আকাশৰ ৰংখিনিলৈ চাই চাই জপনাৰ কালে আঁতৰি গ'ল।

চৈয়দবাৰীত কণকা পেহীয়ে তেতিয়া কোনোবা এখন তাঁতৰ পাতত বহি কাপোৰৰ আগত ডুবীৰ দেৱদাসী নৃত্যৰ বিশেষ ভংগী এটা ধৰি ৰাখিবলৈ যত্ন কৰিছিল। তেওঁৰ মনত পৰিছিল সৰ্বানন্দলৈ। ল'ৰাটো থকা হ'লে ক'ৰবাত কিবা কেনা লাগিছে নেকি চাই দিব পৰিলেহেঁতেন...

জমিৰ পেহাই তেতিয়া নঙলাৰ খুঁটাটোত ধৰি দীঘলীয়া বাটটোলৈ চাই আছিল। হাতুৰী-বটালী কেইটা লৈ ল'ৰা-ছোৱালীহাল এতিয়াও নাপালেহি চোন! ● ● ●

আঠ।

দিনক দিনে ৰূপহী আলি অঞ্চলটো উৎসৱমুখৰ হৈ উঠিল।

অনুষ্ঠিত হ'বলগা শংকৰী মেলালৈ আৰু বেছি দিন নাই।

ভালে কেইজন শিল্পীৰ নানান জ্যোতি-চিত্ৰ, বিবিধ ৰেখা-চিত্ৰ, ভালেখিনি শংকৰী সংস্কৃতি প্ৰকাশৰ মূৰ্তি ইতিমধ্যে সৰ্বানন্দইঁতৰ হাতত পৰিলহি। মাজুলীৰ সত্ৰৰপৰাও ভালেখিনি সম্পদ ৰূপহীলৈ আহিল।

এই ক্ষেত্ৰত বিশেষভাৱে সঁহাৰি জনাইছে বৰপেটা সত্ৰই। শৰাই কেইখন, নানান সত্ৰীয়া সামগ্ৰী, তেতিয়াৰ নামঘৰটোৰ অনুমানিক চিত্ৰ, লগে লগে চিত্ৰ ভাগৱত···

স্থানীয় বাইজৰো প্ৰায়খিনি কামেই সমাপ্তিৰ পথত।

পাৰিজাত হৰণ অংকৰ অথবা সমাপ্ত।

সমাপ্তিৰ পথত—নানা সত্ৰীয়া নাচৰ অথবাও।

জেৰিণাই যেন তাহানিৰ চিত্ৰলেখা ৰূপ ললে। মহুৰা মাকোৰে কাপোৰত বাচি পেলালে শংকৰদেৱৰ কীৰ্তনত বৰ্ণিত বিষ্ণুৰ চতুৰ্বিংশতি অৱতাৰ। আকৌ আৰম্ভ কৰিছে প্ৰহ্লাদ চৰিত্ৰ।

জ্যোতিমালাই গোটেই নামঘোষাখনকে তুলি পেলালে কাপোৰৰ আগত।

জমিৰ পেহাৰ কামো প্ৰায় শেষ।

হেঙুল-হাইতালৰ কামখিনি বাকী আছে মাত্ৰ। বুঢ়াৰ দেহা ভাল নহয়। দেহা ভালে থকা হলে কাহানিবাই সকলো কাম শেষ কৰি পেলালেহেঁতেন।

সকলোৰে মনত নতুন উদ্যম। মনত আকাশৰ ৰং সানি সকলো আগবাঢ়িছে।

উদ্যমৰ মাজতে চিন্তাত পেপুঁৱা লাগিব লগা হৈছে সৰ্বানন্দ আৰু সুন্দৰৰ।

কামৰ হেঁচা বাঢ়ি যোৱাৰ লগে লগে পুঁজি সংগ্ৰহত পিছপৰি যাব-লগা হৈছে। সংগৃহীত পুঁজিও মেলাৰ প্ৰাথমিক আয়োজনতে অন্ত প্ৰায়। আনহাতে বাৰে বাৰে খবৰ কৰিও চৰকাৰী ঘোষিত সাহায্যখিনি পোৱা নাই। বিষয়া সকলে কৈছে—হ'ব, পাব, আহি আছে, মন্ত্ৰীৰ চহীটো বাকী মাত্ৰ!

কিন্তু কাহানিকৈ মন্ত্ৰীয়ে চহী কৰিব, কাহানিকৈ শ্ৰীশংকৰ কলা-ক্ষেত্ৰই সাহায্যখিনি পাব!

যদি·কেইহাজাৰমান টকাৰ বাবে গোটেই আয়োজনটো অকৃতকাৰ্য্য হ'বলগা হয়?

যদি চৰকাৰৰ সাহায্যখিনি শেষ পৰ্য্যন্ত পোৱা নাযায়?

যদি দামোদৰ দত্তৰ দলটোৱে এই দুৰ্বলতাৰ সুযোগ লয়?

অসংখ্য 'যদি'য়ে আহি সৰ্বানন্দ আৰু সুন্দৰক আগুৰি ধৰিলেহি। এতিয়া কি হ'ব? কি কৰা যাব? সৰ্বানন্দইত পুঁজি সংগ্ৰহত লাগিবনে সাংস্কৃতিক সমল সংগ্ৰহত লাগিব?

চিন্তাৰ মাজেদিয়েই তিনি-চাৰি দিন মান অতিবাহিত হ'ল।

চিন্তা-সাগৰত ডুবি থাকোতেই এদিন জেৰিণাই আহি খবৰ দিলেহি সিহঁতক জমিৰ পেহাই মাতিছে।

জমিৰ পেহাই মাতিছে? কিয়? পেহাই গা ৰৰকৈ বেয়া পাই অহা নাইতো?

চপলিয়াই দুয়োটা জমিৰ পেহাৰ ঘৰ পালেগৈ।

পেহা তেতিয়া বিচনাত। আজি কেই দিনমানৰপৰা ভেওঁ বৰ দুৰ্বল হৈ পৰিছে। কণকা পেহীয়ে হাতখনত নধৰিলে ভেওঁ বাহিৰ-ভিতৰেই কৰিব নোৱাৰা অৱস্থা। ইকালে তেওঁৰ লগত লাগি থাকিব লগা হোৱাত কণকা পেহীৰো তালেখিনি কাম পিছপৰি গৈছে।

: শংকৰ-মাধৱৰ কাম শেষ কৰিলোঁ। দিনক দিনে গাটো বৰ বেয়া

পাই আহিছোঁ অ' বোপাইহঁত। নিজে যাব নোৱাৰি সেয়েহে তহঁতক মাতি পঠালোঁ।

: পেহা···।—পেহাৰ কথা শুনি সৰ্বানন্দৰ মনটো বৰ সেমেকি আহিল। সি তেওঁৰ বিচনাতে বহি লৈ আলফুলকৈ তেওঁৰ কপাল-খনকে পিহি দিলে।

সৰ্বানন্দহঁতে কিবা এটা ক'বলৈ পোৱাৰ আগতে আকৌ জমিৰ পেহাই মাত দিলে—

: চৰকাৰৰ ঘৰৰপৰা একো খবৰ পোৱা নাই হ'বলা?

: পেহা, নাই পোৱা।

: তেনেহলে এতিয়া কি কৰ? হাতত পা-পইচা কিমান আছেগৈ?

: পা-পইচা বুলিবলৈ হাতত নায়েই। আমি বৰ বিমোৰত পৰিছোঁ। কেইহাজাৰ মান টকাৰ বাবেই যদি গোটেই আয়োজনটোৰ এতিয়াই সমাপ্তি ঘটাবলগা হয়, বৰ দুখৰ কথা হ'ব।

জমিৰ পেহাই ক্ষীণ দৃষ্টিৰে এবাৰ সৰ্বানন্দলৈ আৰু এবাৰ সুন্দৰলৈ চালে। দেহা ল'বাহাল—চিন্তাত মুখ শুকাই আহিছে।

দুৰ্বল দেহাটোৰে তেওঁ বিচনাতে বহিল। সৰ্বানন্দই ধৰি-মেলি সহায় কৰি দিলে।

গাৰুৰ তলৰপৰা সৰু বাকচ এটা উলিয়াই আনিলে।

সৰু বাকচটো হাতত লৈ জমিৰ পেহাই কৈ গ'ল—

: দামোদৰ দত্তহঁত বিজিৎ চৌধুৰীৰ লগ লাগিছে বুলি শুনিয়েই শেষ পৰ্য্যন্ত যে তহঁতে চৰকাৰী সাহায্যখিনি নাপাবিগৈ, সেই কথা মই তেতিয়াই বুজিছিলোঁ। আৰু এনে শংকট মুহূৰ্তত ৰূপহী বা চৈয়দ-বাৰীৰো কোনোবাই যে তহঁতক সহায় কৰিব, সেই আশা কৰা নাযায়।

: আমি আকৌ এবাৰ বাইজৰ কথাবোৰ জনাই চোৱা কথা ভাবিছো। চৰকাৰৰ ওচৰলৈ দলে-বলে যোৱাৰ কথা ভাবিছোঁ।—জমিৰ পেহাৰ কথাৰ মাজতে সুন্দৰে কলে।

জমিৰ পেহাই কোটৰগত চকুৰে আকৌ এবাৰ সৰ্বাঙ্গৰলৈ, এবাৰ সুন্দৰলৈ, আৰু এবাৰ হাতত থকা সৰু বাকচটোলৈ চালে।

শেষবাৰ কণকা পেহীৰ শুকান মুখখনলৈ চাই কৈ গ'ল—

: জনাবি আৰু কি…যাবি আৰু কি? এই মুহূৰ্তত জনালে বা গলে একো নহ'ব।

…ভাল কাম কৰিলে মানুহে মানুহক সদায়েই বেয়া পাই আহিছে। তইঁতকো যে তলে তলে বহুত মানুহে বেয়া পাবলৈ লৈছে, সেই কথাৰ ওমান মই পাওঁ। তইঁতক ভাল পাওঁ বাবেই আজি চৈধ্যসবাৰ্ষীত মই অকলশৰীয়া। মুখে আটায়ে লটপট কৰে যদিও ভিতৰি আটাই-বোৰবে কপট। · মই যেন সকলোৰে শত্ৰুক। জীৱনত বহুত কিবা কিবি কৰিম বুলি ভাবিছিলোঁ। যদিও কাৰো পৰা একো সুযোগ-সুবিধা নাপালোঁ। তইঁতেও নাপাৱ। নোপোৱাটোৱেই স্বাভাৱিক।

··আৰু কিবা কৰিব পাৰিবি, কাৰোপৰা একো নোপোৱাকৈ থাকিলেহে।

…কিবা এটা নোপোৱাকৈ থাকিলেহে।

…কিবা এটা পাবলৈ হেঁপাহ এটা থাকিলেহে, জীৱনত কিবা-এটা কৰিব পৰা যায়, জীৱনৰ প্ৰকৃত সোৱাদটো পোৱা যায়। কাৰো-পৰা একো নাপালেও তইঁতে পিছে নিজৰ কৰ্ত্তব্যখিনি কোনো দিনে নকৰাকৈ নাথাকিবি।

…এতিয়া টকা যদি নাপাৱ তেনেহলে মেলাখন পাতিবলৈ নোৱাৰিবি। ইকালে মেলাখন পাতিব নোৱাৰিলেও শত্ৰুৱে তইঁতক লঘু কৰিব। তইঁতক এই বিপদত সহায় কৰিবলৈও—ধনৰ নামেৰে মোৰ হাতত ফুটা কড়ি এটাও নাই। ইকালে বিপদত পৰিবলৈও তইঁতক এৰি দিব নোৱাৰি। পেহীয়েৰক পিতাম বুলি গঢ়ালোঁ।—পিছে পেহীয়েৰৰ পিতাৰ ভাগ্য নঘটিল। তাৰ পিছত ভাবিলোঁ—জেৰিপাক! পিছে…হোঁ…ল—বাকচটো।

জমিৰ পেহাই সক বাকচটো মেলি সৰ্বানন্দ আৰু সুন্দৰৰ কালে আগবঢ়াই দিলে।

বাকচৰ ভিতৰত চিক-মিকাই থকা সোণৰ অলংকাৰখিনি দেখি সৰ্বানন্দৰ টেটুটো শুকাই আহিল।

সুন্দৰে কি ক'ব কি নক'ব একো ভাবি নাপায় পেহা পেহা কৰি থাকিল।

সৰ্বানন্দৰ হাতখনত ধৰি বাকচটোত লগাই দি জমিৰ পেহাই কলে—

: ল···। ভাবি-চিন্তি থাকিব নালাগে। আজি এইখিনিৰ মূল্য অতি কমেও দহ হাজাৰ টকা হ'ব। দহ হাজাৰ টকা পালে মেলাখনৰ কাম সম্পূৰ্ণ হ'বগৈ কিজানি···

: কিন্তু, জেৰিণাৰ ভবিষ্যত···

থুকাথুকি মাতেৰে কোৱা সৰ্বানন্দৰ কথাষাৰ বন্ধ কৰি জমিৰ পেহাই কলে—

: সোণৰ অলংকাৰখিনি জেৰিণাৰ ভবিষ্যত নহয়। জেৰিণাৰ ভবিষ্যত তইঁতহে। মোৰ অবিহনে তাইৰ আৰু মাকৰ দায়িত্ব তইঁতৰ হাতত।

: পেহা···।—সৰ্বানন্দৰ হুচকুৰেদি লোতক বাগৰি আহিল। এই মানুহজনৰ বুকুত ইমান মহানুভৱতা থাকিব পাৰেনে? এওঁ মানুহ নে দেৱতা!

সৰ্বানন্দই জমিৰ পেহাৰ ছুভৰিত সাৱট মাৰি ধৰিলে।

আকৌ জমিৰ পেহাই কলে: ল-ল সবাই, বাকচটো লৈ ভই উভাৰ হ। জানিবি, এবাৰ গুৰু হুজনাৰ নামত আগবঢ়োৱা বস্তু মই আৰু ঘূৰাই নলওঁ।

কঁপা হাতেৰে সৰ্বানন্দই জমিৰ পেহাৰপৰা বাকচটো ললে।

: এতিয়া কামে-কাজে যাইক বোপাই। পেহাৰে অশেষ কষ্ট কৰি কাঠেৰে গুৰু হুজনাক সাজি থৈছে। সময় পালে লৈ যাবিহি। পেহাৰ

কিজানি সোঁ-শৰীৰে আৰু ৰূপহীলৈ যাব নোৱাৰিব। বাচি থাকিলে তইঁত পেহাবৰ মনটোহে পাবি।

কথাখিনি কৈ কণকাপেহীয়ে শোক-শোকাই কান্দি পেলালে।

সৰ্বানন্দ আৰু সুন্দৰ ৰূপহী পালেহি।

ঘৰ পায়ে সৰ্বানন্দই মনৰ আবেগ দমাব নোৱাৰি কলে—

: সুন্দৰ খোলটো লোৱা। জেৰিণাই তানপুৰাখন ধৰিবা। জ্যোতিয়ে মন্দিৰা সংগত কৰিব। মোৰ আজি বৰ ভাল লাগিছে। মই বৰগীত এটা গাওঁ।

সৰ্বানন্দৰ কণ্ঠত অপূৰ্ব সুৰ বাজি উঠিল—

কৈছে নৰ-হৰি তৰণ উপাই।
নাশ সকল কৈলো বিষম লোভাই॥
অথিৰ জীৱন-ধন-যৌৱন দেহ।
সুহৃদ সোদৰ সুত কিছু নোহে কেহ॥

* * *

শংকৰী মেলাৰ কাম পূৰ্ণ গতিত চলি আছে।

প্ৰদৰ্শনীৰ পূৰ্ণ আয়োজন হৈছে। প্ৰদৰ্শনীখনেই মেলাখনৰ প্ৰধান আকৰ্ষণ। শ্ৰীশংকৰ কলা-ক্ষেত্ৰৰ উপাৰ্জনৰ প্ৰাৰম্ভিক পথ। গতিকে প্ৰদৰ্শনীখন উচ্চ মানৰ হ'বই লাগিব।

জমিৰ 'পেহাৰ অবিহনে সাহসৰ কিছু অভাৱ হলেও সুন্দৰে প্ৰদৰ্শনীৰ পূৰ্ণ দায়িত্ব লৈ কামৰ তদাৰক কৰিছে। ৰূপহীৰ প্ৰতিটো চ'ৰা ঘৰ সামগ্ৰীৰে সজাই পেলাইছে। অৱশ্যে বাহিৰৰপৰা আহিব লগা শ্ৰেষ্ঠ সত্ৰীয়া সংস্কৃতিৰ আকৰ্ষণসমূহ এতিয়াও ৰূপহী পোৱাহি নাই। সকলোৱেই আশা কৰিছে খুব সোনকালেই সেইখিনি পাবহি।

শেষ পৰ্য্যন্ত সৰ্বানন্দই দুজনা গুৰুৰ নামত জমিৰ পেহাই আগবঢ়োৱা অলংকাৰখিনি বেচাৰ কথা নাভাবিছিল, কিন্তু···

মানৰ বস্তু যথাস্থানত লগাৰ লাগে।

গুৰু দুজনৰ নামত উচৰ্গীত এই বস্তু কেইপদ যথাস্থানত লগোৱা

বুলি জানিলে জমিৰ পেহাই বৰ বেয়া পাব। হয়তো মৃত্যুৰ পিছতো তেওঁৰ আত্মা অশান্ত হৈ থাকিব।

অলংকাৰখিনিৰ বিনিময়ত সৰ্বানন্দৰ হাতলৈ ন-হাজাৰ টকা আহিল। জমিৰ পেহাৰ দানেৰে যেন ৰূপহী আলি ন-সাজেৰে সাজ খাই পৰিব।

...এই কেইদিন যেয়ে ৰূপহীলৈ আহিছে, সেয়ে ভাবিছে বাইজে শংকৰী সংস্কৃতি মেলাখন চাই বৰ ভাল পাব। ৰূপহীৰ এইখন মেলাতে অসমৰ সত্ৰীয়া সংস্কৃতিৰ সম্যক প্ৰকাশ ঘটিব। ৰূপহীৰ ব্যস্ততা দেখি এই কেইদিন মানুহৰ মনত এনেহে ভাব হৈছে যে, অসমত একোৰে অভাব নাই। অসমত সকলো কামৰ বাবে মানুহ আছে, মাত্ৰ মানুহ নাই নেতৃত্ব লোৱাৰ, মানুহ নাই গা-খাটি দিয়াৰ।

কিন্তু ক্ৰমে ক্ৰমে দিন সলনি হৈ আহিছে। এজন-দুজনকৈ অসমত নেতৃত্ব লোৱাৰ মানুহ ওলাইছে। ইজন সিজনকৈ গা-খাটি দিবৰ বাবে আগবাঢ়ি আহিছে.।

সৰ্বানন্দ আৰু সুন্দৰৰ কামত যেন সকলো পঞ্চমুখ।

...এনেতে...

আকৌ এবাৰ দামোদৰ দত্ত, ৰূপায়ণ মেধি আৰু শিঙৰা ভকতৰ দলটো এম. এল. এ. বিজিৎ চৌধুৰীৰ সাহসেৰে সাহসী হৈ, সৰ্বানন্দৰ চৰম অনিষ্ট সাধন কৰিবৰ বাবে, শংকৰী মেলাৰ সমস্ত আয়োজনত বিঘিনি কৰিবৰ বাবে উঠিপৰি লাগিল। তেওঁলোক শেষ অস্ত্ৰপাত প্ৰয়োগ কৰিলে—

...ৰূপহীৰ ধৰ্ম গ'ল, সমাজ গ'ল, ৰূপহী আলিৰ আটাইবোৰ নোহোৱা হ'ল...

...বাহিৰখন চিকমিকাই থাকিলে কি হ'ব? ৰূপহীৰ ভিতৰখন আজি তেনেই গেলি যোৱা। এই মেলা কোনো দিনে দুগুণাব, এই মেলাৰ দুগুণাই ৰূপহীক ভৱিষ্যতে খুলি খুলি খাব।

এইবোৰ কথাৰে দামোদৰ দত্তৰ দলটোৱে সকলোৰে মনত কৌতূহল জন্মাই দলে। সকলোৰে মন আকৰ্ষণ কৰি ললে।

পিছত তেওঁলোক আচল কথালৈ আহিল।

ৰূপহী আলি আৰু চৈয়দবাবীত ডাঙৰ ডাঙৰ পোষ্টাৰ মাৰি জনাই দিলে—জমিৰ আলিৰ ছোৱালীজনী সৰ্বানন্দৰ দ্বাৰা সন্তান সম্ভৱা।

কথাষাৰে সৰ্বানন্দৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰিলে।

প্ৰতিক্ৰিয়াৰ সৃষ্টি নহ'ল জেৰিণাৰ মনতো।

জমিৰ পেহা আৰু কণকা পেহীকো এইবোৰ কথাই চুবলৈ নোৱাৰিলে।

চৰম প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল ৰূপহী আৰু চৈয়দবাবী উভয় অঞ্চলৰ বাইজৰ মনত। গ্ৰাম্য মানসিকতাৰ বাবে···গোকাট মিছাকো সঁচা বুলি বাইজ প'তিয়ণ গ'ল···বাইজ উৰা-বাতৰিত কাণ নিদিয়াকৈ থাকিব নোৱাৰিলে। বাইজৰ মন প্ৰগতিমুখী···উদাৰ···নহ'ল···

এই একেটা কথাৰেই গোটেই অঞ্চলটো তল-ওপৰ হ'ল।

এই একেটা মাত্ৰ কথাই সকলোৰে মুখে মুখে—যেন দিনেই ৰাতি হ'ব, ৰাতিয়েই দিন হ'ব। মুছলমানৰ ছোৱালী হিন্দুৰ ঘৰত বোৱাৰী।

দামোদৰ দত্তৰ দলটোৱে বাইজক বুজাই দিলে—

মুছলমানৰ ছোৱালী হিন্দুৰ ঘৰত বোৱাৰী—অসম্ভৱ কথা। নগৰৰ বিজতৰীয়া সমাজত এইবোৰ সম্ভৱ হ'ব পাৰে। কিন্তু আমাৰ ইয়াত নহয়। আমাৰ গাঁৱত এইবোৰ অসম্ভৱ! আমি সমাজ পবিত্ৰতাৰ মাজত থাকিবলৈ বিচাৰো। আমি আমাৰ গাঁৱত এইবোৰ ব্যভিচাৰ কৰিবলৈ এৰি দিব নোৱাৰো। আমি এইবোৰ বন্ধ কৰিবই লাগিব··· ইয়াৰ প্ৰতিকাৰ কৰিবই লাগিব···

কথা শুনি ৰূপহী আলিৰ গঞা-বাইজ বিমোৰত পৰিল। তেওঁলোকে দামোদৰ দত্তইতক অবিশ্বাস কৰিব নোৱাৰিলে। কথাবোৰ হয় চাগে, নহলেনো ওলাল নে?

অৱশেষত আগৰেপৰা সৰ্বানন্দইঁতক সমৰ্থন কৰি থকা কপাহীৰ কোনো কোনোৱে ভাবিবলৈ ধৰিলে, ইয়াক আৰু নামঘৰত সোমাবলৈ দিব নোৱাৰি। ইয়াক গাঁৱৰপৰাই বাহিৰ কৰি দিয়া কথা, পিছে এবিবোৰ নহ'ল ধৰিবৰো নহ'ল। মেলাখনৰ আয়োজ সম্পূৰ্ণপ্ৰায়। সৰ্বানন্দক বা সুন্দৰক এইখিনি সময়ত গাঁৱৰপৰা পঠায় দিবলৈ হলে সকলো বন্ধ হৈ যাব। কিন্তু ইমানবোৰ আয়োজন কৰি, ইমানখিনি খৰচ কৰি আয়োজনটো বন্ধ কৰা যায় কেনেকৈ ?...

...মেলাখন যেনেতেনে কৰি হৈ যাওক। তাৰ পিছতে ইহঁত আটাইবোৰকে ইয়াৰপৰা পঠায় দিব লাগিব। এইবোৰ বৰ বেয়া কথা! এইবোৰ বৰ অন্যায় কথা!

ইমানবোৰ কথা শুনিও সৰ্বানন্দ নিৰ্বিকাৰ হৈ থাকিল।

সুন্দৰৰ মনটোৱে কিন্তু নসহিলে। সি বাইজক বুজাবলৈ যত্ন কৰিলে—

...এইবোৰ মনে-পতা কথা, এইবোৰ গোকাট মিছা কথা! এইবোৰ ৰাজনীতিকৰ দগবাজী। ধৰ্মীয় সংকীৰ্ণতা আৰু সম্প্ৰদায় বিদ্বেষৰ পক্ষপাতেৰে বাইজক বিভ্ৰান্ত কৰিব খুজিছে মাত্ৰ।...এই দগাবাজী যুগ যুগৰপৰা চলি আহিছে। ৰাইজ এইবোৰৰপৰা মুক্ত হওক...বাইজে উৰা-বাতৰিক বিশ্বাস নকৰি প্ৰমাণ লওক ..যুক্তিত বিশ্বাস কৰক।

কিন্তু সুন্দৰ অকৃতকাৰ্য্য হ'ল। গ্ৰাম্য-মানসিকতাই সদায় উৰা-বাতৰিকহে বিশ্বাস কৰে। গ্ৰাম্য-মানসিকতাৰ ওচৰত যুক্তিৰ পাছিটো যেন সদায় আবৰ্জনাৰ পাছিহে।

এই অসুস্থ বাতাবৰণৰ মাজেদিয়েই দিন আগবাঢ়ি গৈ শংকৰী মেলাৰ দিনটো পালেহি।

যিমানখিনি খৰচ কৰি মেলাখন যেনেদৰে আয়োজন কৰা হৈছিল, সৰ্বশেষত দেখা গ'ল যে মেলাৰ আকৰ্ষণ তেনেদৰে নাবাঢ়িল। স্থানীয় যিখিনি আছিল বা স্থানীয়ভাৱে যিখিনি কৰা হৈছিল, সৰ্বানন্দইঁতে কপালৰ কেঁচা ঘাম মাটিত পেলাই যিখিনি সংগ্ৰহ কৰি আনিছিল,

শেষত সেইখিনিয়েহে মেলাৰ যি অলপ আকৰ্ষণ বঢ়ালে। বাহিৰৰ-পৰা যিমানখিনি সহায় পোৱাৰ আশা কৰা গৈছিল, যিমানখিনি সহযোগৰ প্ৰতিশ্ৰুতি আহিছিল—শেষপৰ্য্যন্ত সেইখিনি সহায়-সহযোগ যি কাৰণেই নহওক পোৱা নগ'ল। মাত্ৰ জনদিয়েক চিত্ৰ শিল্পীয়ে ভাল সহযোগ আগবঢ়ালে।

ভবামতে জনসমাগমো নহ'ল।

প্ৰদৰ্শনীৰ দৰ্শনীয় হাৰৰপৰা হাজাৰহে নালাগে শও উঠিবনে নুঠে সন্দেহ।

…গোটেই অনুষ্ঠানটোৰ অন্যতম আকৰ্ষণ জমিৰ পেহাই গঢ়ি দিয়া শংকৰ-মাধৱৰ কল্পিত মূৰ্তি। মূৰ্তি কেইটা দেখিলে সকলোৰে শিৰ নত হৈ যায়! প্ৰকৃততে ইয়াত কিবা যেন কিবা এটা অপূৰ্ণতাৰ সমাবেশ ঘটিছে।

…জমিৰ পেহাই গঢ়ি দিয়া মূৰ্তি কেইটা দেখিলে এনেহে লাগে যেন দুজনা গুৰু আজি সেঁা-শৰীৰে ৰূপহীত বিদ্যমান।

আশা-নিৰাশাৰ মাজেদিয়েই প্ৰথম দিনটোৰ সমাপ্তি ঘটিল।

…আৰম্ভ হ'ল দ্বিতীয় দিন।

…দিনটোৰ অন্তত আৰম্ভ হ'ল নিশাৰ কাৰ্য্যসূচী।

—সৰ্বানন্দৰ বহু কল্পিত জাতীয় তথা সত্ৰীয়া সংস্কৃতিৰ বিচিত্ৰানুষ্ঠান ৰূপহীৰ শংকৰী মেলাৰ প্ৰধান আকৰ্ষণ।

সময় আগবঢ়াৰ লগে লগে আৰম্ভ—জেৰিণা-জ্যোতিৰ কণ্ঠৰ এটি বৰগীতেৰে অনুষ্ঠানৰ দুৱাৰ মুকলি।

তাৰ পিছত ৰূপহীৰ নৃত্য নাটিকা—কেলী গোপাল।

সুন্দৰীদিয়াৰ চালি…

তাৰ পিছত, গড়মূৰৰ বাস…

শিল্পী গজেন বৰুৱাৰ সূত্ৰধাৰী…

আকৌ মঞ্চৰ আঁৰকাপোৰ আঁতৰি গ'ল।

…অন্ধকাৰ মঞ্চৰ মধ্যম স্থানত সুনিয়ন্ত্ৰিত আলোক-সম্পাতত জিলিকি উঠিল দুখন মুখ, ৰাধা-কৃষ্ণৰ যুগল মূৰ্তি।

অসমীয়া নৃত্যৰ ঐতিহ্য ৰাখি পোহৰৰ এটি বৃত্তৰ ভিতৰত আৰম্ভ হ'ল উদ্দাম লয়েৰে ৰাধা-কৃষ্ণৰ যুগল নৃত্য।

…অপূৰ্ব লয়।

…অপূৰ্ব মুদ্ৰা প্ৰকাশ।

…অপূৰ্ব অভিনয় সংযোজনা।

কিন্তু কোনে পৰিবেশন কৰিছে এই যুগল নৃত্য ?

সৰ্বানন্দ আৰু জেৰিণাই। বাদ্য সংযোজনা সুন্দৰ আৰু জ্যোতিমালাৰ।

সেই সময়ত সকলোৱে পাহৰি গ'ল—সৰ্বানন্দৰ লগত যে সেইজনী মুছলমান ছোৱালী—সকলোৱে পাহৰি গ'ল যে এজনী অবৈষ্ণৱী ছোৱালীয়ে বৈষ্ণৱী মঞ্চত ৰাধাৰ ৰূপ লৈছে বুলি। সকলোৱে যেন পাহৰি গ'ল এইজনী চৈয়দবাবীৰ জমিৰ আলিৰ ছোৱালী বুলি।

নাচ শেষ কৰি জেৰিণা মঞ্চৰপৰা নামি আহিল।

সৰ্বানন্দ নামিবলৈ লৈছিলহে মাত্ৰ, এনেতে ধুমুহাৰ দৰে চৈয়দ-বাবীৰ ল'ৰা এটা সৰ্বানন্দৰ কাষ চাপি আহিল : দাদা—দা…দা…

সৰ্বানন্দ মঞ্চৰপৰা নামি আহিল : কোৱা।

কঁপা কঁপা মাতেৰে ল'ৰাটোৱে কলে : জমিৰ দাইটিৰ বৰ টান অসুখ। আপোনাক আৰু জেৰিণা বাইটিক বেপাই মাতিছে।… খুৰীটিয়ে বৰ কন্দাকটা কৰিছে। দাইটিৰ কি হয় ক'ব নোৱাৰি।

: কি হৈছে—দাদা, বাবাজানৰ কি হৈছে ?—উধাতু খাই জেৰিণা সৰ্বানন্দৰ কাষ চাপি আহিল।

সৰ্বানন্দই আন একো নকৈ সোনকালে তাইক কাপোৰ সলাবলৈ কলে আৰু সুন্দৰ, জ্যোতিমালাক ওচৰলৈ মাতি আনি নিৰ্দেশ দিলে : এই মুহূৰ্তত জমিৰ পেহাৰ গা-বৰকৈ বেয়া কৰিছে বুলি খবৰ পালোঁ। মই আৰু জেৰিণা চৈয়দবাবীলৈ যাওঁ। তোমালোক দুয়ো লগ লাগি

পিছৰ কাৰ্য্যসূচীখিনি চলাবা। চাবা যাতে ক'তো আঁৰ থাকি নাযায়।

জেৰিণা এক প্ৰকাৰ কান্দিকাটি বাউল হৈ পৰিল। তাইক লগত লৈ সৰ্বানন্দ চৈয়দবাবী পালেহি।

জমিৰ পেহাৰ ওচৰত এটা মুমাই মুমাই জলি থকা চাকি।

দুৱাৰখন লাহেলৈ মেলি সিহঁত ভিতৰ সোমাল।

: বাবা—জা···ন···

: পেহা···টি···

জকাটো মাথো অৱশিষ্ট লৈ বিচনাখনত পৰি থকা জমিৰ পেহাই গাটো লৰালে। যুৰটো ঘূৰাই ক্ষীণ দৃষ্টিৰে সিহঁতৰ ফালে চালে।

: আমি আহিছোঁ পেহাটি। গা কেনে পাইছা?—সৰ্বানন্দই সোধিলে।

জমিৰ পেহাই যেন হাঁহিবৰ চেষ্টা কৰিলে।

সৰ্বানন্দই পেহাৰ মুখলৈ চালে। চাই চাই সি তেওঁৰ মুখত যেন কিবা এটি দিব্যজ্যোতি দেখিবলৈ পালে। সেই জ্যোতিত যেন জিলিকি উঠিল এজন খনিকৰ মুখ, এজন সাধকৰ মুখ, এজন সমাজ-সংস্কাৰৰ মুখ!

সি পেহাৰ ওচৰ চাপি গ'ল।

জমিৰ পেহাই সোঁ-হাতখন ডাঙিবলৈ যত্ন কৰিলে।

সৰ্বানন্দই যুৰটো নি পেহাৰ হাতখনত লগাই দিলে।

সেহাই সেহাই জমিৰ পেহাই কলে—

: তহঁত, উপযুক্ত সময়ত পাইছহি। শুনিছোঁ তহঁতক লোকে বহুতে বহুত কিবা-কিবি কৈছে। তহঁতে হেনো হিন্দু-মুছলমানৰ ধৰ্ম নষ্ট কৰিবলৈ লৈছ?

···পিছে তহঁতে সিহঁতবোৰক বুজাই দিবি, হিন্দু ডেকা-মুছলমান ছোৱালী লগ লাগিলেই ধৰ্মটো নষ্ট হয়, বৰং এটা নতুন ধৰ্মহে দৃষ্টি হয়। যিটো ধৰ্ম হ'ব—বিশ্ব-ধৰ্ম, যিটো ধৰ্ম হব মানৱ-ধৰ্ম।

···মোৰ আজি বহুত কিবা-কিবি মনলৈ আহিছে।

…মনলৈ আহিছে পদ্মধৰ চলিহাৰ কবিতা—'দিয়াছো জননী তোমাৰ পুৰণি অমোঘ মন্ত্র-দান। সেৱো শ্রীচৰণ তৱ সন্তানে হিন্দু-মুছলমান।'

মনলৈ আহিছে অতুল হাজৰিকাৰ স্বপ্নপুৰীৰ কথা। মনত পৰিছে ভুবনচন্দ্র ফুকনৰ 'আল্লাহে তালা' কবিতাৰ কথা। এইবোৰ হিন্দু-মুছলমানৰ সম্প্রীতিৰ একোখন মনোৰম.চানেকি। তাতে যেন সৌ সিদিনা, আব্দুল চাত্তাৰে 'সম্প্রীতিৰ চানেকি' কিতাপেৰে তাতে বাৰৰি ফুল বাচিছে।

জমিৰ পেহা ৰ'ল।

জেৰিণাই গৰম গাখীৰ এচামুচ বাপেকৰ মুখত বাকি দিলে।

গাখীৰ চামুচ তপালি জমিৰ পেহাই কলে—

: যৌৱনৰ প্রাৰম্ভতে ময়ো এখন সম্প্রীতিৰ চানেকি সাজিবলৈ যত্ন কৰিছিলোঁ। হিন্দু ছোৱালী পেহীয়েৰক ঢোল-দগৰে মুছলমানৰ ঘৰলৈ বোৱাৰী কৰি আনিব বিচাৰিছিলোঁ। কিন্তু তেতিয়া মই সেই কাম কৰিব নোৱাৰিলোঁ।

যৌৱনৰ প্রাৰম্ভত কৰিব নোৱাৰা কামটো জীৱনৰ অন্তিম মুহূর্তত মই আজি কৰি যাম। মই আজি আকৌ এখন হিন্দু-মুছলমানৰ চানেকি গঢ়ি যাম।

জমিৰ পেহা আকৌ ৰ'ল।

এবাৰ সৰ্বানন্দৰ মুখলৈ, এবাৰ জেৰিণাৰ মুখলৈ আৰু এবাৰ কণকা পেহীৰ মুখলৈ চালে।

ক্ষন্তেকৰ নীৰৱতা ভাঙি আকৌ পেহাই কৈ উঠিল—

: মোৰ এটা কাম কৰিবলৈ বাকী আছে। সেই কামটো কৰি আজি মই যামগৈ।

জেৰিণা উচপ খাই উঠিল। 'বাবাজান' বুলি চিএৰ মাৰি দি তাই বাপেকক সাৱটি ধৰিলে।

জমিৰ পেহাই তাইৰ মুখটো পিছি দিলে: তোৰ বাবেহে মোৰ

চিন্তা এটা আছিল আই। আজি মই সেই চিন্তাৰ লেঠা মাৰি চিৰ-শান্তি লওঁ চাওঁ তোৰ হাতখন মোক দে আই···

জেৰিণাৰ হাতখন নিজৰ হাতৰ মুঠিলৈ অনাৰ পিছত জমিৰ পেহাই 'চাওঁ সবাই তোৰখনো দে' বুলি সৰ্বানন্দৰ হাতখন বিচাৰি আনিলে। আৰু দুয়োটাৰে হাত দুখন লগ লগাই নিজৰ হাতেৰে হেঁচি ধৰি কলে : আজি তহঁতৰ বিয়া! বেদ-মন্ত্ৰৰ কোনো প্ৰয়োজন নাই, প্ৰয়োজন নাই নিকাহ পঢ়াৰ। আজিৰপৰা তহঁত সংসাৰ বান্ধোনেৰে বান্ধ খালি। জীৱনৰ এই অন্তিম মুহূৰ্ত্তত আজি মই আকৌ এখন হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ চানেকী গঢ়িলোঁ।

: পে-হা··

সৰ্বানন্দই যেন ছাটি-ফুটি কৰি উঠিল। ছাট কৰে তাৰ মীনাক্ষীৰ মুখখনলৈ মনত পৰি গ'ল। জমিৰ পেহাই এয়া কি কৰিলে? সি যে কোনোদিনে জেৰিণাক এনে ভাৱেৰে ভবা নাছিল। কিন্তু অকস্মাতে .এয়া আজি কি হৈ গ'ল, সাধনাৰ লগৰী আজি জীৱন লগৰী হৈ পৰিল।

সৰ্বানন্দৰ ভাৱৰ অন্ত পেলাই জমিৰ পেহাই অতি ক্ষীণ মাতেৰে কৈ উঠিল—

: তই চিন্তা কৰিব নালাগে। উদাৰ অসমীয়া সমাজে তহঁতক নিজৰ বুকুত ঠাই নিদিয়াকৈ নাথাকে। ৰূপহী বা চৈয়দবাবাৰ ৰক্ষণশীল সকলে কথাবোৰ বুজা নাই। ভৱিষ্যতে এদিন নিশ্চয় বুজিব।

কণকা পেহীৰ চকুত চকু পৰাত সৰ্বানন্দই হুক-হুকাই কান্দি দিলে। কান্দি কান্দি সি পেহাৰ ওচৰৰপৰা উঠি গৈ পেহীৰ বুকুত সোমাল।

পেহীয়ে তাক সাৱট মাৰি ধৰি কলে : ঈশ্বৰে যি মতে বিধান দিছে সেই মতেই হ'ব। তই বেজাৰ নকৰিবি, পেহাক শান্তি দে। মোৰো বুকুখন যেন আজিহে শাঁত পৰিছে। আজিৰপৰাহে যেন তই মোৰ আচল পোৰ দৰে হলি···

এনেতে পেহাই কিছুমান অস্ফুট শব্দ উচ্চাৰণ কৰি অসহ্য বেদনাত ছটফটাই উঠিল।

: পেহা...।—সৰ্বানন্দ কণকা পেহীৰ বুকুৰপৰা ওলাই গ'ল।

: বা-বা জা-ন...।—জেৰিণা বাপেকক সাৱটি ধৰিলে।

—ক্ৰমে ক্ৰমে জমিৰ পেহা নিঃসাৰ হৈ আহিল।

..আৰু এসময়ত সৰ্বানন্দ, জেৰিণা আৰু কণকা পেহীৰ চকুৰ আগতে অনন্ত ধামলৈ গুচি গ'ল।

জেৰিণাই জমিৰ পেহাৰ নিশ্চল দেহাটোৰ ওপৰত যুৰটো ঠেটালী হুবাৰ বাৰে কান্দি দিলে।

কণকা পেহীৰ দুচকুৰেদিও দুধাৰ লোতক বাগৰি আহিল।

সৰ্বানন্দই এতিয়া কি কৰিব।

সি নিজকে কিছু সংযত কৰি ললে।

শোকত উদ্‌বাউল জেৰিণাক বাপেকৰ শ-টোৰপৰা আঁতৰাই আনি সৰ্বানন্দই তাইৰ চকুপানীখিনি ম'চি দি কলে: নিজৰ কৰ্তব্য কৰি ধাবাজান গ'লগৈ। যাবই। সময়ত তুমি, মই আটাইবোৰ যাব লাগিব। কান্দি লাভ নাই। পৃথিবীলৈ অহা আৰু পৃথিবীৰপৰা যোৱাটো সনাতন ধৰ্ম। পৃথিবীত সদায় কোনো থাকিব নোৱাৰে। মাথো মানুহে নিজ কৰ্মৰ দ্বাৰা পৃথিবীত নিজৰ গৰিমাখিনিহে এৰি থৈ যাব পাৰে। বাবাজানে নিজ কৰ্মৰ গুণে নিজৰ মহিমা, নিজৰ গৰিমা এৰি থৈ গৈছে। আমি এতিয়া কন্দাকটা নকৰি সেই গৰিমা প্ৰচাৰৰ বাবেহে দৃঢ়সংকল্প হব লাগে। বাবাজানক অমৰত্ব দিয়াটোহে এতিয়া আমাৰ কৰ্তব্য। সেই আশাৰেহে জীৱনৰ অন্তিম পৰত তেওঁ আমাক এনেদৰে একেডালি সূত্ৰত গাঁথি থৈ গৈছে।

লাহে লাহে কিছু স্থিৰ হৈ জেৰিণাই বাপেকৰ শটো বগা কাপোৰ এখনেৰে ঢাকি দিলে।

ভেতিয়া ৰাতি পুৱাও পুৱাও হৈছে।

.. ওচৰৰে কেইজনমান মানুহক জমিৰ পেহাক কবৰ দিয়াৰ দিহা

কৰিবলৈ কৰৰ ছানলৈ পঠায় দি, নিজে সৰ্বানন্দই শ-যাত্ৰাৰ বাবে মানুহ বিচাৰি ৰূপহীলৈ আহিবৰ বাবে দুৱাৰ মেলি বাহিৰ ওলাল।

জমিৰ পেহাৰ চোতালত ভৰি দিয়ে সি দেখিলে যে, কাহিলী কাহিলী পোহৰ ফালি কোনোবা কেইজনমান সেইফালে আহি আহিছে।

কোননো ?—প্ৰথমে সৰ্বানন্দই মাত লগালে।

: দা—দা, সকলো সৰ্বনাশ হ'ল।

: কি সৰ্বনাশ হ'ল সুন্দৰ।—সৰ্বানন্দৰ মনত আতংকৰ চাপ।

: মেলাৰ মূল মণ্ডপত কোনোবাই জুই লগাই দিলে।

: জু-ই লগাই দিলে।

: মঞ্চৰ কোনো বস্তুকে বচাব নোৱাৰিলোঁ। সকলো জুইত জাহ গ'ল!

সুন্দৰে আকৌ কলে: প্ৰদৰ্শনীৰো ভালেখিনি অমূল্য সম্পদ চুৰি হৈছে!

: দা—দা—! সুন্দৰৰ লগত অহা জ্যোতিমালাই অসহায়ত কান্দি দিলে।

সুন্দৰ, জ্যোতিমালা কাকো একো নকৈ সৰ্বানন্দ জমিৰ পেহাৰ শ-টোৰ ওচৰ পালেগৈ। ভৰি-পঠানত পৰি ভগা ভগা মাতেৰে কলে: তুমি মোক ক্ষমা কৰিবা পেহা। তুমি আমাক এৰি যোৱাৰ আগতে এই খবৰটো পাই যাব লাগিছিল। তেতিয়া হলে হয়তো তুমি মোক ক্ষমা কৰিব পাৰিলাহেঁতেন, তথাপি তুমি মোক ক্ষমা কৰিবা। তোমাৰ কল্পনাক হয়তো মই বাস্তৱত ৰূপ দিব নোৱাৰিম। হয়তো…হয়তো এই-বোৰ মানুহে এদিন মোক হত্যা কৰিব।

ধৈৰ্য্যৰ বান্ধ চিঙি সৰ্বানন্দই চিঞৰি কান্দি দিলে।

সৰ্বানন্দৰ তেনে অৱস্থা হোৱাত উপস্থিত আটাইকেইজনে হিয়া-ভাকুৰীৰলৈ ধৰিলে।

কান্দি কান্দি ভাগৰি পৰি কান্দোন সামৰি এবাৰ স্থিৰ কণ্ঠেৰে

সর্বানন্দই কৈ উঠিল : সুন্দৰ, জেৰিণা, মালা, পেহী—আৰু নাকান্দিবা। এতিয়া আমাৰ কন্দাৰ সময় নহয়। এতিয়া আমি সকলোকে সাহস দেখুওৱাৰ সময়। সুন্দৰ বলা, আমি ৰূপহীলৈ যাওঁ। জেৰিণা, আমি আহি নোপোৱালৈকে পেহাৰ শ-টো কবৰস্থানলৈ নিবলৈ নিদিবা। মালা, তুমি জেৰিণা আৰু পেহীক চাবা।

সর্বানন্দ আৰু সুন্দৰ ৰূপহী আহি পালেহি।

...ৰূপহীৰ মূলপথত থকা, জমিৰ পেহাই গঢ়া শংকৰ-মাধৱৰ কাৱনি মূর্তি দুটাত একোবাৰ ওলগ জনাই নামঘৰৰ ওচৰ পোৱাৰ লগে লগেই অৱশেষ যাবলৈ থকা অতিথিশিল্পীসকল সর্বানন্দ আৰু সুন্দৰৰ কাষ চাপি আহিল।

: আমাৰ অপৰাধ মার্জনা কৰিব।—সর্বানন্দই শিল্পীসকলক প্রণাম জনাই কলে।

ভোকে-লঘোনে কলমটিয়াই থকা শিল্পীসকলে খণ্ডতে কোনোবাই তললৈ চালে, কোনোবাই সিফালে মুখ ঘূৰালে। কোনোবাই চৰম বিতৃষ্ণাৰে অকথ্যকে উচ্চাৰণ কৰিলে।

শিল্পীসকলৰ মাজৰপৰা গড়মূৰীয়া কাকতি আগবাঢ়ি আহিল : জমিৰ আলিয়েহে আমাক এৰি শান্তিধামলৈ গতি কৰিলে, সেই খবৰ মই পাইছোঁ। আৰু মেলাখন কিহৰ বাবে চাই হৈ গ'ল সেই কথাও ইতিমধ্যে মই বুজি উঠিছো। মই শিল্পীসকলক যথাস্থানে পঠাবৰ বাবে এখন মটৰবাচৰ ব্যৱস্থা কৰিছোঁ। অলপতে পাবহি। তোমালোকে অৱশেষ সম্পদখিনি সামৰিবলৈ যত্ন কৰা।

কাকতিৰ প্রতি কৃতজ্ঞতাত মূৰ দোঁৱাই সর্বানন্দ মূল মণ্ডপৰ চাইখিনিৰ ফালে আগবাঢ়ি গ'ল।

কিছু সময় চাইবোৰলৈ চাই থাকি সজল চকুৰে নামঘৰ পালেহি।

সর্বানন্দ অহা বুলি জানি গাঁৱৰ মানুহবোৰ চাপি আহিল।

তেওঁলোকৰ চুঁৰা ঘৰত থকা প্রদর্শনীৰ সামগ্রীবোৰ আনি সর্বানন্দক

চমজাই দিলেহি। সর্বানন্দই তেওঁলোকৰ হাতে-ভৰিয়ে ধৰি সেইখিনি তাৰ নিজৰ ঘৰলৈ নিয়ালে।

এইবাৰ চাকিও ফালৰ মানুহবোৰ চিঞৰ-বাখৰ কৰি সৰ্বানন্দৰ পিনে খেদি অহাৰ দৰে আহিল।

সকলোকে শান্ত কৰিবলৈ সৰ্বানন্দই কলে: মোক এতিয়া ৰাইজে কি কৰিবলৈ কয়?

আটাইবোৰে চিঞৰি উঠিল: গাঁও এৰি গুচি যা!

: ৰাইজে থাকিবলৈ নিদিয়ে যেতিয়া আৰু যাবই লাগিব। —সৰ্বানন্দই কলে!

: যা-গৈ।—চেনিখৰ বায়নে ৰাইজৰ হৈ মাত দিলে।

সুন্দৰক বস্তুবোৰৰ ভদ্ৰাৰক কৰিবলৈ কৈ সৰ্বানন্দ আকৌ চৈয়দবাৰী পালেহি।

কাপোৰখন ডাঙি জমিৰ পেহাৰ মুখখন চাই সি কলে: আজি মোক ৰূপহীয়ে খেদি দিছে। যামগৈ। এই পৰাজয়ৰ পিছতো সংস্কৃতিৰেই সেৱা কৰি থাকিম। তুমি মাথো মোৰ অন্তৰখন আকাশৰ দৰে বিশালহৈ থাকিবলৈ আশীৰ্বাদ দিবা···

সৰ্বানন্দই আকৌ জমিৰ পেহাৰ মুখখন ঢাকি দিলে। ● ● ●

। অন্ত ।